www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মৃত্যু হ'ল একমাত্ৰ বস্তু য'ৰ পৰা আমি পলাব নোৱাৰো, যাক অৱজ্ঞা কৰিব নোৱাৰো। জন্মদিনৰ পৰাই আমি মৃত্যুৰ দ্বাৰাই দণ্ডিত হৈ আহিছোঁ। —জি. এম. গিলমৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১২২ | মঙ্গলবাৰ | ১০ ফেব্ৰুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 122 | Tuesday | 10th February, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

দিল্লীৰ কেইবাখনো বিদ্যালয়ত বোমা ভাবুকি

## দিল্লী খালিস্তান হ'ব! ই-মেইল যোগে ভাবুকি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** ৰাজধানী দিল্লীত সোমবাৰে পুৱা কেইবাখনো বিখ্যাত বিদ্যালয়লৈ বোমা বিস্ফোৰণৰ ৬পৃষ্ঠাত

## গৌৰৱ গগৈৰ বিৰুদ্ধে জুভেনাইল জাষ্টিচ ক'ৰ্টত গোচৰ দিয়াৰ হুংকাৰ মুখ্যমন্ত্ৰীৰ

**অসম বাৰ্তা, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ নেতা আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ বিৰুদ্ধে জুভেনাইল ৬ পৃষ্ঠাত

## ছেইচেলছৰ ৰাষ্ট্ৰপতি ড° পেট্ৰিক হাৰমিনিৰ ভাৰত ভ্ৰমণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমবাৰে হায়দৰাবাদ হাউচত ছেইচেলছৰ ৰাষ্ট্ৰপতি ড° পেট্ৰিক হাৰমিনিৰ সৈতে সাক্ষাৎ ৬ পৃষ্ঠাত

■ পৰীক্ষাত অৱতীৰ্ণ হ'ব ৪, ৩৮, ৫৬৫ গৰাকী পৰীক্ষাৰ্থী ■

## আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা



**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** অসমত আজি অৰ্থাৎ ১০ ফেব্ৰুৱাৰী (মঙলবাৰ)ৰ পৰা আৰম্ভ হ'ব হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) ২০২৬। ৰাজ্যিক মাধ্যমিক শিক্ষা পৰিষদ (SEBA)ৰ অধীনত অনুষ্ঠিত এই পৰীক্ষা ২৭ ফেব্ৰুৱাৰীত সমাপ্ত হ'ব। এইবাৰ মুঠ ১, ০৪৬টা ৬ পৃষ্ঠাত

নতুন চৰকাৰৰ শপতগ্ৰহণৰ পিছতে দুই জনগোষ্ঠীৰ মাজত প্ৰচণ্ড সংঘাত

## চুবুৰীয়া ৰাজ্য মণিপুৰত পুনৰ গোষ্ঠীগত সংঘৰ্ষৰ উকমুকনি

উখৰুলত ২০টাতকৈ অধিক বাসগৃহ ধ্বংস; লিটন ছাৰিখং গাঁৱত অগ্নিসংযোগ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** মণিপুৰৰ উখৰুল জিলাত পুনৰবাৰ হিংসাৰ সৃষ্টি হৈছে। লিটন ছাৰিখং (Litan Sareikhong) নামৰ এখন গাঁৱত নগা (বিশেষকৈ টাংখুল নগা) আৰু কুকি জনজাতিৰ মাজত সৃষ্টি হোৱা উত্তেজনাৰ ফলত কেইবাটাও বাসগৃহত অগ্নিসংযোগ ৬ পৃষ্ঠাত



■ মুখ্যমন্ত্ৰীৰ অভিযোগৰ কোনো প্ৰমাণ নাই! আইনী ব্যৱস্থাৰ সকীয়নি ■

# আঢ়ৈ ঘণ্টীয়া প্ৰশ্নৰ ডেৰ ঘণ্টীয়া প্ৰত্যুত্তৰ গৌৰৱৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনীতি অতি উত্তপ্ত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দেওবাৰে প্ৰায় আঢ়ৈ ঘণ্টীয়া সংবাদমেলত গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী এলিজাবেথ ক'লবাৰ্ণৰ বিৰুদ্ধে উত্থাপিত "পাকিস্তান লিংক" সন্দৰ্ভক লৈ সোমবাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰায় ডেৰ ঘণ্টীয়া সংবাদমেল সম্বোধন কৰি তীব্ৰ প্ৰত্যুত্তৰ দিয়ে। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ সংবাদমেলক "ফ্লপ শ্ব"" আৰু "ছুপাৰ ফ্লপ চিনেমা" বুলি অভিহিত কৰি কয় যে তাত কেৱল অভিযোগহে আছিল, কোনো প্ৰমাণ দিয়া নাই। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে অভিযোগ আনিলে কিন্তু ৬ পৃষ্ঠাত

■ পাকিস্তান ভ্ৰমণক লৈ গৌৰৱ গগৈক সমালোচনা; পবিত্ৰ মাৰ্ঘেৰিটাৰ কটাক্ষ ■

## তৰুণ গগৈৰ পুত্ৰ হোৱাৰ সুযোগ লৈহে পাকিস্তানলৈ গৈছিল গৌৰৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰিছে। মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈৰ ২০১৩ চনৰ পাকিস্তান ভ্ৰমণক লৈ ৬ পৃষ্ঠাত



গৌৰৱ গগৈ নিজৰ পৰিয়ালৰ ভিতৰতে সংখ্যালঘু হৈ পৰিছে ঃপীযুষ হাজৰিকা

## ল'ৰা-ছোৱালীক পুনৰ হিন্দু ধৰ্মলৈ ঘূৰাই আনক, পত্নীক ভাৰতীয় নাগৰিকত্ব দিয়ক গৌৰৱ গগৈয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছৰ লোকসভাৰ উপ দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ পৰিয়ালৰ ধৰ্ম আৰু নাগৰিকত্ব সন্দৰ্ভত তীব্ৰ সমালোচনা কৰিছে। মন্ত্ৰী হাজৰিকাই ৬ পৃষ্ঠাত




## এলভিছ আলী হাজৰিকাৰ নতুন বিশ্ব অভিলেখ ৪ দিনত ৩৫০ কিলোমিটাৰ সাগৰীয় সাঁতোৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** অসমৰ প্ৰখ্যাত সাঁতোৰবিদ ৬ পৃষ্ঠাত

নিৰ্মাণ কাৰ্য বন্ধ, অৱহেলিত পৰিৱেশৰ অভিযোগ

## জুবিনক্ষেত্ৰক বিশ্ব মানদণ্ডৰ পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰৰ আহ্বান পৰিয়ালৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** সোণাপুৰৰ জুবিন ক্ষেত্ৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষ জিৰণিৰ ঠাইখিনি এতিয়া অৱহেলা আৰু বিশৃংখলতাৰ বলি হৈ পৰিছে। এগৰাকী কেব চালকে ছ'চিয়েল মিডিয়াত উদঙাই দিয়া বিস্ফোৰক তথ্য অনুসৰি জুবিন ক্ষেত্ৰ ৬ পৃষ্ঠাত

জুবিন ক্ষেত্ৰৰ অৱহেলাৰ প্ৰতি ক্ষোভ; মুখ্যমন্ত্ৰীৰ নিৰ্দেশত পৰিষ্কাৰ অভিযান

সাম্প্ৰদায়িক হিংসাৰ উচটনি দিয়াৰ চেষ্টা

## মুখ্যমন্ত্ৰীৰ বন্দুকৰ গুলীৰে 'পইণ্ট ব্লেংক শ্বট'ৰ ইংগিত! অজাপৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ অসম ৰাজ্যিক সমিতিয়ে সামাজিক মাধ্যমত আপলোড কৰি কিছু সময়ৰ ভিতৰতে ডিলিট কৰা এটা বিতৰ্কিত ভিডিঅ'ক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত ৬ পৃষ্ঠাত



শুভমন গিলসহ তিনিজন গ্ৰেড 'এ'ত

## বিচিচিআইৰ ২০২৫-২৬ চুক্তি তালিকা প্ৰকাশ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৯ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিনীয়া জল্পনা-কল্পনাৰ অন্ত পেলাই ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) ২০২৫-২৬ বৰ্ষৰ বাবে টীম ইণ্ডিয়াৰ ছিনিয়ৰ পুৰুষ আৰু মহিলা ক্ৰিকেটাৰসকলৰ ৬ পৃষ্ঠাত




শ্ৰমিক লাইনত বসবাস কৰা চাহ শ্ৰমিকক ভূমিপট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ



## বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ৰাজ্যৰ চাহ শ্ৰমিকে লাভ কৰিব ভূমিপট্টা

**অসম বাৰ্তা, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** অসমৰ চাহ বাগিচাৰ শ্ৰমিক সম্প্ৰদায়ৰ বাবে আজি এক ঐতিহাসিক দিন হিচাপে চিহ্নিত হ'ল। দুশ বছৰীয়া শ্ৰম আৰু সংগ্ৰামৰ পিছত চাহ জনগোষ্ঠীৰ লোকসকলে নিজৰ ভূমিৰ অধিকাৰ লাভৰ দিশে এখোজ আগবাঢ়িল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে ডিব্ৰুগড় জিলাৰ চাবুৱাৰ দিনজয় চাহ বাগিচাৰ খেলপথাৰত চাহ শ্ৰমিকসকলক মাটিৰ পট্টা প্ৰদানৰ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

# ২৫ নং পাকাবেতবাৰী বিধানসভা সমষ্টিত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলৰ নিৰ্বাচন কেন্দ্ৰিক ব্যাপক তৎপৰতা

**অসম বাৰ্তা, কুমুল্লীপৰা, ৭ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ অন্তৰ্গত নৱগঠিত বৃহত্তৰ ২৫ নং পাকাবেতবাৰী বিধান সভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নৱগঠিত সমষ্টিটো সৰুক্ষেত্ৰী সমষ্টিৰ বৃহৎ অংশ আৰু ইয়াৰ চাৰিওফালে থকা চেঙা, বৰপেটা, জনীয়া, সৰভোগ আৰু ভৱানীপুৰ এই ৬টা সমষ্টিৰ কিছু কিছু অংশক লৈ নৱগঠিত বৃহত্তৰ পাকাবেতবাৰী বিধানসভা সমষ্টি গঠন কৰা হৈছে। ইয়াৰে ৯০ শতাংশতকৈ বেছি ভোটাৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ। সমষ্টিটোত বিভিন্ন ৰাজনৈতিক দলেই প্ৰতিদ্বন্দ্বিতা কৰিব যদিও মূল প্ৰতিদ্বন্দ্বৃবীতা বিভিন্ন তথ্য আৰু সমীক্ষাৰ ভিত্তিত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দল দুটাৰ মাজত হোৱাৰ সম্ভাৱনা অধিক প্ৰকট বুলি ক'ব পাৰি। নৱগঠিত সমষ্টিটোত পূৰ্বৰে পৰা কংগ্ৰেছৰ প্ৰভুত্ব থকা দলটোৰ দুজন বিধায়ক আছে এজন হৈছে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, বিধায়ক সৰুক্ষেত্ৰী সমষ্টি। আনজন হৈছে প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক আব্দুৰ ৰহিম আহমেদ, বিধায়ক বৰপেটা সদৰ সমষ্টি। দুয়োজন নেতাই নৱগঠিত ২৫ নং পাকাবেতবাৰী বিধান সভা সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী লগতে আন কেইবাজনো আছে যদিও দলীয় নেতৃত্ব আৰু সাংগঠনিক কাম-কাজৰ সৈতে সদায় সক্ৰীয় ৰূপত পৰিলক্ষিত হোৱা বিধায়ক জাকিৰ হুছেইন শিকদাৰ প্ৰাৰ্থীত্ব পোৱাটো এক প্ৰকাৰ নিশ্চিত বুলি ক'ব পাৰি। আনফালে এ আই ইউ ডি এফ দলৰ সমষ্টিৰ নেতৃত্বই জানিবলৈ দিয়ামতে দলীয় নেতৃত্ব আৰু সাংগঠনিক কাম-কাজৰ সৈতে সদায় সক্ৰীয় ভাৱে অংশগ্ৰহণ কৰা কেন্দ্ৰীয় মহিলা সমিতিৰ সাধাৰণ সম্পাদিকা মিনাক্ষী ৰহমানে প্ৰাৰ্থীত্ব পোৱাটো এক প্ৰকাৰ নিশ্চিত বুলি ক'ব পাৰি। আন কিছুমান ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বৃবিতা কৰাৰ সম্ভাৱনা আছে যদিও তেওঁলোকৰ সাংগঠনিক ভেটি শক্তিশালী ৰূপত আত্মপ্ৰকাশ হোৱা পৰিলক্ষিত হোৱা নাই। ইতিমধ্যেই কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী জাকিৰ হুছেইন শিকদাৰ আৰু এআইইউডিএফ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী মিনাক্ষী ৰহমান দুয়োজন নেতা-নেত্ৰীৰ মাজত বোকা ছটিওৱাৰ ৰাজনীতি বা পৰস্পৰে পৰস্পৰক তীব্ৰ সমালোচনা আৰু বিভিন্ন ধৰণৰ মন্তব্যৰে আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰা পৰিলক্ষিত হৈছে। যোৱা পঞ্চায়ত নিৰ্বাচনত এআইইউডিএফ দলে সিমান এটা উন্নত ফলাফল দেখুৱাব নোৱাৰিলেও সাম্প্ৰতিক সময়ত মিনাক্ষী ৰহমানৰ সৱল নেতৃত্বত আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত দলৰ অৱস্থা তুলনামূলকভাৱে বহুতো উত্থান হোৱা পৰিলক্ষিত হৈছে। আনফালে কংগ্ৰেছ দলে পঞ্চায়ত নিৰ্বাচনত সৰ্বাধিক আসন দখল কৰি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। আগন্তুক বিধানসভা নিৰ্বাচনত কোন দলে কেনেকুৱা প্ৰভাৱ পেলাব সেয়া সময়ত লক্ষণীয় হ'ব। মুঠতে দল দুটাৰ মাজত যে তুমুল প্ৰতিদ্বন্দ্বৃবিতা হ'ব সেয়া একপ্ৰকাৰ নিশ্চিত বুলি ক'ব পাৰি।

# ২০২৬ চনৰ দেৰগাঁও বিধানসভা নিৰ্বাচনত ৩৬ শতাংশ চাহ শ্ৰমিক ভোটাৰে ল'ব নিৰ্ণায়ক ভূমিকা

## চাহ জনগোষ্ঠী ব্যক্তি হ'ব পাৰে বিধায়ক

**অসম বাৰ্তা, দেৰগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচন। শাসক বিৰোধী ব্যস্ত নিজ নিজ দলৰ প্ৰাৰ্থীক জয়যুক্ত কৰাত। ইতিমধ্যেই সমষ্টি-সমষ্টিয়ে নিজৰ প্ৰচাৰত চলাই গৈছে সকলোৱে। নৱগঠিত দেৰগাঁও বিধানসভা সমষ্টিটো সমষ্টি পুনৰ নিৰ্ধাৰণ পাছত এই বাৰ বাঢ়িল ভোটৰ সংখ্যা। দেৰগাঁৱৰ বিধানসভা সমষ্টিৰ পৰা কেবাখনো পঞ্চায়ত বেলেগ সমষ্টিত অন্তৰ্ভুক্ত হল যদিও নৱগঠিত দেৰগাঁও বিধানসভা সমষ্টিটোত কেবাখনো নতুনকৈ গাঁও পঞ্চায়তো অন্তৰ্ভুক্ত হ'ল। সৰ্বমুঠ ২২খন পঞ্চায়ত আৰু এখন পৌৰসভা লৈ অনুষ্ঠিত হ'ব এইবাৰ বিধানসভা নিৰ্বাচন। সমষ্টি পুনৰ নিৰ্ধাৰণ পাছত দেৰগাঁও সমষ্টিটোৰ ভিতৰত সৰ্বাধিক ২৩খন চাহ বাগিচাৰ অন্তৰ্ভুক্ত হ'ল। সমষ্টিটোৰ ভিতৰত সৰ্বাধিক ভোট থকা জনগোষ্ঠীটো হল চাহ জনজাতিৰ লোক সকল। প্ৰায় ৩৬ শতাংশ চাহ জনজাতি লোক থকা দেৰগাঁও বিধানসভা সমষ্টিটোয়ে ভোটাৰে এই বাৰ ল'ব নিৰ্নায়ক ভূমিকা। সমষ্টিটোৰ ভিতৰত বিগত বহু বছৰৰ পৰা অসম চাহ জনজাতি লোক সকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত সততে মাত মাতি অহা দেৱকান্ত কুৰ্মী চাহ জনজাতি লোক সকলে প্ৰক্ষেপ কৰিব এই বাৰ বিধানসভা সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বৃবিতা কৰিবলৈ এক নিৰ্ভয় যোগ সূত্ৰৰ পৰা পোৱা খবৰ ভিত্তিত ইতিমধ্যেই ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ দায়িত্বত থকা সমাজকৰ্মী দেৱ কান্ত কুৰ্মীয়ে নিজৰ প্ৰচাৰত ব্যস্ত থকা দেখা পোৱা গৈছে। দেৰগাঁও সমষ্টিটো যিহেতু মুখ্যমন্ত্ৰীয়ে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীত্ব নিক্ষেপ কৰিব বুলি বিভিন্ন সময়ত মতামত আগবঢ়াইছে তেনে ক্ষেত্ৰত অসম চাহ জনজাতি লোক সকলে নিজৰ নিজৰ অধিকাৰ এই বাৰ সাব্যস্ত কৰিব বুলি উঠি পৰি লাগিছে। সৰ্বমুঠ ৪৯,৫,৩২টা ভোটৰে সৰ্ববৃহৎ জনগোষ্ঠী শীৰ্ষত থকা চাহ-জনগোষ্ঠী লোকক এই বাৰ প্ৰাৰ্থীত্বৰ দাবী তুলিছে চাহ শ্ৰমিক লোক সকলে। উল্লেখযোগ্য যে অসমত বসবাস কৰা ২০০ বছৰো অধিক কাল চাহ জনজাতি লোক সকলৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত কোনো এখন চৰকাৰে আজি কোপতি গুৰুত্ব প্ৰদানৰ নকৰাৰ লগতে স্বাস্থ্য, শিক্ষা, অৰ্থনীতি, ভূমি অধিকাৰকে ধৰি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত বিভিন্ন সমস্যাৰে জৰ্জড়িত জনগোষ্ঠীটোৱে এইবাৰ দেৰগাঁও বিধানসভা নিৰ্বাচনত নিজৰ প্ৰচন্দৰ প্ৰাৰ্থীত্বৰ দাবী তুলিছে। সমষ্টিৰ ছোকে কোনে জনসংযোগ গঢ়ি তুলি নিজৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ সক্ষম হৈছে দেৱকান্ত কৰ্মী দেৰগাঁও বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰা পুৰ্ণ সম্ভাৱনা আছে আৰু চাহ জনজাতি লোকসকলে যে এক নিৰ্নায়ক ভূমিকা গ্ৰহণ কৰিব সেয়া প্ৰায় নিশ্চিত হৈ পৰিছে। ভাৰতীয় জনতা পাৰ্টীয়ে প্ৰকৃততে কাক প্ৰাৰ্থিত্ব প্ৰদান কৰিব সেয়াও লক্ষণীয় হ'ব।

# ৫৩ নং লাহৰিঘাট বিধানসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ডাঃ ফৰিদুল হুছেইনৰ ব্যাপক নিৰ্বাচনী তৎপৰতা



**অসম বাৰ্তা, বটদ্ৰৱা, ৭ ফেব্ৰুৱাৰী ঃ** ৫৩ নং লাহৰিঘাট বিধানসভা সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ডাঃ ফৰিদুল হুছেইনে দিনে-নিশাই নিৰ্বাচনী প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছে। সমষ্টিটোৰ ৩০ খন পঞ্চায়তত বিভিন্ন সভা-সমিতি আৰু মত-বিনিময় অনুষ্ঠানৰ জৰিয়তে তেওঁ ৰাইজৰ মাজত ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৱা কালি কেইবাটাও পঞ্চায়তত প্ৰচাৰ কাৰ্য চলোৱাৰ পিছত সন্ধিয়া ৬ বজাত ৰঙাদৰিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিজানৰ খান মাৰ্কেটত এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন প্ৰধান শিক্ষক আক্কাছ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত এই অনুষ্ঠানত ডাঃ ফৰিদুল হুছেইনে অংশগ্ৰহণ কৰি এ আই ইউ ডি এফক ক্ষুৰধাৰ সমালোচনা কৰে। লগতে আগন্তুক বিধানসভা নিৰ্বাচনত হাতৰ ছবিত ভোট দি কংগ্ৰেছক বিজয়ী কৰিবলৈ সমষ্টিবাসীক আহ্বান জনায়। অনুষ্ঠানটোত লাহৰিঘাট জিলা পৰিষদৰ সদস্য আবু জহিৰ, মৈৰাবাৰী জিলা পৰিষদৰ সদস্য ইচ্ছত আলী, মৈৰাবাৰী ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি আবুবক্কৰ ছিদ্দিক, ফাইজুৰ ৰহমান, মৰিগাঁও জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক চালেহ উদ্দিন, মৰিগাঁও জিলা কৃষক কংগ্ৰেছৰ অধ্যক্ষ নৌচাদ আৰু ৰঙাদৰিয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আবুল কাচেম, জিলা কংগ্ৰেছৰ সম্পাদক নাজিমুল হকৰ লগতে প্ৰায় পাঁচ শতাধিক কংগ্ৰেছৰ সমৰ্থকে উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত ৰাইজে ডাঃ ফৰিদুল হুছেইনৰ বক্তব্য শুনি তেওঁৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু সমষ্টিত পৰিৱৰ্তনৰ আশা প্ৰকাশ কৰে।

# অসম হাৰ্ট কেয়াৰ চ'চাইটিৰ দশম বৰ্ষপূৰ্তিত চুটি নাট পৰিৱেশন




**অসম বাৰ্তা, জাঁজী, ৭ ফেব্ৰুৱাৰী ঃ** যোৱা ১ ফেব্ৰুৱাৰীত গুৱাহাটীৰ বিশ্বৰত্ন হোটেলৰ প্ৰেক্ষাগৃহত অসম হাৰ্ট কেয়াৰ চচাইটিৰ দশম বৰ্ষপূৰ্তি উপলক্ষে আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াত ড° শিখামনি বেজবৰুৱা গোস্বামীৰ ৰচনা, পৰিকল্পনা আৰু পৰিচালনাৰে "হাৰ্ট এটেক"নামেৰে এখনি সজাগতামূলক চুটি নাট প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে ড° শিখামনি বেজবৰুৱা গোস্বামী, প্ৰাঞ্জল কুমাৰ শৰ্মা, নিলাক্ষী গোস্বামী বৰুৱা আৰু জয়শ্ৰী বুঢ়াগোঁহায়ে নাটখনিৰ বিভিন্ন চৰিত্ৰত অভিনয় সাৱলীল অভিনয় কৰি নাটখনি প্ৰাণৱন্ত কৰি তোলে। প্ৰতিদিনে হাৰ্ট এটেকত মৃত্যু বৰণ কৰা পৰিস্থিতিত হাৰ্টৰ সুৰক্ষা আৰু হাৰ্ট এটেকৰ সংখ্যা কম কৰাৰ উদ্দেশ্য সজাগ কৰা নাটখনিৰ কিছুমান পৰামৰ্শই ৰাইজক উপকৃত কৰিব পাৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। আনহাতে নাটখনি আন আন ঠাইত পৰিবেশনৰ কাৰণে যোগাযোগ কৰিবৰ কাৰণে ৭৮৯৬৭৬৩১৪৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# অভিনেতা, সঙ্গীতজ্ঞ সুনীত কুমাৰ বৰালৈ 'সাহিত্য সূৰ্য নিৰোদ চৌধুৰী বঁটা'

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, নতুন দিল্লীৰ ২০১৪ বৰ্ষৰ শিক্ষাৰ্থী তথা এগৰাকী বিশিষ্ট অভিনেতা আৰু সঙ্গীতজ্ঞ, কাকপথাৰৰ দিৰাক অঞ্চলৰ বাসিন্দা সুনীত কুমাৰ বৰালৈ ডুমডুমা শতদল শাখা সাহিত্য সভাই আগবঢ়াইছে ২০২৬ বৰ্ষৰ 'সাহিত্য সূৰ্য নিৰোদ চৌধুৰী বঁটা'। বঁটা প্ৰাপক সুনীত কুমাৰ বৰাই ২০০৬ চনত 'উৎস অসম' নামৰ এটি অপেছাদাৰী নাট্য দলৰ সৈতে জড়িত হৈ শতাধিক নাটকত অভিনয় কৰে। তদুপৰি তেওঁ বিদ্যাৱতী ফুকন, অধ্যাপক ৰবীন দাস, অনুৰাধা কাপুৰ, আদিল হুছেইন, অধ্যাপক অভিলাষ পিল্লাই, কাজাখাস্তানৰ পৰিচালক অভল্যাকুলি খডজাকুলি, আদি বহু কেইগৰাকী বিশিষ্ট অভিনেতা তথা পৰিচালকৰ তত্ত্বাৱধানত কাম কৰাৰ সুযোগ লাভ কৰিছিল। অভিনেতা হোৱাৰ উপৰিও বৰা এগৰাকী দক্ষ কণ্ঠশিল্পী আৰু বাদ্যযন্ত্ৰ বাদক। তেওঁ ইতিমধ্যে দেশে বিদেশে বহু সংগীত মহোৎসৱ আৰু লাইভ অনুষ্ঠানত গীত পৰিৱেশন কৰি সমাদৃত হৈছে। তেওঁ বলিউডৰ এগৰাকী প্ৰতিষ্ঠিত নেপথ্য কণ্ঠশিল্পী। তদুপৰি তেওঁ বলিউডৰ বহু কেইখন বিশেষ চৰ্চিত ছবিত অভিনয় কৰিও দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অহা ১০ ফেব্ৰুৱাৰীত শাখা সাহিত্য সভা ভৱনত ডুমডুমাৰ সুসন্তান, বিশিষ্ট সাহিত্যিক, সাংবাদিক নিৰোদ চৌধুৰীৰ ২৬ সংখ্যক মৃত্যু দিৱস উপলক্ষে আয়োজন কৰা স্মৃতিচাৰণ অনুষ্ঠানত সুনীত কুমাৰ বৰাক এই বঁটা প্ৰদান কৰা হ'ব। বিয়লি চাৰি বজাৰ পৰা হ'বলগীয়া উক্ত স্মৃতিচাৰণ অনুষ্ঠানত বিশিষ্ট কবি তথা ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা প্ৰণতি বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ লগতে প্ৰয়াত নিৰোদ চৌধুৰীৰ পুত্ৰ তথা অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উপসঞ্চালক ইমন চৌধুৰী আমন্ত্ৰিত অতিথি আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

# জাগীৰোডৰ ডোঙাবড়ীত প্ৰকৃতিৰ কোলাত 'কিতাপ পঢ়োঁ আহক' কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** সাম্প্ৰতিক সময়ত ম'বাইল ফোনৰ বহুল প্ৰচলনে সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত কিতাপৰ প্ৰতি আগ্ৰহ স্তিমিত কৰি তুলিছে। পঠনৰ অভ্যাস তথা কিতাপৰ ৰসাস্বাদন এক অনন্য অনুভৱ। 'যিমানেই পঢ়িবা, সিমানেই শিকিবা' এনে এক উদ্দেশ্য আগত ৰাখি ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগোৱাৰ হেতু বেচৰকাৰী সংস্থা 'আলোক দ্য লাইটৃ আৰু ফেচবুক পৃষ্ঠা 'কিতাপ পঢ়োঁ আহক' অনুপ্ৰেৰণাত ডোঙাবড়ী মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী শিখা গগৈৰ তত্ত্বাৱধানত আজি প্ৰকৃতিৰ নিৰল পৰিবেশৰ বুকুত কিছু সংখ্যক ছাত্ৰীৰ মাজত এটি কিতাপ পঢ়াৰ কাৰ্যসূচী সম্পন্ন হয়। বিদ্যালয়ৰ শিক্ষক হেমন্ত কুমাৰ শৰ্মা আৰু শিক্ষয়িত্ৰী ৰুমী দেৱীৰ সহযোগত আয়োজন কৰা এনে কাৰ্যসূচী পৰৱৰ্তী সময়তো অব্যাহত ৰাখিবলৈ প্ৰয়াস কৰা হ'ব বুলি শিক্ষয়িত্ৰী শিখা গগৈয়ে আমাক জানিবলৈ দিয়ে।

# দিব্যাংগসকলক সহায়ক সঁজুলী বিতৰণ

**অসম বাৰ্তা, নকছাৰি, ৭ ফেব্ৰুৱাৰী ঃ** আজি ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সাৱলীকৰণ মন্ত্ৰালয়, ভাৰতীয় তেল নিগমৰ সামাজিক দায়বদ্ধ আঁচনি, ভাৰতৰ কৃত্ৰিম অংগ নিৰ্মাণ নিগম (আলিমকো) আৰু যোৰহাট জিলা প্ৰশাসন, সমাজকল্যাণ বিভাগ যোৰহাটৰ সহযোগত দিব্যাংগ সকলৰ সহায়ক সঁজুলি প্ৰদান এক কাৰ্যসূচী সম্পন্ন হয়। যোৰহাট জিলাৰ শিক্ষা ভৱনত অনুষ্ঠিত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়, ALIMCO(Artificial Limbs Manufacturing Corporation Of India), RVY, ADIP Schemeৰ ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ জেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোক সকলক বিনামূলীয়া বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী সমাজ কল্যাণ বিভাগ যোৰহাটৰ সহযোগত বিতৰণ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। কেন্দ্ৰীয়ভাৱে আয়োজন কৰা সামগ্ৰী প্ৰদান কাৰ্যসূচীত জিলাখনত মুঠ ৩১১০ গৰাকী হিতাধিকাৰীক বিতৰণ কৰা অনুষ্ঠানত আজি যোৰহাট গ্ৰাম্য সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ ১৫০ গৰাকী হিতাধিকাৰীক মটৰাইজ ট্ৰাইচাইকেল, জয়ষ্টিক অপাৰেটেড হুইল চেয়াৰ, স্পৰ্টচ হুইল চেয়াৰ, এক্টিভ ফল্ডিং হুইল চেয়াৰ আদি বিভিন্ন সামগ্ৰী প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে যোৰহাটৰ মাননিয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱা, মৰিয়নি বিধায়ক ৰূপজ্যোতি কুৰ্মী, দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, জিলা সমাজ কল্যাণ বিষয়া যতীশ বৰুৱা, CSR IOCLৰ জেষ্ঠ প্ৰবন্ধক শ্ৰীমতী মালতী মালাকাৰ, অনুপম প্ৰকাশ(DGM, ALIMCO North East), এচ সেনগুপ্তা(প্ৰবন্ধক ALIMCO), উক্ত প্ৰকল্পৰ বিষয়া কৰ্মচাৰী, জিলা সমাজ কল্যাণ বিষয়া কাৰ্যালয়ৰ অৰূপজ্যোতি গন্ধীয়া আৰু কৰ্মচাৰী সকল উপস্থিত থাকে। সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই পৰিচালনা কৰা সামগ্ৰী বিতৰণ কাৰ্যসূচীত যোৰহাট অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সামুহীক গীত পৰিৱেশনে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে।

# দেৰগাঁৱৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ দেৰগাঁৱৰ ইন্দ্ৰানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত শনিবাৰে সন্ধ্যা ভাগত সংঘতিত হয় এক পথ দুৰ্ঘটনা। দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথত সংঘতিত হোৱা ভয়াবহ পথ দুৰ্ঘটনাটোত তিনিজন লোক আহত হোৱাৰ লগতে দুজন ব্যক্তি অতি গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ খবৰ পোৱা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি একে দিশৰ পৰা অহা এখন স্কুটি আৰু বাইকৰ মাজত সংঘটিত হয় ঘটনাটো। স্থানীয় লোকৰ ভাষ্য মতে, তীব্ৰ বেগী এ এচ ০৫ জেদ ৯৯০৫ নম্বৰৰ এখন মটৰ চাইকেলে স্কুটিত খুন্দিওৱাৰ ফলতে এই ভয়াবহ পথ দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথটো নতুনকৈ নিৰ্মাণ হোৱাৰ পিছত পথ দুঘটনা অধিক বৃদ্ধি পাব ধৰিছে। বাহন সমূহৰ গতিবেগ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে এই পথচোৱাত অনাগত দিনতো ভয়াবহ পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে বুলি স্থানীয়লোকে মতপোষণ কৰে।

# চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুখপত্ৰ উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ৭ ফেব্ৰুৱাৰী ঃ** চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৫-২০২৬ বৰ্ষৰ মুখপত্ৰ "উষাজ্যোতি" আজি উন্মোচন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্টুপীয়া উন্মোচনী অনুষ্ঠানত মুখপত্ৰখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে আমগুৰিৰ বিশিষ্ট কবি তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। মুখপত্ৰ "উষাজ্যোতি" সম্পাদনাৰ দায়িত্বত আছিল ছাত্ৰী প্ৰজ্ঞাপ্ৰিয়া দত্ত আৰু উপদেষ্টা হিচাপে আছিল শিক্ষয়ত্ৰী বৰষা কোঁৱৰ। বিদ্যালয়ৰ শিক্ষয়ত্ৰী জিমি চেতীয়াই আঁত ধৰা আৰু বিদ্যালয়ৰ অধ্যক্ষা নৱনীতা গগৈৰ পৌৰহিতত অনুষ্ঠিত উন্মোচনী সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে সাংবাদিক জ্যোতি প্ৰসাদ গগৈ আৰু দেৱবিকাশ দত্ত লগতে বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী আৰু ছাত্ৰ ছাত্ৰী সকল। অনুষ্ঠানত বিদ্যালয়ৰ জেষ্ঠ শিক্ষক পবিত্ৰ গগৈ আৰু পুষ্পধৰ দুৱৰাক অধ্যক্ষৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

# বকোৰ মজলীয়া বিদ্যালয়, এম ই বিদ্যালয়ত প্ৰধান শিক্ষকৰ খালী পদ পূৰণ কৰাৰ দাবী

**অসম বাৰ্তা, বকো, ৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ জৰিয়তে সকলো মজলীয়া বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক খালী পদ সমূহ পুৰণ কৰাৰ বাবে ব্যৱস্থা হাতত লোৱা বুলি চৰকাৰী ভাৱে জানিব পৰা গৈছে। উল্লেখ্য যে কামৰূপ জিলাৰ বকো শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰায় ৯০ শতাংশ মজলীয়া বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয়ত খালী প্ৰধান শিক্ষকৰ পদ বিগত তিনি বছৰ আগতে বিভাগীয় ভাৱে সাক্ষাৎকাৰ লোৱা হৈছিল। ইয়াৰ উপৰিও বকো শিক্ষা খণ্ডৰ কাৰ্যালয়ে ২০২৫ চনতে শিক্ষকৰ বাছনি তালিকা প্ৰকাশ কৰিছিল। বৰ্তমান মজলীয়া বিদ্যালয় ৭খন বকো মজলীয়া বিদ্যালয়; ভালুকঘাটা মজলীয়া বিদ্যালয়, বন্দাপাৰা মজলীয়া বিদ্যালয়, গামেৰীমুৰা মজলীয়া বিদ্যালয়, বাহজানী মজলীয়া বিদ্যালয়, চক্ৰপাণি মজলীয়া বিদ্যালয় আৰু হাঁহিমৰ শামুকা উচ্চ বুনিয়াদী বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষক নাই। আনহাতে ঘিলাবাৰী এম ই, সমাজ কল্যাণ এম ই, শান্তিপুৰ, মৌমান এম ই, ষষ্ঠ পুৰ এম ই, বেকেলী এম ই, পুৰণ মল জৈন এম ই, ডেকাপাৰা এম ই, বাঘমাৰা এম ই, দিলিঙা এম ই; শাখাতি এম ই আদি বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষক নাই। প্ৰাপ্ত তথ্য অনুসৰি আজিৰ পৰা ১২ বছৰ ধৰি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে কাম কৰি থকা শিক্ষকেহে এই সমূহ বিদ্যালয় চলাই আহিছে। ইফালে বকো মজলীয়া বিদ্যালয় শিক্ষক সন্থা, আৰু মধ্য ইংৰাজী বিদ্যালয় শিক্ষক সন্থাই পৃথকে পৃথকে অসমৰ শিক্ষা মন্ত্ৰী গৰাকীক খালী পদ সমূহ পুৰণৰ ব্যৱস্থা কৰাৰ বাবে বহু বাৰ দাবী জনাইছে। ইফালে একাধিক বিদ্যালয়ৰ শিক্ষকে জনোৱা মতে বৰ্তমান বাছনিৰ তালিকাত থকা বহুতো শিক্ষক তিনি বছৰ পিছত অৱসৰ গ্ৰহণ কৰিব। শৈক্ষিক দিশত উন্নতি সাধন কৰিবলৈ হ'লে শিক্ষকৰ সমস্যা সমাধান কৰা নিতান্তই প্ৰয়োজন আছে বুলি শৈক্ষিক সামাজে মত পোষণ কৰিছে। এই বিষয়টো শিক্ষক সন্থাৰ ৰাজ্যিক নেতৃবৰ্গকো জনোৱা হৈছে বুলি প্ৰকাশ কৰে বহু কেইজন শিক্ষকে। আনহাতে বকো মজলীয়া বিদ্যালয়ত অৰ্থৰ অভাৱত ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন আঁচনি ৰূপায়ণত সমস্যা হৈছে বুলি জানিব দিয়ে প্ৰধান শিক্ষক বলেন চন্দ্ৰ দাসে।

# আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত পুৰুষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল দত্ত আৰু মহিলাৰ ডিকেডি মহাবিদ্যালয়ৰ ৰশ্মি ছেত্ৰী শ্ৰেষ্ঠ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত পুৰুষৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল দত্ত আৰু মহিলা শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে ডি, কে, ডি মহাবিদ্যালয়ৰ ৰশ্মি চেত্ৰীয়ে। এই প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ ২৮খন মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া ড° দ্বীপজ্যোতি গগৈয়ে। তেওঁ নিজৰ ভাষণত কয় যে, আগন্তুক ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ বিশ্ববিদ্যালয় কাৰাটে প্ৰতিযোগিতাৰ বিষয়ে সকলোকে অৱগত কৰি এই প্ৰতিযোগিতাৰ পৰাই বিশ্ববিদ্যালয়ৰ দলটি বাছনি কৰাৰ কথা উল্লেখ কৰে। খেলখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ শিক্ষাগুৰু ড° জিতু বৰাই। সভাত উপস্থিত থাকে ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ সভাপতি নিৰেণ ফুকন, অধ্যক্ষ ধৰ্মেন্দ্ৰ দুৱৰা, খেল পৰিচালক আৰু বিচাৰক সকল। প্ৰতিযোগিতাখনিত পুৰুষৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল দত্তই আৰু মহিলা শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে ডিকেডি কলেজৰ ৰশ্মি চেত্ৰীয়ে। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ছাত্ৰ পৰিক্ৰমা গুৰু ড° সুৰজিত বৰকটকী। তেখেতৰ বহুমূলীয়া ভাষণৰ লগতে পুৰস্কাৰ সমূহ বিতৰণ কৰে। প্ৰতিযোগিতাখনি সফলভাৱে সমাপ্ত হোৱাত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ ড° জিতেন হাজৰিকা আৰু পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে সকলোকে অভিনন্দন, শুভেচ্ছা আৰু ধন্যবাদ জনায়। প্ৰতিয়োগিতাখনিৰ পৰিচালক হিচাপে আছিল ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক অঞ্জন চেতিয়া।

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত জাতীয় বিদ্যালয় বৃত্তি পৰীক্ষাত ডুমডুমা জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ সফলতা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ ফেব্ৰুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত জাতীয় বিদ্যালয় বৃত্তি পৰীক্ষাত ডুমডুমা জাতীয় বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ ৰিব পাটোৱাৰীয়ে বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে বিদ্যালয়খনৰ তৃতীয় শ্ৰেণীৰ আন দুগৰাকী শিক্ষাৰ্থী ক্ৰমে দিক্ষিতা হাজৰিকা আৰু পল্লৱ মানকিয়ে তেওঁলোকৰ পাৰদৰ্শিতাৰ ভিত্তিত প্ৰমাণ পত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ এই সাফল্যত বিদ্যালয়খনৰ অধ্যক্ষা সুৰভি মৰাণ, পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱা আৰু সম্পাদক জিতু ডেকাই তেওঁলোকক অভিনন্দন জনাইছে।


## AFFIDAVIT

Swarn before the Notary Public at Kamrup(Metro), Guwahati on 28th January 2026 that my actual and correct name is Monghol Mili. But in my Aadhaar Card (UID No. 2686 5578 8395), my name has been wrongly recorded as Mongal Doley instead of Monghol Mili. And also my father's name has been wrongly recorded as Maggi Doley instead of Maghi Mili. I do hereby declare that Mongal Doley and Monghol Mili are the same and one person i.e. myself and also Maggi Doley and Maghi Mili are the same and one person i.e. my father.

Monghol Mili,
S/O- Maghi Mili,
R/O- Kamrek Gaon, P.O.- Kambong, P.S.-Garamur, District-Majuli, Assam

AB-13/2026

## শপতনামা

মই এক শপতনামাযোগে জনাওঁ যে, অসম গ্ৰামীণ বিকাশ বেংকৰ তালাপ শাখাত থকা একাউণ্ট নং 7393026006749 ত মোৰ নাম লবিনা প্ৰেমলাল হৈ আছে। প্ৰকৃততে ছবিনা নাগ হে হ'ব লাগে। লবিনা প্ৰেমলাল আৰু ছবিনা নাগ এগৰাকীয়েই।

ছবিনা নাগ
স্বামী - বিকাশ নাগ
ঠিকনা- ৬ নং লাইন,
দাইচাজান চাহ বাগিছা
ডাক ঃ বৰদলৈ নগৰ (তালাপ)
পিন ঃ ৭৮৬১৫৬
জিলা ঃ তিনিচুকীয়া

AB-15/2026

### আত্মজীৱনী লিখা বহু কঠিন কাম ঃ ইদ্ৰিছ আলি

# অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ৰমেশ চন্দ্ৰ চহৰীয়াদেৱৰ স্মৃতিচাৰণ সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট শিক্ষাবিদ, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ৰমেশ চন্দ্ৰ চহৰীয়াদেৱৰ ৪৪ সংখ্যক স্মৃতিচাৰণ সভাখনৰ লগতে দুখনকৈ গ্ৰন্থ উন্মোচনী অনুষ্ঠানটি অনুষ্ঠিত হয়। আজি টংলাস্থিত ৰমেশ চন্দ্ৰ চহৰীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ লম্বোদৰ চহৰীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ৰমেশ চন্দ্ৰ চহৰীয়া শৈক্ষিক ন্যাস, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু প্ৰাক্তন প্ৰশিক্ষাৰ্থী সন্থাৰ সহযোগত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাখন ৰূপাঞ্জলি দাসৰ দ্বাৰা পৰিবেশিত বৰগীতেৰে আৰম্ভ হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু পৰিচালনা কৰে ৰমেশ চন্দ্ৰ চহৰীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ত্ৰিবেণী বনিয়াই। আদৰণী ভাষণ প্ৰদান কৰে প্ৰাক্তন বিধায়িকা তথা অসম ৰাজ্যিক মহিলা আয়োগৰ প্ৰথম অধ্যক্ষা মৃদুলা চহৰীয়াই। তেওঁ আদৰণী ভাষণত ৰমেশ চন্দ্ৰ চহৰীয়াদেৱৰ জীৱনৰ আদৰ্শ আৰু কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰে। আজিৰ উক্ত সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি মঙ্গলদৈ মহাবিদ্যালয় অধ্যক্ষ ড° কমলাকান্ত বৰাই কয় যে, আমাৰ স্মৃতি শক্তি কেতিয়াও স্থায়ী নহয়। স্মৃতি শক্তি ক্ষণ স্থায়ী। নিজৰ স্মৃতি শক্তিক বিশ্বাস কৰিব নালাগে কাৰণ আমি কেতিয়া আমাৰ জীৱনৰ কথাবোৰ পাহৰি পেলাওঁ তাৰ কোনো ভৰসা নাই। সেই কাৰণে ছপা আকাৰে বিষয়বোৰ প্ৰকাশ কৰি থব লাগে। বৰ্ত্তমান সময়ত আমাৰ নৱ প্ৰজন্মই জ্যেষ্ঠ সকলৰ কথা শুনিব তান পায়, সভা সমিতিত বহিবলৈ ধৈৰ্য্য নাই। খাদ্য আৰু বাদ্যতহে মানুহৰ ভিৰ দেখা পোৱা যায়। আমি শুনি জ্ঞান আহৰণ কৰিব পাৰিলে স্থায়ী হব, যিহেতু শ্ৰৱণ হৈছে ভক্তি প্ৰচাৰৰ উত্তম মাধ্যম। যেতিয়া আমি জ্ঞান সন্তুলিত সমাজ সৃষ্টি কৰিব পাৰিম তেতিয়াই সমাজ নতুন দিশলৈ ধাৱমান হ'ব বুলি তেওঁ কয়। সভাতে প্ৰাক্তন বিধায়িকা তথা অসম ৰাজ্যিক মহিলা আয়োগৰ প্ৰথম অধ্যক্ষা তথা প্ৰয়াত ৰমেশ চন্দ্ৰ চহৰীয়াদেৱৰ পত্নী মৃদুলা চহৰীয়াৰ আত্মজীৱনী 'মোৰ জীৱন পৰিক্ৰমা' উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ইদ্ৰিছ আলিয়ে। তেওঁ গ্ৰন্থ উন্মোচন কৰি ভাষণ প্ৰদান কৰি কয় যে, আত্মাজীৱনী লিখা বহু কঠিন কাম। খুব কম সংখ্যক লোকেহে আত্মাজীৱনী লিখিব পাৰে। আত্মাজীৱনী পঢ়িলে জীৱনত নজনা কথা বহু শিকিব আৰু জানিব পাৰি বুলিও উল্লেখ কৰে। তেওঁ নতুন প্ৰজন্মক আত্মাজীৱনী পঢ়িবলৈ আহ্বান জনায়। আনহাতে অসমৰ বিভিন্ন সুধীজনৰ দ্বাৰা লিখিত বিভিন্ন অভিনন্দন লেখাৰ সমাহাৰ আন এখন অভিনন্দন গ্ৰন্থ গীৰীন্দ্ৰ মোহন দাসৰ সম্পাদিত "নখন্দা পাৰৰ পৰা জনজীৱনলৈ মৃদুলা চহৰীয়া" উন্মোচন কৰে আইন গবেষণা প্ৰতিষ্ঠান, গুৱাহাটী উচ্চ ন্যায়ালয় প্ৰাক্তন সঞ্চালক ড° জেউতী বৰুৱাই। অনুষ্ঠানখনত গুৱাহাটী উচ্চ ন্যায়ালয় আইন গৱেষণা প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ড° জেউতি বৰুৱা, প্ৰাক্তন বিধায়ক হিৰণ্য বৰুৱা, মঙলদৈ মহাবিদ্যালয় অধ্যক্ষ ড° কমলা কান্ত বৰুৱা, ৰমেশ চন্দ্ৰ চহৰীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গৌতম কুমাৰ, "আজিৰ প্ৰতিনিধি"ৰ কাৰ্যনিৰ্বাহী সম্পাদক ধীৰেণ শইকীয়াৰ লগতে লেখক আৰু আমন্ত্ৰিত অতিথি সকলক সম্বৰ্ধন জনোৱা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰে প্ৰাক্তন বিধায়ক হিৰণ্য বৰুৱা, আজিৰ প্ৰতিনিধি"ৰ কাৰ্যনিৰ্বাহী সম্পাদক ধীৰেণ শইকীয়াই। অনুষ্ঠানত বি.এড. দ্বিতীয় বৰ্ষৰ শিক্ষাৰ্থী সকলৰ বড়ো নৃত্যই অনুষ্ঠানখন জিপাল কৰি তোলে। অসম জাতীয় সংগীতেৰে সমাপ্ত হোৱা সভাখনৰ শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা চুনু ডেকাই। শতাধিক ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট অতিথি সকলৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠভ বঢ়ায়। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত ৰমেশ চন্দ্ৰ চহৰীয়াৰ প্ৰতিমূৰ্তিত মাল্যাৰপন আৰু বন্তি প্ৰজ্বলন কৰা হয়।

# চামগুৰিত "দুলাল পেপাৰ এজেঞ্চি"ৰ ত্ৰিশ বছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠান উদ্‌যাপন




**অসম বাৰ্তা, পুৰণিগুদাম, ৯ ফেব্ৰুৱাৰী ঃ** "সামাজিক মাধ্যমৰ সু-প্ৰভাৱ যিদৰে আছে, ঠিক সেইদৰে কু-প্ৰভাৱো আছে যথেষ্ট। তৎস্বত্বেও বাতৰি কাকতৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। মোবাইলৰ জৰিয়তে সমাজিক মাধ্যমত সম্প্ৰচাৰিত বাতৰিক সকলো ক্ষেত্ৰতে বিশ্বাস কৰিব নোৱাৰি। এ আই প্ৰযুক্তিৰ জৰিয়তে মানুহৰ মিছাক সঁচা কৰাৰ প্ৰৱণতা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। তাৰ মাজতে সমাজৰ সচেতন আৰু বিবেকবান লোকসকলে বাতৰিকাকতক প্ৰাধান্য দিয়ে আৰু নৱ-প্ৰজন্মৰ মাজতো অধ্যয়নশীলতা বৃদ্ধি পাবলৈ ধৰিছে।" এই মন্তব্য "স্বতন্ত্ৰতা সেনানী"ৰ সম্পাদক নীলৰঞ্জন শৰ্মাৰ। আজি নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত ভেলেউগুৰি আঞ্চলিক পুথিভঁড়াল প্ৰাঙ্গণত চামগুৰিস্থিত অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক প্ৰদীপ বৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা দুলাল পেপাৰ এজেঞ্চিৰ ত্ৰিশ বছৰীয়া বৰ্ষপূতি উপলক্ষে আয়োজিত সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি স্বতন্ত্ৰতা সেনানীৰ সম্পাদক তথা "দৈনন্দিন বাৰ্তা" কাকতৰ জ্যেষ্ঠ সাংবাদিক গৰাকীয়ে আৰু কয় যে, সামাজিক মাধ্যমৰ জৰিয়তে তাৎক্ষণিক সংবাদ প্ৰাপ্তি বা জিজ্ঞাসু মনৰ মানুহক ভূ-ভাৰন্তৰ তথ্য জনাৰ সুবিধা প্ৰদান কৰি আহিছে যদিও মানুহৰ মাজৰ ঐক্য, সম্প্ৰীতি ক্ৰমাৎ বিঘ্নিত কৰিছে। তাৰ মাজতো বাতৰিকাকত বিক্ৰেতা আৰু বিলনীয়াসকল কৃতজ্ঞতাৰ পাত্ৰ। তেওঁলোকে এটি অতি কষ্টসাধ্য কৰ্মৰ মাজেৰে বৌদ্ধিক পৰিমণ্ডল সৃষ্টিত যোগাত্মক অৰিহণা যোগাই আহিছে। চামগুৰিস্থিত "নিয়মীয়া বাৰ্তা" কাকতৰ সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মাই আঁত ধৰা আৰু এজেঞ্চিটোৰ স্বতাধিকাৰ দুলাল শৰ্মাই উদ্দেশ্য আৰু ব্যাখ্যা কৰা সভাখনত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দুৰ্লভ মহন্ত উপস্থিত থাকি বাতৰিকাকতৰ জয়যাত্ৰাৰ সন্দৰ্ভত বক্তৃতা প্ৰদান কৰাৰ লগতে ১২খন কাকতেৰে ব্যৱসায় আৰম্ভ কৰি সম্প্ৰতি পাঁচ শতাধিক কাকত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মাজত পুৱাতে খবৰ বিলোৱা প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী দুলাল শৰ্মাক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে, ঐতিহ্যমণ্ডিত বৃহত্তৰ চামগুৰি অঞ্চলত বৌদ্ধিক এক পৰিমণ্ডল সৃষ্টিৰ আকাংক্ষাৰে প্ৰায় একক প্ৰচেষ্টাৰেই বিগত ত্ৰিশ বছৰ পূৰ্বে ভেলেউগুৰিত "দুলাল পেপাৰ এজেঞ্চি" নামৰ প্ৰতিষ্ঠানটি স্থাপন কৰাৰ লগতে কেইবাগৰাকীও বাতৰি কাকত যোগনীয়াৰক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰি সামান্য পৰিমাণ হ'লেও আৰ্থিক সহযোগিতা আগবঢ়াই আহিছে। প্ৰতিষ্ঠানটিৰ ত্ৰিশ বছৰীয়া বৰ্ষপূতি উপলক্ষে আয়োজিত সভাত স্তমভ লেখক দেবেন শইকীয়া, আঞ্চলিক পুথিভঁৰালৰ সভাপতি ডম্বৰু বৰা, বিশিষ্ট সমাজসেৱক লক্ষ্মীৰঞ্জন কাকতি আৰু সাংবাদিক জয়ন্ত বৰা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত স্নিগ্ধা পৰাশৰে এটি সুমধুৰ সংস্কৃত শ্লোক পৰিৱেশ কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰে। "বৰ্তমান সমাজত সামাজিক মাধ্যমৰ সু-প্ৰভাৱ আৰু কু-প্ৰভাৱৰ লগতে বাতৰি কাকতৰ প্ৰয়োজনীয়তা" শীৰ্ষক এক মননশীল বিষয়ৰ আলোচনাৰ সভাখনত প্ৰধান শিক্ষক ৰফিকুল ইছলাম, সমাজসেৱক গোবিন ডেকা, নৰেন ভূঞা, দৈনিক অগ্ৰদূত কাকতৰ চামগুৰিস্থিত সাংবাদিক বিবেকানন্দ শইকীয়া আমাৰ অসম কাকতৰ চামগুৰিস্থিত সাংবাদিক নৱজ্যোতি বৰা, অসমীয়া খবৰ কাকতৰ চামগুৰিস্থিত সাংবাদিক ৰিংকুমণি শইকীয়া, অসম বাৰ্তা কাকতৰ পুৰণিগুদামৰ সাংবাদিক দিব্যজ্যোতি ভূঞা, গণ অধিকাৰ কাকতৰ চামগুৰিস্থিত সাংবাদিক নৃপেন হাজৰিকাকে ধৰি ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলৰ লগতে স্থানীয় বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

# টংলাত কেন্দ্ৰীয় চৰকাৰৰ বাজেট ২০২৬ সংক্ৰান্তত সংবাদমেল সম্বোধন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলাৰ শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত কেন্দ্ৰীয় চৰকাৰৰ বাজেট ২০২৬ৰ সংক্ৰান্তত ভাৰতীয় জনতা পাৰ্টিৰ মুখপাত্ৰ মানস শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয় কেন্দ্ৰীয় চৰকাৰৰ ২০২৬-২৭ৰ বাজেটখন মোদী চৰকাৰে দ্বিধাৰ ঠাইত কৰ্ম, ভাষণৰ ঠাইত সংস্কাৰ, লোকপ্ৰিয়তাৰ ঠাইত জনগণ এই দৃষ্টিভংগীৰ দ্বাৰা প্ৰোংসাহিত কৰা হৈছে। আত্মনিৰ্ভৰতাৰ মূল দিশ হিচাপে এই বাজেটখনে গাঁথনিত সংস্কাৰ, বিত্তীয় শৃংখলা আৰু নিৰন্তৰ ৰাজহুৱা বিনিয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বাজেটখন তিনিটা কৰ্তব্যৰ ওপৰত আধাৰিত। উৎপাদন শীলতা আৰু প্ৰতিযোগিতা বৃদ্ধি কৰি অৰ্থনৈতিক ত্বৰান্বিত কৰা, জনগণৰ আশা পূৰণ কৰা আৰু উন্নত শাসন ব্যৱস্থাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাসহ আধুনিক প্ৰযুক্তিৰ বিকাশ। তেখেতে বিকশিত ভাৰত ২০৪৭ ৰ পথ নিৰ্দেশনা হিচাপে সংস্কাৰ এ'প্ৰেছ, স্থায়ী অৰ্থনৈতিক বৃদ্ধি আৰু বিত্তীয় সংহতি, মধ্যবিত্ত শ্ৰেণীৰ শক্তিশালীকৰণ, দক্ষ মানৱ সম্পদ নিশ্চিতকৰণ, গুণগত শিক্ষাৰ জৰিয়তে যুৱ শক্তিক সক্ষম কৰা, এম্‌এছ্‌এম্‌ই খণ্ডৰ সম্ভাৱনা মুক্ত কৰা, বৃহৎ পৰিমাণৰ উৎপাদন খণ্ডৰ বিস্তাৰ, ৰপ্তানিৰ জৰিয়তে বিশ্ব নেতৃত্ব, পূৱ ভাৰতক শক্তিশালীকৰণ, খাদী হস্ততাঁত, পশুপালন আৰু গ্ৰাম্য উদ্যোগত পুঁজি যোগান, নগৰ সমূহক গ্ৰোথ কানে"ৰ হিচাপে বিকাশ, ছেমি কণ্ডা"ৰ পৰিৱেশ শক্তিশালীকৰণ, অন্নদাতা কৃষকৰ সামগ্ৰিক কল্যাণ, নাৰী নেতৃত্বাধীন বিকাশ, সামাজিক ন্যায় সৰলীকৰণ আৰু কল্যাণৰ জৰিয়তে অমৃত কাল, জলবায়ু সহনশীলতা আৰু শক্তি আত্মনিৰ্ভৰতা, ঐতিহ্য পৰ্যটন আৰু বন্যপ্ৰাণী সংৰক্ষণ আদি দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি জানিবলৈ দিয়ে। আনহাতে অসম কেন্দ্ৰিক বাজেটৰ মুখ্য দিশ সমূহ আঙুলিয়াই তেখেতে কয় আন্ত গাঁথনি আৰু সংযোগ ব্যৱস্থাত গুৰুত্ব প্ৰদান কৰিছে। গুৱাহাটী বিমানবন্দৰৰ উন্নীত কৰণত তিনি হেজাৰ কোটি টকা, স্মাৰ্ট চিটি উন্নয়নৰ বাবে ১৮০০ কোটি টকা, পথ আৰু ৰাষ্ট্ৰীয় ঘাই পথ প্ৰকল্প সমূহৰ বাবে ১২, ৫০০ কোটি টকা, বৌদ্ধ পৰ্যটনৰ বাবে ১২০০ কোটি টকা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে ৮০০ কোটি টকা, শিক্ষা আৰু দক্ষতা বিকাশৰ বাবে কেবা কোটি টকা, জনজাতীয় শিক্ষাৰ্থীৰ বাবে জলপানি ৮০০ কোটি টকা, কৃষি আৰু গ্ৰামোন্নয়নৰ বাবে কেবাকোটি টকা নিৰ্ধাৰণ কৰিছে, স্বাস্থ্য আৰু সামাজিক কল্যাণৰ কেইবাকোটি টকা, উদ্যোগ আৰু নিয়োগ, পৰিৱেশ উন্নয়নৰ বাবে কেবাকোটি টকা নিৰ্ধাৰণ কৰিছে বুলি বিজেপিৰ মুখ পাত্ৰ গৰাকীয়ে জানিবলৈ দিয়ে। উক্ত সংবাদমেলত বিজেপিৰ জিলা প্ৰভাৰী ধীৰেন ডেকা, সহ প্ৰভাৰী বাবুল বড়ো, বাজেট সমিতিৰ আহ্বায়ক নয়ন মল্ল বুজৰবৰুৱা, ওদালগুৰি জিলা বিজেপিৰ সভাপতি অজয় কুমাৰ হাজৰিকা, উপ সভাপতিদ্বয় জয়কান্ত শৰ্মা, বিকন চন্দ্ৰ ডেকা, জিলা বিজেপিৰ সম্পাদক সাধাৰণ সম্পাদক জৌশ্ৰাং বড়ো, নয়ন মল্ল বুজৰবৰুৱা উপস্থিত থাকে।

### নিজম পৰিল মালেগড়ৰ সৰ্বজনীন পালনাম মহোৎসৱ

# নিৰন্তৰ হৰিনামেৰে দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৯ ফেব্ৰুৱাৰী ঃ** নিৰন্তৰ হৰি-নাম কীৰ্তনেৰে দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত কৰি আজি বিয়লি সামৰণি পৰে যোৱা ৬ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত বঙাইগাঁও জিলাৰ মালেগড়ৰ ত্ৰিবিংশতিতম সৰ্বজনীন পালনাম মহোৎসৱৰ। প্ৰথম দিনা পুৱা পালনাম উদযাপন সমিতিৰ সভাপতি নৰেশ্বৰ কলিতাৰ দ্বাৰা পতাকা পতাকা, জ্যেষ্ঠ নাগৰিক গিৰীশ সিংহৰ বৃষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। সন্ধিয়া অনুষ্ঠিত হয় প্ৰসংগ। প্ৰসংগ পাঠ কৰে বইটামাৰীৰ মনোৰঞ্জন পাঠক। তদুপৰি অনুষ্ঠিত হয় ঘৰে ঘৰে বন্তি প্ৰজ্বলন। পাছদিনা পুৱা ব্ৰহ্মমুহূৰ্তত ভাগৱত স্থাপন ভাগৱত অৰ্চনা আৰ পুৱাৰ প্ৰসংগ অনুষ্ঠিত কৰাৰ পাছত সৃজনগ্ৰামৰ বিজয় পাঠকে বৰপেটা সত্ৰত আৰ্হিত ২৪ যুগল অনুষ্ঠিত কৰে। তাৰ পাছৰে পৰা পিৰাধৰাৰ সত্যসন্ধ্যা মহিলা নাম দল, গোৱালপাৰাৰ বৰলুইত মহিলা নাম দলৰ লগতে মালেগড়, খোৰাগাঁও অঞ্চলৰ মহিলা সকলে নামপ্ৰসংগ অনুষ্ঠিত কৰে। তাৰ পাছৰে পৰা আগিয়া, টোকৰা, গোৱালপাৰা, ধৰ্মপুৰ, খোৰাগাঁও আদি অঞ্চলৰ বীৰনাম দলে নিৰন্তৰ ভাবে আজি পুৱালৈকে বীৰনাম প্ৰসংগ অনুষ্ঠিত কৰে। নামৰ অখণ্ডতা ৰক্ষা কৰে মনি পাঠক, জগদ্বীশ পাঠক, ভৱেন ৰায় আৰু জীৱধন দাসে। তাৰ পাছত ভাগৱত সহ গাঁও পৰিভ্ৰমণ কৰাৰ পাছত অনুষ্ঠিত হয় ধৰ্মালোচনী সভা। উক্ত সভাত পালনামৰ তাৎপৰ্য ব্যাখ্যা কৰে বিজয় পাঠকে উক্ত সভাতে অভয়াপুৰীৰ বিশিষ্ট সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, অমুল্য দাসককে ধৰি কেবাজনকো মানপত্ৰ আদিৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি সমাজ কৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে কয় যে গুৰুজনাই একশৰণ নামধৰ্মৰ যোগেদি খণ্ড খণ্ডকৈ থকা অসমীয়া সমাজখন একত্ৰিত কৰি বৃহত্তৰ অসমীয়া সমাজখন গঢ়ি তুলিছিল। তদুপৰি মহাপুৰুষ শংকৰদেৱে প্ৰিয় শিষ্য মাধৱদেৱক সংগ কৰি লৈ সাহিত্য, সংস্কৃতি, গীত, নৃত্য, চিত্ৰকলা, বয়নশিল্পকে ধৰি ভিন্ন ক্ষেত্ৰত যোগোৱা অৱদান অতুলনীয় বুলি পাঠকে ভাষণত উল্লেখ কৰে। আনপিনে মালেগড়ত অনুষ্ঠিত মহা পালনামৰ নিৰন্তৰ হৰিনামে অঞ্চলটোৰ সকলো জীৱকে পুণ্যময় কৰা বুলিও ভাষণত উল্লেখ কৰে।

# বৰপেটাত এচিএৰ ক্ৰিকেট একাডেমীৰ ক্ৰিকেট ষ্টেডিয়াম উদ্বোধন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৯ ফেব্ৰুৱাৰী ঃ** বৰপেটা চহৰৰ সত্ৰ বাৰাদিত নৱনিৰ্মিত ক্ৰিকেট ষ্টেডিয়ামত নামনি অসম মণ্ডলৰ এ চি এ ক্ৰিকেট একাডেমী আজি আনুষ্ঠানিক ভাবে উদ্বোধন কৰা হয়। ইপিনে আজি ক্ৰিকেট ষ্টেডিয়াম চৌহদত খেলুৱৈৰ বাবে এটি নিৱাস গৃহৰো আধাৰশিলা স্থাপন কৰা হয়। আজি অসমৰ বিভিন্ন প্ৰান্তৰ ক্ৰীড়া সংগঠক, ক্ৰিকেট খেলুৱৈ আৰু ক্ৰীড়া অনুৰাগী ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এচিএ ক্ৰিকেট একাডেমী উদ্বোধনৰ লগতে খেলুৱৈৰ নিৱাস গৃহৰ আধাৰশিলা স্থাপন কৰে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব দেৱজিৎ লন শইকীয়াই। অসম ক্ৰিকেট সন্থাৰ উদ্যোগত স্থাপন হোৱা ক্ৰিকেট একাডেমীটোৰ জৰিয়তে নামনি অসমৰ পুৰুষ-মহিলা উভয় শাখাৰ খেলুৱৈসকলে ক্ৰিকেট খেলৰ উচ্চ প্ৰশিক্ষণ গ্ৰহণৰ সুযোগ লাভ কৰিব। ইপিনে খেলুৱৈ নিৱাস গৃহটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে একেলগে প্ৰায় ১০০ গৰাকী খেলুৱৈ থাকিব পৰাৰ ব্যৱস্থা সাজু হৈ উঠিব। এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব দেৱজিৎ লন শইকীয়াই উদ্বোধনী ভাষণত বৰপেটাত স্থাপন হোৱা এচিএ ক্ৰিকেট একাডেমীটো অসমৰ প্ৰথমটো ছেটেলাইট ক্ৰিকেট একাডেমী বুলি জানিবলৈ দিয়ে। ইয়াৰ পাছত পৰ্যায়ক্ৰমে মঙলদৈ বিশ্বনাথ, উমৰাংচু আদিত ছেটেলাইট ক্ৰিকেট একাডেমী স্থাপনৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। আনহাতে ৭.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত বৰপেটা ক্ৰিকেট ষ্টেডিয়াম, পেভেলিয়ন, প্ৰেকটিচ গ্ৰাউণ্ড আদিৰ সমুদায় খৰচ পৰৱৰ্তী পৰ্যায়ত বিচিচি আইৰ তৰফৰ পৰা বহন কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। অৰূপ দাস, কৃষ্ণ দাস, ডেনিছ দাসৰ দৰে ক্ৰিকেটাৰৰ জন্ম হোৱা বৰপেটাত অসমৰ প্ৰথমটো ছেটেলাইট ক্ৰিকেট একাডেমী স্থাপন কৰিবলৈ পাই অত্যন্ত সুখী বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে দেৱজিৎ শইকীয়াই। পৰৱৰ্তী সময়ত ক্ৰিকেট খেলুৱৈসকলৰ বিনোদনৰ বাবে বৰপেটা ক্ৰিকেট ষ্টেডিয়ামত ইনড'ৰ গেমছ ষ্টেডিয়াম নিৰ্মাণৰ লগতে ফ্লাড লাইট আদিৰো ব্যৱস্থা কৰা হ'ব বুলি দেৱজিৎ শইকীয়াই প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে কেৱল বৰপেটাতেই নহয়, সমগ্ৰ অসমত ক্ৰিকেটৰ এক বাতাবৰণ সৃষ্টিৰ বাবে অসম ক্ৰিকেট সন্থাই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব বুলি সম্পাদক সনাতন দাসে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। আজিৰ ক্ৰিকেট একাডেমী উদ্বোধন আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদকদ্বয় ক্ৰমে বিকাশ বৰুৱা, ত্ৰিদীপ কোৱৰ, অসম ক্ৰিকেট সন্থাৰ এপেক্স কাউঞ্চিলৰ উপ-সভাপতি ৰমেন দত্ত, যুটীয়া সম্পাদক ৰাজিন্দিৰ সিং, সদস্য মুকুটানন্দ ভট্টাচাৰ্য, কোষাধক্ষ্য অনুপম ডেকা, বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সভাপতি গুণীন্দ্ৰ নাথ দাসকে ধৰি জ্যেষ্ঠ-কনিষ্ঠ কেবাগৰাকীও ক্ৰীড়া সংগঠক উপস্থিত থাকে।

# গোৰ্খা জনগোষ্ঠীক অপমান; নাহৰকটীয়াত কংগ্ৰেছ নেতাৰ পুত্তলিকা দাহ

**অসম বাৰ্তা, নাহৰকটীয়া, ৯ ফেব্ৰুৱাৰী ঃ** শেহতীয়াকৈ এক সংবাদমাধ্যমৰ আলোচনা অনুষ্ঠানত কংগ্ৰেছ দলৰ মুখপাত্ৰ চাইজুদ্দীন আহমেদে গোৰ্খা সমাজৰ প্ৰতি কৰা এক মন্তব্যত গৰজী উঠিছে গোৰ্খা সমাজ। নাহৰকটীয়াবাসী গোৰ্খা সমাজে উক্ত কংগ্ৰেছ নেতা গৰাকীৰ মন্তব্যৰ তীব্ৰ নিন্দা কৰি তেওঁক তৎক্ষণাৎ ৰাজহুৱা ভাৱে গোৰ্খা সমাজৰ আগত ক্ষমা খুজিবলৈ দাবী জনাই ৭ ফেব্ৰুৱাৰীত নাহৰকটীয়াত তেওঁৰ পুতলিকা দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। গোৰ্খা সমাজে প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰিছে যে, কংগ্ৰেছ নেতা গৰাকীৰ অপমানজনক, অসংযত আৰু দায়িত্বহীন মন্তব্য প্ৰদান কৰা বিষয়টোৱে সমগ্ৰ নেপালীভাষী গোৰ্খা সমাজক গভীৰভাৱে আঘাত কৰিছে। এজন ৰাজনৈতিক নেতাই নিজৰ বক্তব্যত সংযম, শালীনতা আৰু দায়িত্ববোধ দেখুৱাব লাগিছিল। কিন্তু উক্ত নেতাৰ মন্তব্যই কেৱল এজন ব্যক্তিক লক্ষ্য কৰি নহয়, বৰঞ্চ অসম তথা সমগ্ৰ দেশত বসবাস কৰা শান্তিপ্ৰিয় তথা যুগ যুগ ধৰি অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় জীৱনত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই অহা গোৰ্খালী সমাজক হেয় প্ৰতিপন্ন কৰাৰ লগতে তুচ্ছ তাচ্ছিল্য কৰিছে। উল্লেখযোগ্য যে, অপমানজনক মন্তব্য এজন বিজেপি নেতাক লক্ষ্য কৰি কোৱা হৈছিল যদিও, কোনো ৰাজনৈতিক মতবিৰোধৰ নামত সম্পূৰ্ণ এটা সম্প্ৰদায়ক জড়িত কৰি অপমান কৰা কোনোপধ্যে গ্ৰহণযোগ্য নহয়। কোনো নেতাৰেই সমগ্ৰ গোৰ্খালী সমাজক লৈ এনে ভাষা ব্যৱহাৰ কৰাৰ অধিকাৰ নাই বুলি বিবৃতিটোত উল্লেখ কৰিছে।

# ডিব্ৰুগড়ৰ কলৌলোৱা আদৰ্শ দেউৰী গাঁৱত ৰেডিঅ' জ্ঞানমালিনীৰ অষ্টম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ সেৱা "ৰেডিঅ' জ্ঞানমালিনী"য়ে ডিব্ৰুগড় জিলাৰ খোৱাঙৰ কলৌলোৱা আদৰ্শ দেউৰী গাঁৱত ৭ ফেব্ৰুৱাৰীত উদ্‌যাপন কৰে অষ্টম সংখ্যক প্ৰতিষ্ঠা দিৱস। ২০১৯ চনৰ ৭ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা ৰেডিঅ' জ্ঞানমালিনীয়ে প্ৰতিষ্ঠা কালৰে পৰা কালৰে পৰা ডিব্ৰুগড়ৰ বিভিন্ন জাতি জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক, শৈক্ষিক আদি বিভিন্ন দিশত উল্লেখযোগ্য সেৱা আগবঢ়াই আহিছে। বিগত প্ৰতিটো বছৰে প্ৰত্যেকটো প্ৰতিষ্ঠা দিৱসতে ৰেডিঅ' জ্ঞানমালিনীয়ে ডিব্ৰুগড়ৰ জিলাৰ অন্তৰ্গত বিভিন্ন ভিতৰুৱা অঞ্চলত প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰি আহিছে আৰু পূৰ্বৰ ধাৰা অক্ষুণ্ণ ৰাখি অষ্টম প্ৰতিষ্ঠা দিৱসটি উক্ত দিনা খোৱাঙৰ কলৌলোৱা আদৰ্শ দেউৰী গাঁৱত অনুষ্ঠিত কৰা হয়। ৰেডিঅ' জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী স্বপ্নালী ভূঞাই আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ ড° জিতেন হাজৰিকাই গাঁওখনৰ বিভিন্ন সাংস্কৃতিক তথা সামাজিক পৰিক্ৰমা সামগ্ৰিকভাৱে পৰ্যালোচনা কৰি বৃহত্তৰ অসমীয়া জাতিৰ বিভিন্ন ক্ষেত্ৰসমূহত জনগোষ্ঠীয় কৃষ্টিৰ প্ৰভাৱ সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। উপাচাৰ্য গৰাকীয়ে ডিব্ৰুগড়ৰ সামাজিক, সাংস্কৃতিক আৰু চহকী ঐতিহ্য ৰক্ষণাবেক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ৰেডিঅ' জ্ঞানমালিনীৰ ভূমিকা সম্পৰ্কে এক তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলা ন্যায়িক প্ৰাধিকৰণৰ সচিব অভিজিত শইকীয়া, ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰৰ সঞ্চালক ড° দেৱজিৎ বৰঠাকুৰ, ৰেডিঅ' জ্ঞান মালিনীৰ পৰিচালনা সমিতি তথা অনুষ্ঠান পৰিচালনা সমিতিৰ সদস্য ক্ৰমে ড° গোপাল চন্দ্ৰ হাজৰিকা, ড° পৱিত্ৰ কুমাৰ পেগু, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকা, প্ৰাৰ্থনা তাঁতী সৎনামি, নকুল খাউণ্ড, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° প্ৰাঞ্জল প্ৰতিম বুঢ়াগোহাঁই, বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপপঞ্জীয়ক ৰোহিনী কুমাৰ বুঢ়াগোহাঁই, অনুষ্ঠানটিৰ অভ্যৰ্থনা সমিতিৰ সভাপতি দেৱানন্দ দেউৰী, বিচিপিএলৰ জ্যেষ্ঠ পৰিচালক জয়িতা দাস, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ভূপেন গগৈ, সমাজকৰ্মী ৰাজু ভৰালী, ডিব্ৰুগড়ৰ মিলন জ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকাকে প্ৰমুখ্যে কৰি গাঁওখনৰ প্ৰায় শতাধিক ৰাইজ উপস্থিত থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সংগীতেৰে আৰম্ভ কৰা অনুষ্ঠানটিত সন্মানীয় উপাচাৰ্য আৰু বিশিষ্ট অতিথি সকলে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। অনুষ্ঠানটিত ৰেডিঅ' জ্ঞানমালিনীৰ সঞ্চালক ড° জিতুৰঞ্জন চেতিয়াৰ আদৰণি ভাষণ ৰেকৰ্ডযোগে শুনোৱা হয়। ইয়াৰ পাছতে চিত্ৰা দেউৰী আৰু সংগীসকলে দেউৰী ভাষাৰ কোৰাচ পৰিৱেশনেৰে কলৌলোৱা গাঁৱৰ দেউৰী ভাষা-সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। গাঁওখনৰ কৃষ্টি আৰু সংস্কৃতিৰ লগত জড়িত কেইবাজনো লোকক ৰেডিঅ' জ্ঞানমালিনীৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতেই ৰেডিঅ' জ্ঞানমালিনীৰ পৰিয়ালৰ সদস্যসকলে এটি কোৰাচ পৰিৱেশন কৰে। গাঁওখনৰ গাভৰু সকলে দেউৰী চেমনীয়া বিহু প্ৰদৰ্শন কৰে। গাঁওখনৰ বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰত এক অনবদ্য অৱদান আগবঢ়োৱা ভুৱন দেউৰীয়ে দেউৰী গীত আৰু আইসকলে দেউৰী বিয়া নাম পৰিৱেশন কৰে। অনুষ্ঠানটিত গাঁওবাসীৰ সহায় হোৱাকৈ চাউণ্ড বক্স এটি ৰেডিঅ' জ্ঞানমালিনীয়ে উপহাৰ হিচাপে প্ৰদান কৰে। এই ক্ষেত্ৰত বিশেষভাৱে সহযোগ কৰিছে ডিব্ৰুগড় জিলা ন্যায়িক প্ৰাধিকৰণে। গাঁওবাসী কৃষি আৰু অন্যান্য দিশৰ বিভিন্ন ক্ষেত্ৰত উপকৃত হ'ব পৰাকৈ ডিব্ৰুগড়ৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সঞ্চালক ড° দেৱজিৎ বৰঠাকুৰেও এক বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানটিতে ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰই ৰেডিঅ' জ্ঞানমালিনীক দুটাকৈ ৰেডিঅ' প্ৰদান কৰে। ৰেডিঅ' দুটি গ্ৰহণ কৰি ৰেডিঅ' জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী স্বপ্নালী ভূঞাই পৰৱৰ্তী সময়ত দুয়োটা ৰেডিঅ' কৃষক ৰাইজৰ সহায় হোৱাকৈ বিতৰণ কৰাৰ কথা ঘোষণা কৰে। অনুষ্ঠানটিত ৰেডিঅ' জ্ঞানমালিনীৰ বিভিন্ন অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকা উপাচাৰ্য মহোদয়ৰ পত্নী জিণ্টি শইকীয়া হাজৰিকাই তোষপ্ৰভা কলিতাৰ 'দ্ৰৌপদী' শীৰ্ষক কবিতাটি আবৃত্তি কৰে। উক্ত অনুষ্ঠানতে কলৌলোৱা আদৰ্শ দেউৰী গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী সকলে ঝুমুই নৃত্য প্ৰদৰ্শন কৰাৰ লগতে অনুষ্ঠানৰ মাজভাগতে গাঁওখনৰ মহিলা সকলৰ সহযোগত এটি অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়।

# ৰাষ্ট্ৰীয় শিক্ষক-অধ্যাপকৰ দক্ষতা বিকাশ কাৰ্যসূচীত কল্যাণী বাল্য ভৱনৰ অংশগ্ৰহণ

**অসম বাৰ্তা, যোৰহাট, ৯ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ত কালিৰে পৰা আৰম্ভ হোৱা পাঁচ দিনীয়া ৰাষ্ট্ৰীয় শিক্ষক-অধ্যাপকৰ দক্ষতা বিকাশ কাৰ্যসূচীত কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পাঁচ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ এটি দলে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি - ২০২০ বিষয়ত এআইই - উপাদান, উচ্চ শিক্ষাত উন্নত প্ৰযুক্তি আদি বিষয়ত হোৱা প্ৰশিক্ষণৰ পৃষ্ঠপোষক হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্ত, এন আই ই পি এ (NIEPA), নিউ দিল্লীৰ উপাচাৰ্য প্ৰফেছৰ শশীকলা ৱাঞ্জাৰি, সমল ব্যক্তিৰূপে কাৰ্যসূচী সঞ্চালক আইচিটিৰ প্ৰফেছৰ কে. শ্ৰীনিবাস আৰু নডেল সমন্বয়ক ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতাই পৰিচালনা কৰিছে। উল্লেখ্য, এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰা কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল হ'ল অসমৰ একমাত্ৰ বিদ্যালয়।

# বকোৰ ২ নং ছাটাবাৰীত বিলাসী বাবনসহ গৰুচোৰ আটক

**অসম বাৰ্তা, বকো, ৯ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ২নং ছাটাবাৰীত বিলাসী বাবনসহ গৰুচোৰ আটক। নিশা জামবাৰী পহৰা আৰক্ষীৰ চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেইজি নাথৰ নেতৃত্বত গোপন সূত্ৰে বকোৰ কৰকা পাৰাৰ পৰা খেদি খেদি ২ নং ছাটাবাৰীত আটক কৰে মাৰুতি বেলেনো গাড়ীসহ এজন গৰু চোৰ। আটক হোৱা চোৰজন বৰপেটা জিলাৰ ছোনোৱাটিৰ আমিৰ হামজা আলী বুলি দানিব পৰা গৈছে। আৰক্ষীক ঢুলি দি দুজন পলাই সাৰিবলৈ সক্ষম হয়। গাড়ীখনৰ নম্বৰ হল AS 15 L 2078। জব্দ কৰা গাড়ী খনৰ পৰা দা এখন, ৰচি, স্কুড্ৰাইভাৰ, ৰ'দ, ৰেঞ্চ, তিৰপাল, প্লাচৰ লগতে বহু সামগ্ৰী উদ্ধাৰ কৰে আৰক্ষীয়ে। পলাই যোৱা দুজন ক্ৰমে গৰৈমাৰীৰ জোৰশিমলু চেকেন্দাৰ আৰু ছয়গাওৰ ৰাজকুমাৰ বুলি স্বীকাৰ কৰে আটক হোৱা চোৰটোৱে।

## সম্পাদকীয়

# জুবিন ক্ষেত্ৰ ঃ শ্ৰদ্ধা, দায়িত্ব আৰু ভৱিষ্যৎ

অসমৰ সাংস্কৃতিক জগতত অসামান্য অৱদান থকা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শাৰীৰিক অনুপস্থিতিৰ পিছতো তেওঁৰ সৃষ্টি আৰু স্মৃতি আমাৰ মাজত জীৱন্ত। কিন্তু যিখন ঠাইত তেওঁৰ শেষ জিৰণি, সেই 'জুবিন ক্ষেত্ৰ'ই বৰ্তমান যি অবিবেচনাপূৰ্ণ অৱহেলা আৰু বিশৃংখলতাৰ সন্মুখীন হৈছে, সেয়া গোটেই ৰাজ্যবাসীৰ বাবে এক লজ্জা আৰু চিন্তাৰ বিষয় হৈ পৰিছে। সাম্প্ৰতিক সময়ত শিল্পীৰ পৰিয়ালৰ সদস্যসকলে কৰা আৱেগিক আবেদনে এই বিষয়টো ৰাজহুৱা বিতৰ্কৰ কেন্দ্ৰবিন্দুলৈ আনিছে।

পৰিয়ালৰ ফালৰ পৰা উঠা অভিযোগসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ। ড° পামী বৰঠাকুৰ আৰু গৰিমা শইকীয়া গাৰ্গে কৰ্মজীৱনত শিল্পীজনে দেখুওৱা সূক্ষ্ম সংবেদনশীলতাৰে ইয়াক উত্থাপন কৰিছে। নিৰ্মাণ কাম বন্ধ হৈ থকা, ঠাইখিনিৰ অৱস্থা এলাগী হৈ পৰা আৰু একো সুস্থিৰ ব্যৱস্থাপনা নথকা কথাবোৰে সাধাৰণ জনতাৰ মনতো বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। চৰকাৰী মৰ্যাদাৰে স্থাপন কৰা এই ক্ষেত্ৰখনৰ ব্যৱস্থাপনাৰ দায়িত্ব কাৰ ওপৰত? নিৰ্মাণ কাম আৰম্ভ কৰাৰ পৰিকল্পনায়ে একমাত্ৰ দায়িত্ব নেকি?

এই প্ৰসংগত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপেৰে আৰম্ভ হোৱা তাৎক্ষণিক পৰিষ্কাৰ অভিযানক স্বাগতম। বিশৃংখলভাৱে গজি উঠা দোকান-পোহাৰ আঁতৰোৱাটো আৱশ্যকীয় আছিল। কিন্তু এই অভিযানটোৱে সমস্যাৰ স্থায়ী সমাধান নহয়। ইয়াক কেৱল প্ৰতিকাৰমূলক কাৰ্য্য বুলিহে গণ্য কৰিব লাগিব। মূল প্ৰশ্ন হ'ল— ক্ষেত্ৰখনৰ দীৰ্ঘম্যাদী বিকাশৰ বাবে সুনিৰ্দিষ্ট আৰু স্বচ্ছ পৰিকল্পনা কিমান দূৰ আগবঢ়িছে? ইয়াক 'বিশ্বমানদণ্ডৰ পৰ্যটন ক্ষেত্ৰ'লৈ ৰূপান্তৰ কৰাৰ নামত নিৰ্মাণ কাম বন্ধ ৰখাটো যুক্তিসংগত নহয়। আনহাতে, ক্ষেত্ৰখনৰ প্ৰকৃত ৰূপ কি হ'ব লাগে- এটা নিৰ্জন শান্তিৰ স্মৃতিক্ষেত্ৰ নে এক সক্ৰিয় সাংস্কৃতিক কেন্দ্ৰ- সেই স্পষ্টতা ৰাইজক দিয়া হৈছে নে?

জুবিন গাৰ্গৰ দৰে শিল্পীসকল আমাৰ সমাজৰ অমূল্য সম্পদ। তেওঁলোকৰ স্মৃতি ৰক্ষাৰ দায়িত্ব চৰকাৰ, পৰিচালনা সমিতি আৰু সাধাৰণ ৰাইজ- সকলোৰে। বৰ্তমানৰ পৰিস্থিতিয়ে এই দায়িত্বৰ ক্ষেত্ৰত অৱহেলা দেখা গৈছে। নিৰ্মাণ কামৰ অচলাবস্থাৰ কাৰণ অনুসন্ধান কৰি দ্ৰুত তাৰ সমাধান কৰিব লাগিব। ক্ষেত্ৰখনৰ ভৱিষ্যতৰ বাবে এখন সময়সীমা থকা কাৰ্য্যনীতি ৰাইজৰ আগত উন্মোচন কৰিব লাগিব। কেৱল পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানেই যথেষ্ট নহয়; প্ৰয়োজন স্থায়ী, দায়বদ্ধ ব্যৱস্থাপনা আৰু সাংগঠনিক চিন্তাৰ।

শিল্পীজনে অসমক বিশ্বৰ দাপোণত যিদৰে উজ্জ্বল কৰি গ'ল, আমাৰ দায়িত্ব তেওঁৰ শেষ আশ্ৰয়স্থলীখনো সন্মানৰ সৈতে ৰক্ষা কৰা। জুবিন ক্ষেত্ৰৰ বাবে এতিয়া কেৱল আৱেগিক আবেদন নালাগে, লাগিব দৃঢ় প্ৰতিশ্ৰুতি আৰু পাৰদৰ্শী কাৰ্য্য। আশাকৰো, শাসক আৰু প্ৰশাসনই এই বিষয়টোত জৰুৰী গুৰুত্ব আৰু সূক্ষ্ম সংবেদনশীলতাৰে আগবাঢ়িব, যাতে শিল্পীৰ আত্মাই সঁচাকৈয়ে শান্তি পায় আৰু আমাৰ সমাজেই নিজৰ সাংস্কৃতিক মূল্যবোধসমূহক সন্মান প্ৰদৰ্শন কৰিব পাৰে।

## সামাজিক মাধ্যমৰ অপব্যৱহাৰ

বৰ্তমান সময়ত সামাজিক মাধ্যম সমূহ বহুগুণে আগবাঢ়ি গৈছে। ই মানুহক যিমান গুণে সহায় কৰিব লৈছে কিন্তু কিছুসংখ্যকৰ বহুগুণে হানি কৰিছে। আমি যেতিয়া আজৰি সময়ত ইন্ষ্টাগ্ৰাম বা ফেচবুকটো খোলো তেতিয়াই দেখিবলৈ পাও যে কিছুসংখ্যক অৰ্ধ নগ্ন নাৰী। বৰ্তমান একাংশ মহিলাই ভাইৰেল হোৱাৰ কাৰণে বহুগুণে তললৈ নামি গৈছে কিন্তু এইবোৰ কৰিলে তেওঁলোকৰ লাভ হ'ব কি? তেওঁলোকৰ কোনো লাজ চৰম নাই নেকি?

বৰ্তমান এনেকুৱা এটা যুগ পৰিল যে এই ৰিলছসমূহৰ নামটো মহিলাসকলৰ জেদ ভাবি আহিবলৈ লৈছে। এটা লাইক, কমেণ্ট পোৱাৰ আশাত তেওঁলোকে কিমান তললৈ গৈছে তেওঁলোকে নিজেই হয়তো ভাবিব পৰা নাই কতই যদি দেহৰ আধা অংশ দেখুৱাইছে, ক'তই আকৌ আঁঠুৰ মূৰলৈ কাপোৰ পিন্ধিছে। মাত্ৰ সকলোতে প্ৰতিযোগিতা আহি পৰিছে। তেওঁলোকে অকণো ভাবিব পৰা নাই যে ইয়াৰ পৰা সমাজৰো ক্ষতি হ'ব পাৰে। যিসকলে অৰ্ধ নগ্ন হৈ ৰিলছ বনাই তেওঁলোকে হয়তো নিজৰ ল'ৰা-ছোৱালীক মোবাইলত ব্যস্ত কৰি তেওৰ কাম সমূহ কৰে। তাৰ পৰা যে ল'ৰা-ছোৱালীয়ে ভালটো শিকাৰ লগতে বেয়া দিশটো চাব পাৰে, তেওৰ সেই ভাবিব পৰা ক্ষমতাকণ নাই। বৰ্তমানৰ যুগতো ভাবিব নোৱৰা হৈছে। আজৰি সময়ত মোবাইলটো কোনো বয়োজ্যেষ্ঠ বা ঘৰৰ দেউতাহতৰ লগত চাব নোৱৰা পৰ্যায় পাইছে। বাতৰিৰ শিৰোনামত উল্লেখ থকা ধৰ্ষণ, হত্যাৰ কাৰণ হৈছে সেই অৰ্ধ নগ্ন মহিলাৰ কাৰু-কাৰ্যবিলাক। সেইসকল নাৰীৰ বাবেই দুষ্টচক্ৰই সুবিধা পাইছে।

ৰিলছ বনাব লাগে কিন্তু অৰ্ধ নগ্ন হৈ নহয়, ধুনীয়া গীতত, মাৰ্জিত সাজ-পোছাকত প্ৰাকৃতিক সৌন্দৰ্য দেখুৱাই কিন্তু আমাৰ সমাজৰ একাংশ মহিলাই তাকে নকৰি দেহৰ মাজেৰে চাদৰ লৈ চুটি কাপোৰ পিন্ধি গছৰ পাত পিন্ধি ৰাইজক দেখুৱাই ভাল পায়।

এইয়া নকৰি সকলোৱে সমাজৰ হকে সৎ চিন্তা কৰিব লাগে যাতে সমাজত হত্যা, ধৰ্ষণ আদিয়ে দেখা নিদিয়ে। সকলোৱে সামাজিক মাধ্যমৰ ভালটো ব্যৱহাৰ কৰিব লাগে যাতে সেইটোৰ পৰা অপকাৰ নহৈ নিজে কিবা আয়ত্ত কৰিব পাৰি।

*ভাস্বতী কলিতা*

অসমৰ অতি সাম্প্ৰতিক প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে যুগ পুৰুষৰ প্ৰয়োজনীয়তা আহি পৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই বান্ধি থৈ যোৱা বৰ অসমৰ ভেঁটি উছন্ন কৰিবলৈ বহু সময়ত বৃহত্তৰ অসমীয়া জাতি বিৰোধী চক্ৰই কুট-কৌশল ৰচনা কৰা দেখা যায়। এই অপশক্তিৰ বিৰুদ্ধে আমি সকলোৱে মাৰ বান্ধি থিয় দিব পাৰিব লাগিব। মানবীয় প্ৰমূল্যবোধ আৰু আত্ম মৰ্যাদাৰে আমি জীয়াই থাকিবলৈ শিকিব লাগিব। ৰাজহাড় পোনাই থিয় হ'ব নজনা জাতি এটাক কেৱল চৰকাৰী নীতি আৰু আঁচনিয়ে জীয়াই ৰাখিব নোৱাৰে। সংকীৰ্ণতা আৰু অতি জাতিয়তাবাদী চিন্তাধাৰা জাতি গঠন প্ৰক্ৰিয়াৰ হেঙাৰ স্বৰূপ। আধ্যাত্মিক চিন্তা-চেতনাৰে উদ্বুদ্ধ জাতি সদায় সচেতন হৈ থাকে। আহক আমি সকলোৱে মিলি গুৰুজনাই দেখুৱাই যোৱা বৃহত্তৰ আৰু একতাৰ অসম নিৰ্মাণত নিজৰ সামৰ্থ্যৰে হাত উজান দিওঁহক।

# গুৰুজনাৰ সৃষ্টিৰাজিক বিশ্বমুখী কৰাত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ভূমিকা

মধ্য যুগত ভাৰত বৰ্ষত বৰ্ণবাদ, ব্ৰাহ্মণ্যবাদৰ দৌৰাত্ম্য, জাত্যাভিমান, কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ কৰাল হাতোৰাত বন্দী হৈ মানৱতাবাদ ভুলুণ্ঠিত হৈছিল। ধৰ্মান্ধতাই মানুহক বহুধা বিভক্ত কৰিছিল। এনে এক জটিল সন্ধিক্ষণত দক্ষিণ ভাৰতত সঞ্চাৰিত হৈছিল ভক্তিবাদী আন্দোলন। এই ভক্তিবাদী আন্দোলন তথা নব্য চেতনাই তথাকথিত ধৰ্মীয় ৰীতি-নীতি, গোড়ামী, কু-সংস্কাৰৰ ঠেক গণ্ডিৰ পৰা আতৰি ধৰ্মৰ তাত্ত্বিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে হাত উজান দিছিল। ভক্তিবাদী চিন্তা-চেতনাৰ খ্ৰীষ্টিয় ৭ ম ১০ ম শতিকাত দক্ষিণ ভাৰতত অভ্যুদয় হৈছিল আৰু খ্ৰীষ্টিয় ১৫-১৭ শতিকাত এই নব্য চেতনাই সৰ্বভাৰতীয় পৰ্যায়ত ব্যাপ্তি লাভ কৰিছিল। এই আন্দোলনক ত্বৰান্বিত কৰা যুগ দ্ৰষ্টাসকল হ'ল- আলভাৰ, নায়নাৰ, নাথমুণি, যমুনাচাৰ্য, শংকৰাচাৰ্য, ৰামানুজাচাৰ্য, ৰামানন্দ, সুৰদাস, তুলসীদাস, বল্লভাচাৰ্য, কবীৰ, মীৰাবাঈ, গুৰু নানক, চৈতন্য দেৱ, শ্ৰীমন্ত শংকৰদেৱ আদি। এই ভক্তিবাদী আন্দোলনৰ মূল উদ্দেশ্য আছিল হিন্দু ধৰ্ম আৰু সমাজ সংস্কাৰ কৰা। একেশ্বৰবাদ এই আন্দোলনৰ মূল লক্ষ্য আছিল।

এই ভক্তিবাদী চিন্তা-চৈতন্যই জন্ম দিলে অঞ্চল বিশেষত একো একোজন যুগদ্ৰষ্টা, যুগ পুৰুষক, যুগ নায়কক। এই যুগ পুৰুষসকলে নিজ নিজ অঞ্চল বিশেষত পূৰ্বাপৰে বৰ্তী থকা কু-সংস্কাৰ, কু-ৰীতি, অন্যায়, অনীতি, অন্ধবিশ্বাসৰ বিৰুদ্ধে গণ-সচেতনতা আনি সৰ্বসাধাৰণক বিষয় বস্তু ন-কৈ চাবলৈ, নতুনকৈ চিন্তা কৰিবলৈ এটি পৰিৱেশ ৰচনা কৰিছিল। মানুহৰ জ্ঞান মন্দিৰৰ দুৱাৰ মুকলি কৰিবলৈ অৱকাশ প্ৰদান কৰিছিল। এনে এগৰাকী যুগ পুৰুষ আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। ১৫-১৬ শতিকাত বহুধা বিভক্ত অসমীয়া জাতিক ঐক্য সূত্ৰত বান্ধি সংস্কাৰিত কৰিবলৈ মহাপুৰুষজনাই বৰ অসমত 'নৱ বৈষ্ণৱ ধৰ্ম' বা ভক্তি আন্দোলনৰ সূচনা কৰিছিল। এই ভক্তিবাদৰ মূল উদ্দেশ্য আছিল- জাতিভেদ প্ৰথা নিৰ্মূল কৰি ধৰ্মীয় কু-সংস্কাৰৰ বিৰোধিতা কৰা আৰু ঈশ্বৰৰ প্ৰতি নিঃস্বাৰ্থ প্ৰেম, গভীৰ শ্ৰদ্ধা আৰু পূৰ্ণ আত্মসমৰ্পণ কৰা।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱন কালত বিভিন্ন তীৰ্থস্থল দৰ্শন, ভ্ৰমণ আৰু শাস্ত্ৰাধ্যয়ন কৰি অসমীয়া জাতিসত্ত্বাক একতাৰ ডোলেৰে বান্ধিবলৈ একেশ্বৰবাদবাদী ধৰ্ম অৰ্থাৎ একশৰণ ধৰ্ম (একশৰণ মহাপুৰুষীয়া ধৰ্ম) প্ৰৱৰ্তন কৰিলে। সকলো জাতি-জনগোষ্ঠী, সম্প্ৰদায়ক 'শৰণ' ব্যৱস্থাৰ জৰিয়তে সংস্কাৰিত কৰি একত্ৰিত কৰিছিল। এই কাৰ্যত নামঘৰ, সত্ৰ আদিৰ ভূমিকা উল্লেখনীয় আছিল। মহাপুৰুষজনাই সাধাৰণ মানুহৰ মনত জ্ঞানৰ সঞ্চাৰ কৰিবলৈ সাহিত্য, সংস্কৃতি, নাট-ভাওনাৰ আশ্ৰয় লৈছিল যাৰ বাবে তেখেতে ৰচনা কৰিছিল গীত-মাত, নাট-ভাওনা আদিৰ। দৃশ্য-শ্ৰব্য কৃষ্টিৰ জৰিয়তে মানুহৰ মাজত জ্ঞানৰ দ্যুতি বিলাইছিল। তেওঁ "বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতকো নাহি ভেদ" বুলি সকলো মানুহকে ভগৱান বিষ্ণুৰ অৱতাৰ স্বৰূপ বুলি জ্ঞান কৰাইছিল। সেয়েহে উদাৰচিতীয়াভাৱে সকলোকে আদৰি লৈছিল-

> "নাহি ভকতিত জাতি অজাতি বিচাৰ।
> কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।।"

গুৰুজনাই কীৰ্ত্তন ঘোষাৰ বৈকুণ্ঠপ্ৰয়ান খণ্ডত এনেদৰে কৈছে-

> "ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
> দাতাত চোৰত দৃষ্টি এক তুল।।
> নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
> তাহাকেসে পণ্ডিত বুলিয়া সৱে জান।।"

যুগনায়কগৰাকীয়ে বৃহত্তৰ অসমীয়া জাতি গঠনৰ ক্ৰমত বৰ অসমৰ প্ৰায় সকলো জাতি-জনগোষ্ঠী, সম্প্ৰদায়ক এই শৰণ ব্যৱস্থাত আদৰেৰে গ্ৰহণ কৰিছিল। সমন্বয়ৰ অসম, সম্প্ৰীতিৰ অসম গঢ়াৰ বাবে সেয়েহে তেখেতে কৈছে-

> "কিৰাত-কছাৰী খাছী গাৰো মিৰি
> যৱন কঙ্ক গোৱাল।
> অসম মুলুক ধোবা যে তুৰুক
> কুৱাছ ম্লেছ চণ্ডাল।।" ৫৩-৫৪ ।।
> (দ্বিতীয় স্কন্ধ, ভাগৱত)

সেই বাবেই নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ গিৰি, ভোটৰ দামোদৰ, কছাৰীৰ ৰমা আৰু মুছলমানৰ চান্দসাইক তেখেতৰ ভক্তি ধৰ্মত শিষ্যত্ব প্ৰদান কৰি অসমীয়া সমাজৰ ঐক্য-সংহতি আৰু সমন্বয়ৰ বান্ধোন নিকপকপীয়া কৰিছিল।

গুৰুজনাই এই "এক শৰণ হৰিনাম ধৰ্ম"ক জনতাৰ মাজলৈ লৈ যোৱাৰ ক্ৰমত ঠায়ে ঠায়ে নিযুক্তি দিছিল আজ্ঞাপ্ৰাপ্তি ধৰ্মাচাৰ্য, শৰণাচাৰ্যৰ দৰে একনিষ্ঠ সেৱকসকলক। সমগ্ৰ ৰাজ্য ভ্ৰমণ কৰি তেখেতে ধৰ্ম প্ৰচাৰ কৰিছিল আৰু মানুহক সংস্কাৰমুখী কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। মহাপুৰুষজনাই অসম ভ্ৰমণৰ ক্ৰমত যিসমূহ ঠাইত থিতাপি লৈছিল তাত সত্ৰ-নামঘৰ আদি স্থাপন কৰিছিল। য'ত ধৰ্ম, সংস্কাৰ, গীত-মাত, নাট-ভাওনা, নৃত্য-গীত আদিৰ ৰচনা কৰিছিল আৰু সিবোৰৰ প্ৰচাৰ-প্ৰসাৰ কৰিছিল। আজিও অসমৰ বিভিন্ন ঠাইৰ লগতে চুবুৰীয়া কেইবাখনো ৰাজ্যত মহাপুৰুষজনাৰ স্মৃতি বিজড়িত সত্ৰ-নামঘৰসমূহ আছে। গুৰুজনাৰ তিৰোভাৱৰ পিছত তেখেতৰ প্ৰধান শিষ্য মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱে গুৰুজনাৰ পদাংক অনুকৰণ কৰি এই ক্ৰমক মাত্ৰা প্ৰদান কৰিছিল। পাছলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱৰ পদাংক অনুকৰণ কৰি তেখেতৰ উত্তৰসুৰী, কেইবাজনো ধৰ্মাচাৰ্য আৰু আজ্ঞাপ্ৰাপ্তি পুৰুষে এই ক্ৰমক ত্বৰান্বিত কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই সৃষ্টি কৰি যোৱা কৃষ্টি-সংস্কৃতি, গীত-মাত, সংস্কাৰ ব্যৱস্থা আদিক ত্বৰান্বিত কৰা আৰু জনমুখী কৰাৰ বাবে ১৯৩০ চনত নগাঁৱৰ পলাশনিত জন্ম হৈছিল শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ। আজিৰ তাৰিখত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ অসমৰ লগতে সমগ্ৰ উত্তৰ পূবৰ এটি সৰ্ববৃহৎ আধ্যাত্মিক আৰু শংকৰী কৃষ্টি-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান ৰূপে উদ্ভাষিত হৈ উঠিছে। গুৰুজনাই সৃষ্টি কৰি থৈ যোৱা যুগজয়ী সৃষ্টিসমূহৰ চৰ্চা, কৰ্ষণ আৰু গৱেষণাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই এই সুদীৰ্ঘ সময়ছোৱাত হাতত লৈছিল অভিনৱ পন্থাসমূহ। প্ৰতিঘৰ গৃহস্থৰ এই অনুষ্ঠানৰ প্ৰতি সংলগ্নতা বৃদ্ধিৰ বাবে উদ্যোগ লৈছে 'মুষ্ঠি দান' (মুঠি দান)ৰ দৰে ব্যৱস্থাৰ। জাতি-ভেদ ব্যৱস্থা আৰু ধনী-গৰিবৰ প্ৰভেদ ভাঙিবলৈ এই ব্যৱস্থা অনুকৰণীয়। সাংগঠনিক ভেঁটি টনকিয়াল কৰিবলৈ খেলসমূহত 'প্ৰাথমিক'ৰ ব্যৱস্থা আৰু বহুকেইটা প্ৰাথমিক মিলি আঞ্চলিক, জিলা আৰু মূলৰ (প্ৰাদেশিক) ব্যৱস্থা কৰিছে। অৰ্থাৎ তিনি তৰপীয়া ব্যৱস্থাৰে গঠিত এই নিপোটল সাংগঠনিক ব্যৱস্থাই আকৌ সামৰি লৈছে শিশু, যুৱ আৰু আই-মাতৃসকলক। সকলোৱে পৃথকে পৃথকে সাহিত্য আৰু কৃষ্টিৰ পথাৰত নামি পৰিছে। কৰ্ষণ কৰিছে মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই যে বছৰ-দুবছৰত মহা আড়ম্বৰেৰে অধিৱেশন আয়োজন কৰিয়েই নিজৰ দায়িত্ব সামৰিছে তেনে নহয়। এই সঙ্ঘৰ সেৱকসকল একো একোজন জাগ্ৰত প্ৰহৰীৰ দৰে। প্ৰাথমিকে প্ৰাথমিকে শিশু, যুৱ আৰু আই-মাতৃসকলৰ মাজত সাহিত্য-কৃষ্টিৰ প্ৰতিযোগিতা আদিৰ আয়োজন কৰি উপযুক্ত প্ৰতিভাক বিকাশৰ বাবে মঞ্চ প্ৰদান কৰিছে। যাৰ বাবে সৃষ্টিশীল লোকৰ সমাজত আবিৰ্ভাৱ হৈছে। শিক্ষা ব্যৱস্থাক সু-চিন্তিত গতি প্ৰদান কৰিবলৈ স্থাপন কৰিছে শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠানৰ। আপুনি-মই জানি খুউব সুখী হ'ম যে এই শিক্ষানুষ্ঠানসমূহ প্ৰাথমিক বা আঞ্চলিক সমিতিয়ে পৰিচালনা কৰে সেই মুষ্ঠি দানৰ পৰা। একেদৰে মহাপুৰুষীয়া সংস্কৃতি চৰ্চা, পঠন আৰু গৱেষণাৰ বাবে স্থাপন কৰিছে-মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ। এই বিশ্ববিদ্যালয়ৰ গুৱাহাটী, ধুবুৰী আৰু যোৰহাট চৌহদত অন্যান্য সহঃবিদ্যায়তনিক পাঠ্যক্ৰমৰ লগতে মহাপুৰুষীয়া সংস্কৃতিৰ পাঠদান আৰু গৱেষণা হয়। ইয়াৰোপৰি নগাঁও জিলাৰ কংলপাৰত থকা 'সংস্কৃতি গৱেষণা কেন্দ্ৰ'ই এই কাৰ্যক আৰু অধিক মাত্ৰা প্ৰদান কৰি আহিছে।

বৰ্তমানে সৰ্বমুঠ ৫৫ খন জিলা সমিতিক সমাৰি গঠিত এই বৃহৎ আধ্যাত্মিক অনুষ্ঠানৰ নতুন দিল্লী, উৰিষ্যা, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয় আৰু পশ্চিম বংগত শাখা সমিতি আছে। এই কথায়ে শ্ৰীমন্ত শংকৰদেৱ শঙ্ঘৰ ক্ৰম বৰ্ধমান জনপ্ৰিয়তা আৰু ৰাষ্ট্ৰীয় পাৰ্যায়লৈ ইয়াৰ প্ৰসাৰতাক প্ৰতীয়মান কৰায়। এতিয়া শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘক কেৱল এটি ধৰ্মীয় অনুষ্ঠান বুলি ক'লে নিশ্চয় ভুল কোৱা হ'ব। আজিৰ পৰিপ্ৰেক্ষিতত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই অসমৰ প্ৰায় প্ৰতিটো জাতি-জনগোষ্ঠী আৰু সম্প্ৰদায়ক সাঙুৰি ল'বলৈ সক্ষম হৈছে।

একদৰে যুৱ প্ৰজন্মক এটি সু-চিন্তিত আৰু পৰিমাৰ্জিত পন্থা ল'বলৈ শৰণ ব্যৱস্থাৰ জৰিয়তে সংস্কাৰিত কৰাৰ ব্যৱস্থা প্ৰৱৰ্তনলৈ আনিছে। বাৰ বছৰৰ দেওনা অতিক্ৰম কৰা শিশুসকলক 'শৰণ ব্যৱস্থা'ৰ জৰিয়তে এই মঞ্চলৈ আদৰি অনা হয়। প্ৰতিখন জিলাৰ শৰণাচাৰ্যই এই সংস্কাৰ কাৰ্য সম্পন্ন কৰে। ইয়াৰ পিছতেই 'সেৱা বাহিনী'য়ে এই শিশুসকলক এটি শৃঙ্খলাবদ্ধ জীৱন শৈলী গ্ৰহণ কৰিবলৈ ব্যৱহাৰিক জ্ঞানৰ প্ৰশিক্ষণ প্ৰদান কৰে। শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ যুৱক/যুৱতীসকলৰ এটি উমৈহতীয়া মঞ্চ হ'ল 'সেৱা বাহিনী'। ই হ'ল শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ ভৱিষ্যৎ। এই শক্তিশালী যুৱ অনুষ্ঠানে সঙ্ঘৰ যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠান অতি শৃঙ্খলিত ৰূপত পৰিচালনা কৰে।

যুৱ উচ্ছৃঙ্খলতাই আজিৰ সমাজক কোঙা কৰাৰ সময়তে শংকৰদেৱ সঙ্ঘৰ দৰে আধ্যাত্মিক অনুষ্ঠানে যুৱ প্ৰজন্মক গুৰুজনাৰ অমৰ সৃষ্টিৰাজিৰ সৈতে পৰিচয় কৰোৱাৰ লগতে গুৰুজনাই দেখুৱাই থৈ যোৱা পদাংক অনুকৰণ কৰাবলৈ অভিনৱ পন্থা হাতত লৈছে। সেৱা বাহিনীয়ে যদি যুৱ প্ৰজন্মক শৃঙ্খলাবদ্ধতা আৰু নিয়মানুবৰ্তীতাৰ আদি পাঠ শিকাইছে তেন্তে প্ৰাথমিক, আঞ্চলিক আৰু জিলা সমিতি আদিয়ে বিভিন্ন কৰ্মশালা, প্ৰতিযোগিতা আদিৰ আয়োজন কৰি তেওঁলোকক সৃষ্টিশীল কৰ্মৰ প্ৰতি আগ্ৰহী কৰিছে আৰু পুৰস্কাৰ প্ৰদানেৰে উৎসাহিত কৰি আহিছে। সত্ৰীয়া সংস্কৃতিৰ প্ৰশিক্ষণ, শংকৰী কৃষ্টিৰ আখৰা আদিত এবাৰ অভ্যস্ত হোৱা যুৱক-যুৱতী সহজতে পথভ্ৰষ্ট নহয়। এই বিশ্বাসেৰেই শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ নিজ কৰ্মত যাত্ৰামান। উল্লেখযোগ্য কথাটো হ'ল শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই শিশু, যুৱক আৰু আই-মাতৃক একেলগে নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ সুকীয়া মঞ্চ প্ৰদান কৰি আহিছে।

১৯৩০ চনত প্ৰতিষ্ঠিত এই অনুষ্ঠানে ২০২৯ বৰ্ষত শতায়ু গৰকিব। এতিয়া শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই গুৰুজনাৰ সৃষ্টিৰাজিক আৰু বিশ্বজনীন কৰিবলৈ হাত উজান দিব লাগে। বিদেশৰ বিশ্ববিদ্যালয়সমূহৰ সৈতে যোগাযোগ স্থাপন কৰি মহাপুৰুষজনাৰ বিষয়ে বিদেশী ছাত্ৰ-ছাত্ৰী, গৱেষকসকলে তেওঁলোকৰ নিজ ঠাইতে মহাপুৰুষজনাৰ বিষয়ে অধ্যয়ন কৰিব পৰা পৰিৱেশ নিৰ্মাণ কৰাত গুৰুত্ব দিব লাগে। এই কাম ইতিমধ্যে চেগাচুৰুগাকৈ হৈছে যদিও অসম চৰকাৰ, ভাৰত চৰকাৰৰ সাংস্কৃতিক আৰু শিক্ষা মন্ত্ৰণালয়ৰ প্ৰত্যক্ষ সহায়ত কৰাব পাৰিলে ভাল হয়। এইধৰণৰ কামবোৰ সময়ত কৰিব পাৰিলে ভাল। নহ'লে লাচিত বৰফুকনক ভাৰতীয় প্ৰেক্ষাপটত চিনাকী কৰাবলৈ আমি তেখেতৰ ৪০০ বছৰীয়া জয়ন্তীলৈ প্ৰতীক্ষা কৰাৰ দৰে হ'ব।

অসমৰ অতি সাম্প্ৰতিক প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে যুগ পুৰুষৰ প্ৰয়োজনীয়তা আহি পৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই বান্ধি থৈ যোৱা বৰ অসমৰ ভেঁটি উছন্ন কৰিবলৈ বহু সময়ত বৃহত্তৰ অসমীয়া জাতি বিৰোধী চক্ৰই কুট-কৌশল ৰচনা কৰা দেখা যায়। এই অপশক্তিৰ বিৰুদ্ধে আমি সকলোৱে মাৰ বান্ধি থিয় দিব পাৰিব লাগিব। মানবীয় প্ৰমূল্যবোধ আৰু আত্ম মৰ্যাদাৰে আমি জীয়াই থাকিবলৈ শিকিব লাগিব। ৰাজহাড় পোনাই থিয় হ'ব নজনা জাতি এটাক কেৱল চৰকাৰী নীতি আৰু আঁচনিয়ে জীয়াই ৰাখিব নোৱাৰে। সংকীৰ্ণতা আৰু অতি জাতিয়তাবাদী চিন্তাধাৰা জাতি গঠন প্ৰক্ৰিয়াৰ হেঙাৰ স্বৰূপ। আধ্যাত্মিক চিন্তা-চেতনাৰে উদ্বুদ্ধ জাতি সদায় সচেতন হৈ থাকে। আহক আমি সকলোৱে মিলি গুৰুজনাই দেখুৱাই যোৱা বৃহত্তৰ আৰু একতাৰ অসম নিৰ্মাণত নিজৰ সামৰ্থ্যৰে হাত উজান দিওঁহক। শেষত গুৰুভটিমাৰ এই উদ্ধৃতিৰে প্ৰবন্ধটিৰ মোখানি মাৰিলোঁ...

> "জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
> যাকেৰি নাহিকে উপাম।
> তোহাৰি চৰণকু ৰেণু শতকোটি
> বাৰেক কৰোহো প্ৰণাম।।"


*সহায়ক গ্ৰন্থাৱলীঃ*

১. ভকতি আছেং আৰচিম, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ অশীতিতম বাৰ্ষিক অধিৱেশন, ২০১১ খ্ৰীষ্টাব্দ।

২. সুধাসিন্ধু, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, ৯২ সংখ্যক বাৰ্ষিক অধিৱেশন, ২০২৩ খ্ৰীষ্টাব্দ।

৩. বৈকুণ্ঠ কুসুম, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন, ২০২৫ খ্ৰীষ্টাব্দ।

৪. তথ্যদাতাঃ শ্ৰীৰঞ্জন গগৈ, শ্ৰীমুনমী গগৈ, গগৈচুক, নাগশংকৰ।



(ঠিকনাঃ চমাৰ দলনি, চতিয়া, বিশ্বনাথ, অসম-৭০০২৭০২২৬৮))

(লেখক সাহিত্য একাডেমীৰ যুৱ পুৰস্কাৰ ২০২০ প্ৰাপক)


**অঞ্জন বাচকোটা**

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ আধ্যাত্মিক দৰ্শন আৰু শৃংখলিত কৰ্মব্যৱস্থা

**নলিনী ৰঞ্জন ভূঞা**

অসমীয়া জাতিৰ আধ্যাত্মিক আৰু সামাজিক বিৱৰ্তনৰ ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘ কেৱল এক অনুষ্ঠান নহয়। ই অসমীয়া সভ্যতাৰ সুদীৰ্ঘ ঐতিহ্য বহন কৰা এক প্ৰাণৱন্ত প্ৰতিষ্ঠান। ১৯৩০ চনত নগাঁৱৰ পালিবাৰীত জন্মলাভ কৰা এই সঙ্ঘই আজি প্ৰায় চাৰিকুৰি পোন্ধৰ বছৰ ধৰি মহাপুৰুষীয়া ধৰ্মৰ মূল সত্তাক আধুনিক সমাজৰ প্ৰেক্ষাপটত এক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিছে। সঙ্ঘৰ মূল ভেটি হ'ল গুৰুজনাৰ সেই অনন্য মানৱতাবাদী দৰ্শন, য'ত ঈশ্বৰ আৰু মানুহৰ মাজত কোনো প্ৰভেদ নাই। 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' — এই সৰ্বজনীন নীতিৰ ওপৰত প্ৰতিষ্ঠিত সঙ্ঘৰ আধ্যাত্মিক দৰ্শনে অসমীয়া সমাজৰ পৰা বৰ্ণ-বৈষম্য আৰু ধৰ্মীয় সংকীৰ্ণতা দূৰ কৰি এক অখণ্ড জাতীয়তাবোধৰ সৃষ্টি কৰিছে। সঙ্ঘৰ আধ্যাত্মিকতা কেৱল পূজা-পাতল বা বাহ্যিক আড়ম্বৰৰ মাজত আৱদ্ধ নহয়, ই হ'ল অন্তৰৰ পবিত্ৰতা আৰু ভক্তিৰ এক নিৰ্মল পথ, য'ত নাম আৰু সেৱাই জীৱনৰ চৰম লক্ষ্য হিচাপে বিবেচিত হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দৰ্শনত কোনো উচ্চ-নীচ, জাতি-ভেদ বা বৰ্ণ-বৈষম্যৰ স্থান নাই। 'কুক্কুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম। জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।' গুৰুজনাৰ এই মহান বাণীকেই সঙ্ঘই আধ্যাত্মিক ভেটি হিচাপে গ্ৰহণ কৰিছে। মানুহৰ মাজত ভগৱানক দৰ্শন কৰাটোৱেই এই পথৰ চৰম লক্ষ্য। ইয়াত মূৰ্তি পূজাৰ পৰিৱৰ্তে 'ভাগৱত'ক সিংহাসনত প্ৰতিষ্ঠা কৰি জ্ঞান আৰু ভক্তিৰ চৰ্চা কৰা হয়, যিটোৱে নিৰাকাৰ ভক্তিৰ এক উন্নত নিদৰ্শন দাঙি ধৰে। সঙ্ঘৰ আধ্যাত্মিক যাত্ৰাৰ কেন্দ্ৰস্থল হ'ল নামঘৰ। নামঘৰ কেৱল উপাসনাস্থলী নহয়, ই এক গণতান্ত্ৰিক সংসদৰ দৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নামঘৰৰ মাধ্যমেদি সমাজখনক একগোট কৰি ৰাখিছে। এই নামঘৰতে ভকত সকল সমবেত হৈ সমস্বৰে হৰিনাম কীৰ্তন কৰে। এই 'সমবেত প্ৰাৰ্থনা'ই মানুহৰ মনৰ অহংকাৰ দূৰ কৰি সামূহিক চেতনাৰ জন্ম দিয়ে। আধ্যাত্মিক দৰ্শনৰ জৰিয়তে সঙ্ঘই এটা কথা স্পষ্ট কৰি দিছে যে সমাজৰ প্ৰতিজন ব্যক্তিৰ মৰ্যাদা সমান। নামঘৰৰ মজিয়াত বহি এজন সমাজৰ তথাকথিত উচ্চবৰ্ণৰ লোকে আৰু এজন নিম্নবৰ্ণৰ বুলি গণ্য কৰা লোকে একেলগে বহি প্ৰসাদ গ্ৰহণ কৰে। এই ব্যৱস্থাই অসমীয়া সমাজত যি সম্প্ৰীতিৰ বীজ সিঁচিছে, সেয়া বিশ্বৰ ইতিহাসতে বিৰল।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এই আধ্যাত্মিক যাত্ৰাৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল ইয়াৰ মাজত থকা অপূৰ্ব শৃংখলাবোধ আৰু সুসংগঠিত কৰ্মব্যৱস্থা। সঙ্ঘৰ প্ৰতিটো স্তৰতে যি গণতান্ত্ৰিক প্ৰমূল্য আৰু অনুশাসন দেখিবলৈ পোৱা যায়, সেয়া আজিৰ যিকোনো আধুনিক প্ৰশাসনৰ বাবেও এক আদৰ্শ হ'ব পাৰে। গাঁৱৰ প্ৰাথমিক শাখাৰ পৰা কেন্দ্ৰীয় সমিতিলৈকে ইয়াৰ প্ৰতিটো নিৰ্দেশনা অতিশয় নিয়াৰিকৈ পালিত হয়। বিশেষকৈ বাৰ্ষিক অধিৱেশন সমূহৰ সময়ত লাখ লাখ ভক্তৰ সমাগম হোৱা স্বত্বেও যি শান্তি আৰু শৃংখলা বিৰাজ কৰে, সেয়া সঙ্ঘৰ সদস্য সকলৰ উচ্চমানৰ নৈতিক চৰিত্ৰৰ পৰিচায়ক। এই শৃংখলাই প্ৰমাণ কৰে যে, আধ্যাত্মিকতা কেৱল ব্যক্তিগত মুক্তিৰ পথ নহয়, ই সমাজ এখনক একগোট কৰি ৰখাৰ এক শক্তিশালী মাধ্যম। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কৰ্মব্যৱস্থাত শ্ৰমৰ মৰ্যাদাক বিশেষ স্থান দিয়া হৈছে। ইয়াত কোনো সদস্যই কামক সৰু বুলি গণ্য নকৰে, বৰঞ্চ নামঘৰৰ মজিয়া মচাৰ পৰা আৰম্ভ কৰি সমাজ সেৱাৰ কামলৈকে সকলোতে তেওঁলোকে এক সেৱাৰ মনোভাৱেৰে অংশগ্ৰহণ কৰে।

> শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ এই আধ্যাত্মিক যাত্ৰাৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল ইয়াৰ মাজত থকা অপূৰ্ব শৃংখলাবোধ আৰু সু-সংগঠিত কৰ্মব্যৱস্থা। সঙ্ঘৰ প্ৰতিটো স্তৰতে যি গণতান্ত্ৰিক প্ৰমূল্য আৰু অনুশাসন দেখিবলৈ পোৱা যায়, সেয়া আজিৰ যিকোনো আধুনিক প্ৰশাসনৰ বাবেও এক আদৰ্শ হ'ব পাৰে।

শিক্ষা আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যোৱা কেইবা দশকত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। সঙ্ঘই বিশ্বাস কৰে যে আধ্যাত্মিক জ্ঞানৰ লগত আধুনিক বিজ্ঞানসন্মত শিক্ষাৰ মিলন ঘটিলেহে এজন ব্যক্তিৰ চৰিত্ৰ সম্পূৰ্ণ হয়। এই লক্ষ্যৰেই ২০১৩ চনত নগাঁৱত প্ৰতিষ্ঠা কৰা হৈছে 'শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়'। এই বিশ্ববিদ্যালয় আজি কেৱল এখন শিক্ষা প্ৰতিষ্ঠানেই নহয়, ই হ'ল মহাপুৰুষীয়া কৃষ্টি আৰু বিশ্বৰ আধুনিক জ্ঞানৰ এক সংগমস্থলী। বিশ্ববিদ্যালয়খনৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী সকলক কেৱল চাকৰিৰ বাবে প্ৰস্তুত নকৰি তেওঁলোকক এজন নৈতিক আৰু মানৱতাবাদী নাগৰিক হিচাপে গঢ়ি তোলাত অধিক গুৰুত্ব দিয়া হয়। পাঠ্যক্ৰমৰ মাজত মহাপুৰুষীয়া সাহিত্য, কৃষ্টি আৰু দৰ্শনক বিদ্যায়তনিক মৰ্যাদা দিয়াৰ ফলত আমাৰ থলুৱা সম্পদ সমূহৰ ওপৰতো বৈজ্ঞানিক গৱেষণাৰ এক নতুন দুৱাৰ মুকলি হৈছে। নতুন প্ৰজন্মই যাতে নিজৰ শিপাক পাহৰি নোযোৱাকৈ আধুনিক পৃথিৱীত খোজ পেলাব পাৰে, তাৰ বাবে বিশ্ববিদ্যালয়খনত এক উপযুক্ত শৈক্ষিক পৰিৱেশ ৰচনা কৰা হৈছে। ইয়াত সত্ৰীয়া সংস্কৃতিৰ পৰা আৰম্ভ কৰি আধুনিক বিজ্ঞানলৈকে সকলো বিষয়ৰ সমন্বয় ঘটিছে, যিয়ে অসমৰ শিক্ষা ইতিহাসত এক নতুন মাত্ৰা যোগ দিছে।

সামাজিক সংস্কাৰ আৰু নাৰী শক্তিৰ সবলীকৰণৰ ক্ষেত্ৰতো সঙ্ঘৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। সঙ্ঘৰ আইমাতৃ সমাজৰ জৰিয়তে আজি গাঁৱে-ভূঁঞে মহিলাসকল সুসংগঠিত হৈছে আৰু সমাজৰ কু-সংস্কাৰ সমূহৰ বিৰুদ্ধে যুঁজ দিছে। নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতাৰ পৰা আৰম্ভ কৰি পৰিৱেশ সুৰক্ষালৈকে সঙ্ঘৰ এই সজাগতামূলক অভিযান সমূহে সমাজত এক পজিটিভ পৰিৱৰ্তন আনিছে। মহাপুৰুষ জনাই যি সাম্যবাদী সমাজৰ সপোন দেখিছিল, তাক বাস্তৱায়িত কৰাৰ বাবে সঙ্ঘই অহৰহ চেষ্টা চলাই আহিছে। আজিৰ বিশ্বায়নৰ যুগত যি সময়ত মানুহৰ মাজত নৈতিকতাৰ স্খলন ঘটিছে, সেই সময়তে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এই আধ্যাত্মিক দৰ্শন আৰু শৃংখলিত কৰ্মব্যৱস্থাই আমাক এক সুস্থ পথৰ সন্ধান দিছে। এই অনুষ্ঠানে কেৱল ভক্তিৰ কথাকে কোৱা নাই, বৰঞ্চ শিক্ষা, সংস্কৃতি আৰু শ্ৰমৰ মাজেৰে কেনেকৈ এটা জাতিক বিশ্ব দৰবাৰত জিলিকাই তুলিব পাৰি, তাৰ এক নিটোল ছবি দাঙি ধৰিছে। গুৰুজনাৰ মহান আদৰ্শৰে অনুপ্ৰাণিত এই সঙ্ঘই আগন্তুক দিনবোৰত আমাৰ জাতীয় জীৱনক অধিক প্ৰাণৱন্ত কৰি তুলিব বুলি আশা কৰিব পাৰি।

পৰিশেষত ক'ব পাৰি যে-সাম্প্ৰতিক সময়ত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ কেৱল এক সংগঠন নহৈ এক জীৱন শৈলীত পৰিণত হৈছে। আধ্যাত্মিক দৰ্শনক কেৱল ধৰ্মগ্ৰন্থৰ মাজত আৱদ্ধ নাৰাখি ইয়াক সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ যি প্ৰক্ৰিয়া সঙ্ঘই আৰম্ভ কৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। শৃংখলা অবিহনে কোনো জাতি আগবাঢ়িব নোৱাৰে আৰু সঙ্ঘই সেই শৃংখলাবোধকেই আমাৰ সমাজৰ প্ৰতিটো পৰ্যায়ত সুমুৱাই দিছে। গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সঙ্ঘই আগন্তুক দিনবোৰত অসমীয়া জাতিক বিশ্বজনীন ৰূপ দিবলৈ সক্ষম হ'ব বুলি আমাৰ বিশ্বাস। সদৌ শেষত-জামুগুৰিহাটৰ ধলাইবিল- চৈবাৰীৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা সঙ্ঘৰ ৯৫ সংখ্যক অধিৱেশন সাফল্য মণ্ডিত হওক- বিশ্ব ভাতৃত্ব চিৰযুগমীয়া উৎস হৈ ৰওক এই শুভ কামনাৰে সদৌটি ভকত-বৈষ্ণৱক আমাৰ ভক্তিভৰা সেৱা জনাইছো।

জীৱনত সফল হ'বলৈ হ'লে একাগ্ৰতা আৰু অনুশাসন অতি প্ৰয়োজন

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত বিহাৰ লোকসভাৰ সাংসদ ৰাজেশ বাৰ্মা



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** 'জীৱনত সফল হ'বলৈ হ'লে একাগ্ৰতা আৰু নিয়মানুবৰ্তিতা অতি প্ৰয়োজন'। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগ আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিবাসৰ উদ্যোগত অনুষ্ঠিত মত বিনিময় তথা অন্তৰংগ আলাপ অনুষ্ঠানত অংশ গ্ৰহণ কৰি বিহাৰ লোকসভাৰ সাংসদ ৰাজেশ বাৰ্মাই এইদৰে কয়। বাৰ্মাই কয়-কেৱল চাকৰি এটা পাই জীৱনটোক কোনোমতে আগুৱাই নিয়াটোৱে জীৱনটোক সফল তথা নিজৰ প্ৰকৃত লক্ষ্যত উপনীত হোৱাতো নুবুজায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়- জীৱনত প্ৰকৃত লক্ষ্যত উপনীত হ'বলৈ হ'লে, সফল হ'বলৈ হ'লে প্ৰথমে আৰামদায়ক কক্ষৰ পৰা ওলাই আহিব লাগিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক দিনটোৰ ব্যস্ততা পূৰ্ণ সময়ৰ মাজতে মাত্ৰ দহ মিনিট সময় আধ্যাত্মিকতাৰ চৰ্চা কৰিবলৈ আহবান জনায়। ছাত্ৰী নিভা লাহনে আঁতধৰা অনুষ্ঠানটিত বাৰ্মাই কয়- জীৱনত আমি সকলো পোৱাৰ পিছতো যদি আমি একো নাই পোৱা বুলি অনুভৱ কৰো, তেন্তে বুজিব লাগিব আমি আমাৰ জীৱনৰ ইতিবাচক দিশটোক দেখি পোৱা নাই। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে মহাবিদ্যালয়ৰ গৌৰবোজ্জ্বল সোণালী ইতিহাস বৰ্ণনা কৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে বিহাৰ লোকসভাৰ সাংসদ ৰাজেশ বাৰ্মাই আহি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত এনে এটি সুন্দৰ মত বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে অধ্যক্ষগৰাকীয়ে ৮০ বছৰ গৰকা মহাবিদ্যালয়খনে শৈক্ষিক, আন্তঃগাঁথনি, প্ৰশাসনিক দিশৰ লগতে তথ্য প্ৰযুক্তিৰ দিশত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত মহাবিদ্যালয়খনে লাভ কৰা বিভিন্ন সফলতা, সন্মান, বঁটা আদিৰ বিষয়েও অৱগত কৰে। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনত প্ৰশাসনীয় দিশত কাগজবিহীন ভাবে পৰিচালনা কৰা, চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ বাবে 'কৰ্মবন্ধু' এপ ব্যৱহাৰ কৰাৰ লগতে ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমত অনুষ্ঠিত কৰা, আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ উপস্থিতি অনলাইন মাধ্যমত পৃথিৱীৰ ভিতৰতে প্ৰথম তথা বাটকটীয়া বুলি অৱগত কৰে। মহাবিদ্যালয়খন দৈনিক পুৱা ৪.৩০ বজাতে জীপাল হৈ পৰা কথা বিলাকো তেওঁ অৱগত কৰে। মহাবিদ্যালয়খনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত চাৰিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ বঁটা, শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান লাভ কৰাৰ কথাও অৱগত কৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা চৰকাৰৰ তৰফৰ পৰা লাভ কৰা "স্বচ্ছতা বঁটা" সম্পৰ্কেও তেওঁ কয়। মহাবিদ্যালয়খনত সৌৰশক্তিৰ ব্যৱহাৰ, ৮০ শতাংশ শ্ৰেণীকোঠাত এয়াৰ কণ্ডিশ্যনৰ সুবিধা থকাৰ লগতে পৃথিৱীৰ উন্নত বিশ্ববিদ্যালয় সমূহত শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা কৃত্ৰিম বুদ্ধিমত্তা সংযোজিত স্মাৰ্ট এণ্ড ডিজিটেল ব'ৰ্ডৰ অন্য এক নতুন ব্যৱহাৰৰ কথাও সাংসদ গৰাকীক অৱগত কৰে। ছাত্ৰী চয়নিকা বুঢ়াগোহাঁয়ে কবিতা আবৃত্তি কৰা অনুষ্ঠানটিত সাংসদ বাৰ্মাই বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীৰ বহু মূল্যবান প্ৰশ্নৰ বিষদ বিৱৰি উত্তৰ দিয়ে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী অমিত কেডিয়া, সমাজকৰ্মী আহমেদ আলি আয়ুবি, সমাজকৰ্মী সঞ্জয় আগৰৱালা, কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক- অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন, এন চি চি কেডেট আৰু বিহু নৃত্যৰে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত সাংসদ বাৰ্মাক এখনি ফুলাম গামোছা, চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলা আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত এখনি স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰী নিভা লাহনে।

# বিশিষ্ট শিক্ষাবিদ তথা সমাজসেৱী প্ৰফুল্ল চন্দ্ৰ মেধিৰ ৰাজহুৱা সম্বৰ্দ্ধনা সভা

'প্ৰফুল্লপ্ৰভা' শীৰ্ষক অভিনন্দন গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৯ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ সাপকাটা নিবাসী বিশিষ্ট শিক্ষাবিদ তথা সমাজসেৱী প্ৰফুল্ল চন্দ্ৰ মেধিৰ ৰাজহুৱা সম্বৰ্দ্ধনা সভাখন মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৮ ফেব্ৰুৱাৰী ৰবিবাৰে অনুষ্ঠিত হয়। উক্ত গাম্ভীৰ্যপূৰ্ণ সভাখনত সভাপতিত্ব কৰে গুৱাহাটীস্থিত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তই। উক্ত সভাত কৃতি শিক্ষক প্ৰফুল্ল চন্দ্ৰ মেধিৰ জীৱন আৰু কৃতি সুঁৱৰি সম্পাদিত 'প্ৰফুল্লপ্ৰভা' শীৰ্ষক অভিনন্দন গ্ৰন্থ এখনো উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই। ভাষণ প্ৰসংগত কৃতি শিক্ষক প্ৰফুল্ল চন্দ্ৰ মেধিয়ে নিজৰ শিক্ষকতা জীৱনৰ কৰ্মৰত সময়ত কোনোদিনেই শ্ৰেণীকোঠাত চকীত বহি নোপোৱাৰ কথা উল্লেখ কৰি নিজৰ কৰ্মৰত সময়ৰ কথা সুঁৱৰি আৱেগিক হৈ পৰে। আনহাতে, ভাষণ প্ৰসংগত আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই উল্লেখ কৰে এনেদৰে, "মুকালমুৱা যে সংগ্ৰামী মানুহৰ ঠাই সেই কথা বৰক্ষেত্ৰীৰ মানুহে জানিব লাগিব। প্ৰায় ৬০০ পৃষ্ঠাজোৰা প্ৰফুল্লপ্ৰভা পঢ়িলে বৰক্ষেত্ৰীৰ বুৰঞ্জী জানিব পাৰিব। এনেকুৱা এখন বিশাল কিতাপ সকলোৱে পঢ়া উচিত বুলিও মন্তব্য কৰে। মই ভাবো এই কিতাপখন বৰক্ষেত্ৰীৰ ইতিহাসৰ দস্তাবেজ হ'ব। এই পুথিখন অসমৰ বিভিন্ন প্ৰান্তলৈ লৈ যোৱাৰ ব্যৱস্থাৰে প্ৰফুল্ল চন্দ্ৰ মেধিৰ দৰে লোকসকল অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ি ডাঙৰ মানুহ হোৱাৰ বাৰ্তা চৌপাশে বিয়পাই দিয়া উচিত।" ৮ ফেব্ৰুৱাৰী ৰবিবাৰে ৰাতিপুৱা অনুষ্ঠিত হোৱা সভাখনলৈ শিক্ষকগৰাকীক অঞ্চলটোৰ ভালেমান বিশিষ্ট লোকে নিজ গৃহৰ পৰা ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বিশাল শোভাযাত্ৰাৰে আদৰি আনে। ইয়াৰ পিছতে ১০ বজাত অনুষ্ঠিত হয় ৰাজহুৱা সম্বৰ্দ্ধনা আৰু অভিনন্দন গ্ৰন্থ উন্মোচনী সভা। সভাত সভাপতিত্ব কৰে গুৱাহাটীস্থিত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ



কুমাৰ মহন্তই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ফণী ডেকা, প্ৰফুল্ল চন্দ্ৰ মেধিৰ "জীৱন পৰিক্ৰমা সুঁৱৰি ৰচিত" শীৰ্ষক সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই। ভাষণ প্ৰসংগত গৌতম শৰ্মাই বৰক্ষেত্ৰীৰ লোকসকল যথেষ্ট পৰিমাণে কষ্ট কৰিবপৰা গুণৰ অধিকাৰী বুলি উল্লেখ কৰি বৰক্ষেত্ৰী ফিজিকেল ডেভেলপমেণ্ট কিন্তু হোৱা নাই, ইয়াৰ দাঁতি কাষৰীয়া সমষ্টি সৰুক্ষেত্ৰীৰ উন্নয়ন কিন্তু চকুতলগা বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আনহাতে, সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মিজোৰাম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ ডেকা, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী আৰু অৱসৰপ্ৰাপ্ত প্ৰধান মুখ্য বন সংৰক্ষক(বন্যপ্ৰাণী) তথা প্ৰাক্তন ৰাজ্যিক তথ্য আয়ুক্ত মোহন চন্দ্ৰ মালাকৰ। উল্লেখ্য যে উক্ত সভাতে প্ৰফুল্ল চন্দ্ৰ মেধিৰ সমসাময়িক নিৰ্দিষ্ট শিক্ষাগুৰুসকলকো সম্বৰ্দ্ধনা জনোৱা হয়। পৰিশেষত, উক্ত সভাখনৰ সভাপতি মনোজ কুমাৰ মহন্তই সভাপতিৰ ভাষণ প্ৰদান কৰে আৰু অসম সংগীতেৰে সভাখনৰ সামৰণি পৰে।

# লখিমপুৰৰ বালিজানত 'লখিমপুৰ বাপ্তিষ্ট কনভেনচন'ৰ ১২৩ সংখ্যক বাৰ্ষিক অধিৱেশন



**অসম বাৰ্তা, লীলাবাৰী, ৯ ফেব্ৰুৱাৰী ঃ** "উত্তৰ অসমত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসমীয়া ভাষাতেই লখিমপুৰ জিলাৰ মাজমজিয়াত ১৮৯৩ বৰ্ষতজন ফাৰ্থ খ্ৰীষ্টিয়ান ইংলিছ স্কুলৰ প্ৰতিষ্ঠা হৈছিল। পাছৰ পৰ্যায়ত বিদ্যালয়খনত অসমীয়াৰ লগতে ইংৰাজী মাধ্যমত পাঠদান কৰা হৈছিল। বিদ্যালয়খন উত্তৰ অসমত অসমীয়া মাধ্যমত শিক্ষা প্ৰদানৰ বাটকটীয়া স্বৰূপ।"- লখিমপুৰ জিলাৰ লীলাবাৰী অঞ্চলৰ বালিজানত 'লখিমপুৰ বাপ্তিষ্ট কনভেনচন'ৰ ১২৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনিৰ আজি অন্তিম দিনা লখিমপুৰৰ 'জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান'ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দুলামী হেৰেঞ্জ পাণ্ডই অতিথি ৰূপে অংশগ্ৰহণ কৰি এনেদৰে কয়। তেখেতে লখিমপুৰ জিলাৰ মাজমজিয়াৰজন ফাৰ্থ খ্ৰীষ্টিয়ান ইংলিছ স্কুলৰ বাকৰিত ১৯৩৬ বৰ্ষত খ্ৰীষ্টিয়ান কেন্দ্ৰৰ প্ৰতিষ্ঠা হৈ ১নং জহিঙত লখিমপুৰৰ প্ৰথমটো বাপ্তিষ্ট মণ্ডলী স্থাপন হোৱাৰ সমান্তৰালকৈ এলেংমাৰীত জিলাখনৰ দ্বিতীয়টো মণ্ডলী স্থাপনৰ ইতিবৃত্ত উল্লেখ কৰে। ৬ ফেব্ৰুৱাৰীৰ সন্ধিয়াৰে পৰা ৮ ফেব্ৰুৱাৰীলৈ বালিজান বাপ্তিষ্ট মণ্ডলীৰ সহযোগত তিনিদিনীয়াকৈ অনুষ্ঠিত খ্ৰীষ্টিয়ান ধৰ্মালম্বী লোকসকলৰ মাজত উখল-মাখল পৰিৱেশে বিৰাজ কৰে। খ্ৰীষ্টিয়ান ধৰ্মগ্ৰন্থ বাইবেলৰ নতুন নিয়ম খণ্ডৰ পাঁচনি কৰ্ম ১ঃ১১ পদত উল্লিখিত 'তোমালোকে যেনেকৈ তেওঁক স্বৰ্গলৈ যোৱা দেখিলা, তেনেকৈ তেওঁ আকৌ আহিব' শীৰ্ষক বিষয়বস্তু সন্দৰ্ভত অৰুণাচল প্ৰদেশৰ 'ইটানগৰ আদি ফেল'শ্বিপ'ৰ সহযোগী পালক ৰেভাৰেণ্ড লুক তায়েং আৰু লখিমপুৰ বাপ্তিষ্ট কনভেনচনৰ কাৰ্যবাহী সচিব ৰেভাৰেণ্ড লাজাৰ হ'ৰ'ই মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰে। ৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া লখিমপুৰ বাপ্তিষ্ট কনভেনচনৰ প্ৰাক্তন খণ্ড পালক চিলাছ টপ্নই বন্তি প্ৰজ্বলন আৰু শোভাযাত্ৰাৰে সভাস্থলীৰ দুৱাৰ মুকলি কৰা আৰম্ভণি অনুষ্ঠানত কনভেনচনৰ সভাপতি নিৰেণ ইংতিয়ে সভাপতিত্ব কৰে। কনভেনচনৰ কাৰ্যবাহী সচিব ৰেভাৰেণ্ড লাজাৰ হ'ৰ'ই অধিৱেশন উদ্বোধন, আদৰণি জনোৱাৰ লগতে কনভেনচনৰ আয়-ব্যয় পাঠ, মূল্যাংকন সমিতি গঠনৰ আঁত ধৰে। গীত-প্ৰাৰ্থনাৰে নিমজ্জিত অনুষ্ঠানটিত লখিমপুৰ বাপ্তিষ্ট কনভেনচনৰ আঠটা শাখাৰ প্ৰায় পাঁচ হাজাৰ খ্ৰীষ্টীয় লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, দ্বিতীয় দিনাৰ কাৰ্যসূচীত লখিমপুৰৰ বিধায়ক মানৱ ডেকাই অতিথি ৰূপে অংশগ্ৰহণ কৰি লখিমপুৰ বাপ্তিষ্ট কনভেনচনৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক অধিৱেশনে অসমীয়াৰ সম্প্ৰীতিৰ এনাজৰীডাল আৰু অধিক দৃঢ় কৰিব বুলি ভাষণত উল্লেখ কৰে।

বিচিত্ৰ নাৰায়ণ বৰা-ৰাতুল বৰা সোঁৱৰণি চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

# নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ কৰ্মৰাজি শলাগিবলগীয়া ঃ বিধায়ক ৰূপক শৰ্মা

**অসম বাৰ্তা, নগাঁও, ৯ ফেব্ৰুৱাৰী ঃ** নগাঁও সদৰস্থ ছপা মাধ্যমৰ সাংবাদিক সকলৰ উমৈহতীয়া মঞ্চ নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ উদ্যোগত আজি নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী তোদী স্মৃতি ভৱনত প্ৰয়াত সাংবাদিক বিচিত্ৰ নাৰায়ণ বৰা আৰু ৰাতুল বৰাৰ সোঁৱৰণত এক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত জিলা খনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা খনি দুটা শাখাত অনুষ্ঠিত হৈ কৰা হয়। কমলা দেৱী তোদী স্মৃতি ভৱনত উপস্থিত হৈ নগাঁও - বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই প্ৰতিযোগী। সকলক উৎসাহিত কৰে। বিধায়ক গৰাকীয়ে নিজৰ চমু ভাষণত কয় যে, নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ কৰ্মৰাজি শলাগিবলগীয়া। নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনে প্ৰয়াত সাংবাদিক সকলৰ স্মৃতিত বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এইবাৰ বিচিত্ৰ নাৰায়ণ বৰা আৰু আৰু ৰাতুল ববাৰ সোঁৱৰণত চিত্ৰাংকন অনুষ্ঠিত কৰি প্ৰয়াত দুগৰাকীক শ্ৰদ্ধা নিবেদন কৰাৰ লগতে কণকণ ছাত্ৰ ছাত্ৰ-



ছাত্ৰী সকলৰ সৃষ্টিশীলতাৰ ক্ষেত্ৰত উদগণি মূলক পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাই শিশু সকলক যথেষ্ট উৎসাহিত কৰিব। ভৱিষ্যতেও অন্য ব্যতিক্ৰমী কাৰ্যসূচী হাতত ল'বলৈ তেওঁ এছ'চিয়েছনৰ বিষয়ববীয়া সকলক আহ্বান জনায়। ইপিনে, প্ৰতিযোগিতাৰ অন্তত দুই বিচাৰক ক্ৰমে অৰবিন্দ দাস আৰু মোহৰ আলীয়ে বিজয়ী প্ৰতিযোগী সকলৰ নাম ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি, 'ক' আৰু শাখাত প্ৰথম পুৰস্কাৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আফৰীণ তাবাচ্চুম, দ্বিতীয় পুৰস্কাৰ কলং কপিলী বিদ্যাপীঠৰ তানজিল আলী, তৃতীয় পুৰস্কাৰ এ এল এখলাছ একাডেমীৰ নিব্ৰাছ আলমে লাভ কৰে। আনহাতে 'খ' শাখাত প্ৰথম পুৰস্কাৰ খ্ৰীষ্ট জ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দেৱলীনা বৰা, দ্বিতীয় পুৰস্কাৰ এ কে এখলাছ একাডেমীৰ ৰিফা ছিদ্দিকাই আৰু তৃতীয় একে এখলাছ একাডেমীৰ তাহমিনা চুলতানাই লাভ কৰে। নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ সাধাৰণ সম্পাদক হিচাপে চন্দন জ্যোতি বৰাই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত বঁটা প্ৰাপক সকলক বঁটা সমূহ প্ৰদান কৰে। নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ সভাপতি কনক হাজৰিকা, কাৰ্যকৰী সভাপতি হেমেন কুমাৰ দাস, উপ সভাপতিত্ৰয় পলাশ প্ৰতীম হাজৰিকা অজয় মাহাতো, ফাইজুৰ ৰহমান, কোষাধ্যক্ষ ছফিকুৰ ৰহমান, জ্যেষ্ঠ সাংবাদিক বৈদ্যনাথ চাহানী, নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েছনৰ সহকাৰী সাধাৰণ সম্পাদক ভাস্কৰ শইকীয়া আদিয়ে।

# সৰুপথাৰত ONGCৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চকু পৰীক্ষা শিবিৰ

**ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৯ ফেব্ৰুৱাৰী ঃ** দেওবাৰে সৰুপথাৰ হনুমান মন্দিৰ প্ৰাঙ্গনত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবৰ অনুষ্ঠিত হয়। ONGC যোৰহাটে উত্থান সেৱা সমিতি আৰু সৰুপথাৰ মাৰোৱাৰী মহিলা সন্মিলন, সৰুপথাৰ Lions Club আৰু উৰিয়ামঘাট মডেল হস্পিতেলৰ উদ্যোগত দিনযোৰাকৈ আয়োজন কৰা এই স্বাস্থ্য পৰীক্ষা শিবিৰত পুৱাৰ ভাগৰে পৰা যথেষ্ট সংখ্যক লোকে নিজৰ স্বাস্থ্য পৰীক্ষা কৰিবৰ বাবে ভীৰ কৰে। জানিব পৰা মতে এই শিবিৰত প্ৰায় দুই শতাধিক লোকে স্বাস্থ্য পৰীক্ষা আৰু চকু পৰীক্ষা কৰোৱাই। শিবিৰটোত মুঠ তিনিজনকৈ অভিজ্ঞ চিকিৎসকে আৰু এজন চকুৰ চিকিৎসকে স্বাস্থ্য পৰীক্ষা আৰু চকু পৰীক্ষা কৰে। আনহাতে স্বাস্থ্য পৰীক্ষা আৰু চকু পৰীক্ষা কৰোৱা প্ৰতিজন ব্যক্তিক ONGCৰ তৰফৰ পৰা সম্পুৰ্ণ বিনামূলীয়াকৈ দৰৱ পাতি যোগান ধৰা হয়। এই স্বাস্থ্য পৰীক্ষা শিবিৰে বিশেষকৈ সৰুপথাৰ অঞ্চলৰ দৰিদ্ৰ লোকসকলক যথেষ্ট পৰিমাণে উপকৃত কৰে।

# পোনপ্ৰথমবাৰ মাকুমত অনুষ্ঠিত কৰা হ'ল মহিলা কাবাডী প্ৰতিযোগিতা



**অসম বাৰ্তা মাকুম, ৯ ফেব্ৰুৱাৰী ঃ** উঠি অহা নৱ-প্ৰজন্মক এখন মঞ্চ দিয়াৰ মানসেৰে পোন প্ৰথমবাৰৰ বাবে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত মাকুম আঞ্চলিক সমিতি আৰু মাকুম বাসী ৰাইজৰ সহযোগত আৰু তিনিচুকীয়া জিলা কাবাডী সন্থাৰ তত্বাৱধানত আজি দিনজোৰা কাৰ্যসূচীৰে মাকুমস্থিত ৰজনীকান্ত বৰদলৈ খেল পথাৰত আমন্ত্ৰণ মূলক মহিলা কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী মৃণালী নেওগে। স্মৃতি তৰ্পণ কৰে সম্পাদিকা পূৰৱী তালুকদাৰে। তাৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত বন্তি প্ৰজলনৰ শুভাৰম্ভ কৰে মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকনে। পৰৱৰ্তী কাৰ্যসূচী অনুষ্ঠানৰ উপস্থিত থকা বিশেষ ব্যক্তিসকলৰ চিনাকি পৰ্ব আৰু মাকুমৰ শিল্পী সমাজৰ দ্বাৰা কোৰাছ পৰিৱেশন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিত মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ সভাপতি পুলিন্দ্ৰ বড়া, সদৌ অসম ছাত্ৰ সন্থা কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াৰ লগতে জাতীয় মহিলা পৰিষদ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদিকা মামনি দৈমাৰী দত্তয়ে প্ৰতিযোগিতাখন অনুষ্ঠিত কৰি উঠি অহা নৱ প্ৰজন্মক এখন মঞ্চ দিয়াৰ পোষকতা কৰাৰ বাবে বিশেষকৈ জাতীয় মহিলা পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী মৃণালী নেওগ আৰু

# বিহালীৰ বিহপুখুৰীত জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বিহালী, ৯ ফেব্ৰুৱাৰী ঃ** বিহালীৰ সমষ্টিৰ বিহপুখুৰীত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। চাইনিং গ্ৰীণ আচিয়ানা ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ উদ্যোগত বিহপুখুৰীৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ গ্ৰীণ আচিয়ানা ধাবাৰ কাষতে অসমৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব, জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন কৰে বিশিষ্ট তবলা বাদক তথা জুবিন গাৰ্গৰ সহযোগী শিল্পী ৰাজা বৰুৱাই। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে লক্ষ্যজ্যোতি ভৰটৰাজে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জুবিন



গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা ভাস্কৰ্য্য শিল্পৰ অশোক কুমাৰ বৰা, অৰুণাচল প্ৰদেশৰ সাধাৰণ প্ৰশাসনিক সচিব কমকৰ দুলম্, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ চিন্তামণি শৰ্মা, শিৰোমণি খ্যাত মানস ভাগৱতী, জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী ঋতুকা শৰ্মা আৰু বহু বিশিষ্ট অতিথি লগতে স্থানীয় ৰাইজৰ উপস্থিত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। চাইনিং গ্ৰীণ আচিয়ানা ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ সঞ্চালক ড° কিশোৰ হাজৰিকা আৰু সঞ্চালিকা স্নিগ্ধাজ্যোতি গোস্বামীৰ এই মহান কাৰ্য্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰে ৰাজা বৰুৱাই।

# বাক্সাৰ নবস্তিত বিশাল হিন্দু সন্মিলন সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ৯ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সমগ্ৰ ভাৰত বৰ্ষৰ প্ৰতিটো নগৰীয়া বস্তি তথা গাঁও পঞ্চায়ততে ৰাইজৰ দ্বাৰা একোখনকৈ হিন্দু সন্মিলন অনুষ্ঠিত কৰি অহা হৈছে। এই উদ্দেশ্যে আজি হিন্দু সন্মিলন আয়োজন সমিতি নবস্তিৰ উদ্যোগত স্থানীয় লক্ষ্মী মন্দিৰত বিশাল হিন্দু সন্মিলন অনুষ্ঠিত হৈ যায়। এই বিশাল হিন্দু সন্মিলনৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত আয়োজন সমিতিৰ সভাপতি গৌতম কলিতাই বন্তি প্ৰজ্বলন আৰু নবস্তি লক্ষ্মী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত কুমাৰ ব্ৰহ্ম ই ভাৰতমাতাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। আয়োজন সমিতিৰ সভাপতি গৌতম কলিতাই সঞ্চালনা কৰা সন্মিলনত অংশগ্ৰহণ কৰি খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰভূষণ খড়কাই হিন্দুত্ব অস্তিত্ব, ৰিজু তালুকদাৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এশ বছৰীয়া যাত্ৰা আৰু পঞ্চ পৰিৱৰ্তনৰ ওপৰত অসম ক্ষেত্ৰ, সেৱিকা সমিতিৰ ক্ষেত্ৰ কাৰ্যবাহিকা ৰেণু দেৱী শৰ্মাই বক্তব্য ব্যাখ্যা দাঙি ধৰে। সন্মিলনত সমবেত সংগীত, সত্ৰীয়া নৃত্য, ইউ এন একাডেমীৰ ছাত্ৰী সকলে বাগৰুম্বা নৃত্য, কোচ ৰাজবংশী লোক নৃত্য, বন্দেমাতৰম নৃত্য আৰু অদলাৰ গীতা মেধিৰ দলে নাম কীৰ্তন পৰিৱেশন কৰে। বিশাল হিন্দু সন্মিলনৰ অনুষ্ঠানত শংকৰদেৱ শিশু নিকেতন নবস্তিৰ ছাত্ৰ-ছাত্ৰী, আচাৰ্য আচাৰ্যা, অভিভাৱক অভিভাৱিকাৰ লগতে স্বাণীয় লোক সকল উপস্থিত থাকে। অনুষ্ঠানটিৰ আঁত ধৰে শংকৰদেৱ শিশু নিকেতন নবস্তিৰ প্ৰধান আচাৰ্য ধনেশ্বৰ কলিতাই।

## ক্ষতিগ্ৰস্ত ৩৫টা পৰিয়ালক চৰকাৰী সাহায্যৰ আহ্বান

# ৰূপহী ৰাজগড়ত বিদ্যুৎস্পৃষ্ট হৈ জীৱন-মৃত্যুৰে যুঁজ এগৰাকী মহিলাই

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৯ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৰ ৰূপহী ৰাজগড়ত কালি দিনৰ প্ৰায় দুই মান বজাত ভয়ংকৰ বৈদ্যুতিক চাৰ্কিটৰ ঘটনা সংঘটিত হয়। ঘটনাটোত এগৰাকী মহিলা গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ লগতে ৩৫টা পৰিয়ালৰ ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হয়। ১১০০০ কেভিৰ বৈদ্যুতিক তাঁৰ আৰু ২২০ কেভিৰ বৈদ্যুতিক তাঁৰৰ মাজত হোৱা সংযোগৰ ফলত ভয়ংকৰভাৱে বিদ্যুৎস্পৃষ্ট হৈ চান্তামায়া চুব্বা (৬০) নামৰ মহিলা গৰাকীৰ দেহা জ্বলি যায়। আঘাতপ্ৰাপ্ত মহিলা গৰাকীক প্ৰথমে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ভৰ্তি কৰোৱাৰ পিছত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আনহাতে, বাকী পৰিয়াল সমূহৰ গৃহৰ টিভি, ফ্ৰীজ, ইনভাৰটাৰ, বৈদ্যুতিক ৱায়াৰ, চ'লাৰ চিষ্টেমকে ধৰি অন্যান্য সামগ্ৰী জ্বলি গৈ ব্যাপক ক্ষতিৰ সন্মুখীন হয়। ভুক্তভোগী পৰিয়াল কেইটাই চৰকাৰ, প্ৰশাসনক ক্ষতিপূৰণ দিবলৈ আহ্বান জনাইছে। আনহাতে, স্থানীয় ৰাইজে বিদ্যুৎ বিভাগৰ অৱহেলাৰ বাবেই এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত কৰিছে।

## জুবিনক্ষেত্ৰক বিশ্ব মানদণ্ডৰ

এলাগী হৈ পৰিছে আৰু শান্তিৰে থাকিব বিচৰা জুবিনৰ আত্মাই অশান্তিত ভুগি আছে বুলি অভিযোগ উঠিছে। জুবিন পৰিয়ালৰ সদস্যসকলে প্ৰশ্ন উত্থাপন কৰিছে যে জুবিন ক্ষেত্ৰৰ নিৰ্মাণ কাম কিয় দীৰ্ঘদিন ধৰি বন্ধ হৈ ৰৈ আছে। সময়ৰ সোঁতত জুবিনৰ প্ৰতি থকা মৰম, আদৰ, শ্ৰদ্ধা আৰু দায়িত্ববোধ ম্লান পৰি গৈছে নেকি বুলিও সোধা হৈছে। সামাজিক মাধ্যমত এই বিষয়টোৱে তীব্ৰ ৰূপ লৈছে। জুবিন গাৰ্গৰ ভগ্নী ডং পামী বৰঠাকুৰে এক আৱেগঘন পোষ্ট কৰি জুবিন ক্ষেত্ৰ পৰিচালনা সমিতিৰ মুৰব্বীলৈ আহ্বান জনাইছে। পোষ্টটোত তেওঁ লিখিছে যে শ্ৰদ্ধা, মৰম, আদৰ আৰু দায়িত্ববোধ সময়ৰ সোঁতত ম্লান পৰি গৈছে। জুবিন গাৰ্গে অসম আৰু অসমীয়াক বিশ্বৰ পটভূমিত উজ্জ্বলাই তুলিছে, কিন্তু আমি তেওঁৰ শেষ জিৰণিৰ ঠাইখিনিও চিকুণকৈ ৰাখিব পৰা নাই। তেওঁ প্ৰশ্ন কৰিছে— কিয় জুবিন ক্ষেত্ৰৰ নিৰ্মাণ কাম বন্ধ হৈ আছে? কিয় এতিয়াও এটা সঠিক ব্যৱস্থা (proper system) গঢ়ি তোলা হোৱা নাই? চৰকাৰ আৰু ৰাইজ কিয় ইমান উদাসীন হৈ আছে জুবিন ক্ষেত্ৰৰ প্ৰতি? তেওঁ অনুৰোধ জনাইছে যে জুবিন ক্ষেত্ৰক বিশ্বমানদণ্ডৰ পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰা হওক। এই পোষ্টৰ পিছতে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গেও সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে— অৱহেলিত, উপেক্ষিত আৰু এলাগী হৈ ৰ'ব নেকি জুবিন ক্ষেত্ৰ? প্ৰাণৰ শিল্পীগৰাকীক সামান্য যত্নেৰে শান্তিত জিৰণি ল'বলৈ তেওঁৰ প্ৰাণৰ অসমখনতো আমি ব্যৱস্থা কৰি দিব নোৱাৰোঁ নেকি? এই আৱেগিক পোষ্টসমূহৰ পিছতে বিষয়টোত তৎপৰতা দেখা গৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই আৰক্ষী প্ৰশাসনে 'জুবিন ক্ষেত্ৰ' পৰিষ্কাৰ অভিযানত নামি পৰিছে। তাৎক্ষণিকভাৱে আঁতৰাই পেলোৱা হৈছে পৰিৱেশ বিনষ্ট কৰা দোকান-পোহাৰ আৰু অন্যান্য বিশৃংখল বস্তু। এই পদক্ষেপে অনুৰাগীসকলৰ মাজত কিছু সকাহৰ সৃষ্টি কৰিছে যদিও জুবিন ক্ষেত্ৰৰ দীৰ্ঘম্যাদী ব্যৱস্থাপনা আৰু নিৰ্মাণ কামৰ পুনৰাৰম্ভৰ দাবী এতিয়াও জোৰালো হৈ আছে। জুবিন গাৰ্গৰ অনুৰাগী আৰু পৰিয়ালৰ এই দাবীয়ে ৰাজ্যৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। জুবিন ক্ষেত্ৰক এক সুন্দৰ, শান্তিপূৰ্ণ আৰু বিশ্বমানৰ স্মৃতি ক্ষেত্ৰ হিচাপে গঢ়ি তোলাটোৱেই এতিয়া সকলোৰে দায়িত্ব বুলি মত প্ৰকাশ হৈছে।

## ৪ দিনত ৩৫০ কিলোমিটাৰ

এলভিছ আলী হাজৰিকাই আন এক অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছে। ৪ দিন ধৰি অবিৰত সাঁতুৰি ৩৫০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি তেওঁ সাগৰীয় সাঁতোৰত নতুন অভিলেখ স্থাপন কৰিছে। এই দুঃসাহসিক অভিযান সম্পন্ন কৰিবলৈ তেওঁ মুঠ ৮০ ঘণ্টা সময় লয়। এলভিছ আলী হাজৰিকাৰ এই অভিযান ৬ ফেব্ৰুৱাৰীৰ পুৱাৰ পৰা আৰম্ভ হৈ ৯ ফেব্ৰুৱাৰীৰ সন্ধিয়ালৈকে চলিছিল। অভিযানৰ সময়ছোৱাত তেওঁ বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। সাগৰত জেলিফিছ্‌ৰ আক্ৰমণৰ সন্মুখীন হোৱাৰ উপৰিও শাৰীৰিক ভাগৰ, অভাৱ আৰু মানসিক চাপৰ সৈতেও যুঁজ দিবলগীয়া হৈছিল। খাদ্য গ্ৰহণ আৰু বিশ্ৰামৰ সুবিধা অতি সীমিত আছিল। কিন্তু সকলো প্ৰতিকূলতা সত্ত্বেও মনোবল অটুট ৰাখি তেওঁ অভিযান অব্যাহত ৰাখিছিল। অভিযান শেষ হোৱাৰ পিছত এলভিছ আলী হাজৰিকাই নিজৰ অনুভৱ প্ৰকাশ কৰি কয়, "এই অভিযান অত্যন্ত কষ্টকৰ আছিল। জেলিফিছ্‌ৰ আক্ৰমণ, ভয়, ভাগৰ আৰু অভাৱৰ মাজতো মই মনোবল নেহেৰুৱাকৈ সাঁতুৰি গৈছিলোঁ। সফলতাই মোৰ মনত অপাৰ আনন্দ দিছে।" এলভিছ আলী হাজৰিকাৰ এই সাফল্য তেওঁৰ দীৰ্ঘদিনীয়া কেৰিয়াৰৰ আন এক মাইলৰ খুঁটি। তেওঁৰ পূৰ্বৰ কিছুমান উল্লেখযোগ্য সাফল্য হ'ল— ১৯৮৯ চনত মাত্ৰ ৭ বছৰ বয়সতে চাব-জুনিয়ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰে, ১৯৯২ চনত চীনত অনুষ্ঠিত এছিয়া-পেচিফিক আন্তঃৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত সোণৰ পদক জয় কৰি প্ৰথম ভাৰতীয় পুৰুষ সাঁতোৰবিদ হিচাপে নাম লিপিবদ্ধ কৰে, ১৯৯৪ চনৰ এছিয়ান চুইমিং চেম্পিয়নশ্বিপত দুটা স্বৰ্ণ পদকসহ মুঠ ছয়টা পদক লাভ কৰে, ইংলিছ চেনেল সাঁতুৰি অভিলেখ গঢ়ি অসমৰ গৌৰৱ বৃদ্ধি কৰে। এইবাৰৰ ৩৫০ কিলোমিটাৰ সাগৰীয় সাঁতোৰ অভিযানে তেওঁৰ কেৰিয়াৰত নতুন অধ্যায় যোগ কৰিছে। অসমৰ লগতে সমগ্ৰ দেশৰ সাঁতোৰপ্ৰেমীসকলে এই সাফল্যক অভিনন্দন জনাইছে। এলভিছ আলী হাজৰিকাৰ এই দুঃসাহসিক অভিযানে যুৱ প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণাৰ উদাহৰণ হৈ পৰিছে। তেওঁৰ অটল মনোবল আৰু অধ্যৱসায়ে প্ৰমাণ কৰিছে যে দৃঢ় সংকল্প থাকিলে যিকোনো প্ৰত্যাহ্বানক জয় কৰিব পাৰি।

## বিধানসভা নিৰ্বাচনৰ পূৰ্বেই

বাবে আবেদন প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে আৰম্ভণি কৰে। অসম চৰকাৰে বিধানসভাত চিলিং আইন সংশোধন কৰি চাহ বাগিচাৰ ভূমি চৰকাৰীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্তৰ পিছতে চাহ শ্ৰমিকসকলক মাটিৰ পট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজিৰ পৰা ৰাজ্যৰ সকলো চাহ বাগিচাত এই আবেদন প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। প্ৰথম পৰ্যায়ত ডিব্ৰুগড় জিলাৰ ১৬৯খন চাহ বাগিচাৰ ৫৮, ৪০১ গৰাকী লোকক আবেদন প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। সমগ্ৰ অসমত ২০খন জিলাৰ ৭১১খন চাহ বাগিচাৰ প্ৰায় ৬ লাখ শ্ৰমিকক এই সুবিধা প্ৰদান কৰাৰ লক্ষ্য ৰখা হৈছে। অনুষ্ঠানত ৰাজহ মন্ত্ৰী কেশৱ মহন্তৰ লগতে উপস্থিত থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চাহ শ্ৰমিকসকলৰ মাজত প্ৰ-পত্ৰ বিতৰণ কৰি ভাষণ প্ৰসংগত কয়, "আজি অসমৰ বাবে আনন্দৰ দিন। আমি বিধানসভাত চিলিং আইন সংশোধন কৰি চাহ বাগিচাৰ ভূমি চৰকাৰীকৰণ কৰিছিলোঁ। আজি দ্বিতীয় পৰ্যায়লৈ আগবাঢ়িলোঁ। আমি আবেদন প্ৰ-পত্ৰ বিতৰণ কৰিলোঁ। প্ৰ-পত্ৰ পূৰণ কৰি চৰকাৰক জমা দিলে মাটিৰ পট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আমি চেষ্টা কৰিম যাতে নিৰ্বাচনৰ আগতেই কিছু হ'লেও পট্টা প্ৰদান কৰিব পাৰোঁ। চাহ শ্ৰমিকসকলে সহযোগিতা কৰিলে নিৰ্বাচনৰ আগতেই মাটিৰ পট্টা লাভ কৰিব।" দীৰ্ঘদিন ধৰি চাহ বাগিচাৰ শ্ৰমিক আৰু বিভিন্ন দল-সংগঠনে কম মজুৰিত কাম কৰি ৰাজ্য আৰু দেশৰ অৰ্থনীতিত অৱদান আগবঢ়োৱাৰ বিনিময়ত ভূমিৰ অধিকাৰৰ দাবী উত্থাপন কৰি আহিছিল। প্ৰতিবাদ, আন্দোলনৰ পিছত চৰকাৰৰ এই সিদ্ধান্তক চাহ জনগোষ্ঠীৰ বাবে এক ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰা হৈছে। অনুষ্ঠানত উপস্থিত চাহ শ্ৰমিকসকলৰ মাজত আনন্দৰ লহৰ দেখা গৈছে। বহুতে এই পদক্ষেপক "দাসত্বৰ অন্ত" বুলি অভিহিত কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰে ২০২৬ বিধানসভা নিৰ্বাচনৰ পূৰ্বে চাহ জনগোষ্ঠীৰ মাজত সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতি পালনৰ দিশে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে।

## আজিৰে পৰা হাইস্কুল

পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪,৩৮,৫৬৫ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১,৯০,২৪৩ জন ছাত্ৰ আৰু ২,৪৮,৩২২ গৰাকী ছাত্ৰী অন্তৰ্ভুক্ত। পৰীক্ষা সমাপ্ত হোৱাৰ পিছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন মণ্ডলত উত্তৰপত্ৰসমূহ মূল্যায়ন কৰা হ'ব। এই পৰীক্ষাৰ লগতে ১১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব উচ্চতৰ মাধ্যমিক (HS) চূড়ান্ত বৰ্ষৰ পৰীক্ষা। এই পৰীক্ষা ১৬ মাৰ্চলৈ অনুষ্ঠিত হ'ব। কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাত মুঠ ৩,৩০,৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। কলা শাখাত ২, ৪৭, ৮৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব যাৰ ভিতৰত ১,০২,৬৪৮জন ছাত্ৰ, ১,৪৫,২১৬ গৰাকী ছাত্ৰী আৰু তৃতীয় লিংগৰ এজন পৰীক্ষাৰ্থী। বিজ্ঞান শাখাত মুঠ ৬১,৫৬৮ গৰাকী পৰীক্ষাৰ্থী (৩৪, ৮০১ ছাত্ৰ, ২৬,৭৬৬ ছাত্ৰী আৰু তৃতীয় লিংগৰ এগৰাকী), বাণিজ্য শাখাত ১৯,৮০৬ গৰাকী (১৩,৭৮২ ছাত্ৰ আৰু ৬,০২৪ ছাত্ৰী) আৰু বৃত্তিমুখী শাখাত ১,৫০৫ গৰাকী পৰীক্ষাৰ্থী (৮৮৭ ছাত্ৰ আৰু ৬১৮ ছাত্ৰী) অৱতীৰ্ণ হ'ব। HS পৰীক্ষাৰ উত্তৰপত্ৰ মূল্যায়ন ৪৮টা মণ্ডলত কৰা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যথাযথ নিৰাপত্তা আৰু প্ৰস্তুতি সম্পন্ন কৰা হৈছে। পৰীক্ষাৰ্থীসকলে নিজৰ প্ৰৱেশ পত্ৰ, পৰিচয় পত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী লৈ সময়মতে কেন্দ্ৰত উপস্থিত হ'ব লাগিব। পৰীক্ষাৰ সময়সূচী SEBAৰ অফিচিয়েল ৱেবচাইটত উপলব্ধ। এইপৰীক্ষাৰ ফলাফলৰ পিছতে অসমৰ শিক্ষা ব্যৱস্থাৰ ওপৰত নতুন দিশৰ সূচনা হ'ব বুলি আশা কৰা হৈছে। পৰীক্ষাৰ্থী আৰু অভিভাৱকসকলক শুভকামনা জনোৱা হৈছে।

## বিচিচিআইৰ ২০২৫-২৬ চুক্তি তালিকা প্ৰকাশ

বাৰ্ষিক কেন্দ্ৰীয় চুক্তিৰ তালিকা আজি ঘোষণা কৰিছে। এই চুক্তিৰ ম্যাদ ১ অক্টোবৰ ২০২৫ৰ পৰা ৩০ ছেপ্টেম্বৰ ২০২৬লৈকে বৈধ থাকিব। এইবাৰৰ তালিকাত আটাইতকৈ ডাঙৰ আচৰিত পৰিৱৰ্তন হৈছে পূৰ্বৰ এ+ গ্ৰেড সম্পূৰ্ণৰূপে বাতিল কৰি দিয়া। ফলত দীৰ্ঘদিন ধৰি সৰ্বোচ্চ গ্ৰেডত থকা মহাতাৰকা বিৰাট কোহলী আৰু ৰোহিত শৰ্মাক গ্ৰেড 'বি'ত স্থান দিয়া হৈছে। টেষ্ট আৰু টি-২০ ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ বাবেই দুয়োগৰাকীক এই গ্ৰেডত ৰখা হৈছে বুলি জানিব পৰা গৈছে, কাৰণ তেওঁলোকে এতিয়া কেৱল একদিনীয়া আন্তৰ্জাতিক (ওডিআই) ফৰ্মেটতহে খেলে। পুৰুষ দলৰ গ্ৰেড 'এ'ত স্থান লাভ কৰিছে মাত্ৰ তিনিজন খেলুৱৈয়ে— শুভমন গিল, জসপ্ৰিত বুমৰাহ আৰু ৰবীন্দ্ৰ জাদেজা। এই তিনিজনকেই এতিয়া শীৰ্ষ গ্ৰেডৰ প্ৰতিনিধিত্ব কৰিছে। গ্ৰেড 'বি'ত স্থান পাইছে ৰোহিত শৰ্মা, বিৰাট কোহলী, কে এল ৰাহুল, ৱাশিংটন সুন্দৰ, মহম্মদ ছিৰাজ, হাৰ্দিক পাণ্ড্য, ঋষভ পন্ত, কুলদীপ যাদৱ, যশস্বী জয়ছৱাল, সূৰ্যকুমাৰ যাদৱ আৰু শ্ৰেয়স আইয়াৰৰ দৰে গুৰুত্বপূৰ্ণ খেলুৱৈসকলে। গ্ৰেড 'চি'ত অন্তৰ্ভুক্ত হৈছে অক্ষৰ পেটেল, তিলক ভৰ্মা, ৰিংকু সিং, শিৱম দুবে, সঞ্জু ছেমচন, অৰ্শদীপ সিং, প্ৰসিদ্ধ কৃষ্ণা, আকাশ দীপ, ধ্ৰুৱ জুৰেল, হৰ্ষিত ৰানা, বৰুণ চক্ৰৱৰ্তী, নীতীশ কুমাৰ ৰেড্ডী, অভিষেক শৰ্মা, ছাই সুধৰ্শন, ৰবি বিষ্ণোই আৰু ঋতুৰাজ গায়কোৱাড। এই তালিকাত মুঠ ৩০জন পুৰুষ খেলুৱৈক স্থান দিয়া হৈছে, যিটো আগৰ বছৰৰ ৩৪ জনৰ পৰা কম। মহম্মদ ছামী, ইশান কিষাণ, সৰফৰাজ খান, ৰজত পাটিদাৰ আৰু মুকেশ কুমাৰৰ দৰে কেইবাজনো খেলুৱৈয়ে এইবাৰ চুক্তিৰ তালিকাত স্থান লাভ কৰিব পৰা নাই। ছাই সুধৰ্শন এই তালিকাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা একমাত্ৰ খেলুৱৈ। মহিলা দলৰ ক্ষেত্ৰত গ্ৰেড 'এ'ত হৰমনপ্ৰীত কৌৰ, স্মৃতি মান্ধানা, জেমিমাহ ৰড্ৰিগেছ আৰু দীপ্তি শৰ্মাক স্থান দিয়া হৈছে। গ্ৰেড 'বি' আৰু 'চি'ত অন্যান্য খেলুৱৈসকলক স্থান দিয়া হৈছে, য'ত মুঠ ২১জন মহিলা ক্ৰিকেটাৰ অন্তৰ্ভুক্ত। এই ঘোষণাই ভাৰতীয় ক্ৰিকেটত প্ৰজন্মান্তৰণৰ স্পষ্ট সংকেত দিছে। শুভমন গিলৰ দৰে যুৱ খেলুৱৈয়ে শীৰ্ষ স্থান লাভ কৰাৰ লগতে পুৰণি তাৰকাসকলৰ গ্ৰেড হ্ৰাসে ক্ৰিকেট মহলত ব্যাপক আলোড়ন সৃষ্টি কৰিছে। বিচিচিআইৰ এই সিদ্ধান্তক বহুতে প্ৰশংসা কৰিছে যদিও কোহলী-ৰোহিতৰ অনুৰাগীসকলৰ মাজত কিছু অসন্তোষ দেখা গৈছে।

## গৌৰৱ গগৈৰ বিৰুদ্ধে

জাষ্টিচ ক'ৰ্টত গোচৰ দিয়াৰ স্পষ্ট হুংকাৰ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে যদি গৌৰৱ গগৈয়ে তেওঁৰ বিৰুদ্ধে গোচৰ তৰে, তেন্তে তেৰোঁ গৌৰৱ গগৈৰ বিৰুদ্ধে গোচৰ তৰিব আৰু সেই গোচৰ জুভেনাইল জাষ্টিচ ক'ৰ্টত হ'ব। এই মন্তব্য মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ৰ টিংখাঙত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ অনুষ্ঠানত চেক বিতৰণ কৰি ভাষণ দিয়াৰ সময়ত প্ৰকাশ কৰে। তেওঁ কয়, "মই যদি কিবা অসত্য কথা কৈছোঁ তেন্তে মই ওলোটাই জুভেনাইল জাষ্টিচ কেছ কৰিম যে ল'ৰা-ছোৱালী দুজন ডাঙৰ নোহোৱাকৈ তেওঁলোকৰ ধৰ্ম আৰু নাগৰিকত্ব বাপেক-মাকে কেনেকৈ পৰিৱৰ্তন কৰিলে। গৌৰৱ গগৈৰ ওপৰত মই জুভেনাইল জাষ্টিচ ক'ৰ্টত কেছ দিম যে বাপেক-মাকৰ অধিকাৰ আছেনে নাই ল'ৰা-ছোৱালীৰ নাগৰিকত্ব সলনি কৰাৰ।" মুখ্যমন্ত্ৰীয়ে আৰু কয় যে এজন প্ৰাপ্তবয়স্ক ল'ৰাৰ ধৰ্ম আৰু নাগৰিকত্ব সলনি হ'ব পাৰে, কিন্তু সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বাপেক-মাকে কেনেকৈ এনে সিদ্ধান্ত ল'ব পাৰে। "যদি গৌৰৱ গগৈয়ে জুভেনাইল জাষ্টিচ ক'ৰ্টত কেছ দিয়ে মই আদৰণি জনাম, তেতিয়া ডিবেট ডাঙৰ হ'ব। ল'ৰাৰ ১৮ বছৰ বয়স হোৱালৈকে গৌৰৱ গগৈ ৰখিব লাগিছিল। এতিয়া গোচৰ গৌৰৱ গগৈৰ ওপৰত হ'ব। তেওঁ ল'ৰা-ছোৱালী দুজনক শোষণ কৰি আছে। কাৰণ ল'ৰা-ছোৱালীয়ে অনুমতি দিয়াৰ আগতে তেওঁলোকৰ জাতি, ধৰ্ম সলনি কৰা হৈছে। গৌৰৱ গগৈৰ ওপৰত ডাঙৰ কেছ হ'ব", মুখ্যমন্ত্ৰীয়ে যোগ কৰে। এই প্ৰতিক্ৰিয়া গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ অভিযোগৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সংবাদমেলৰ পিছত আহিছে। মুখ্যমন্ত্ৰীয়ে ৰাজহুৱাকৈ গৌৰৱ গগৈৰ পুত্ৰৰ ফটো আৰু তথ্য প্ৰকাশ কৰাৰ অভিযোগ তুলি গৌৰৱ গগৈয়ে সোমবাৰে সংবাদমেলত আইনৰ কাষ চাপিম বুলি কোৱাৰ পিছতে মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰত্যুত্তৰ দিয়ে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ যুৱ উদ্যমীসকলৰ মাজত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম কিস্তিৰ চেক বিতৰণ কৰে। তেওঁ কয় যে আজি ১০, ৩৩০ যুৱক-যুৱতীক প্ৰথম কিস্তিৰ চেক দিয়া হৈছে আৰু এই ধন ভালদৰে ব্যৱহাৰ কৰিলে যুৱক-যুৱতীসকলে উপকৃত হ'ব। অসম চৰকাৰে দ্বিতীয়বাৰৰ বাবে এই অভিযান আৰম্ভ কৰিছে যাতে যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰ কৰি তোলাৰ লক্ষ্য ৰখা হৈছে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত সফল উদ্যমীসকলৰ উদাহৰণ দি ভাষণ দিয়ে। এই ৰাজনৈতিক বিতৰ্কৰ মাজতে অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে।

## ল'ৰা-ছোৱালীক পুনৰ হিন্দু ধৰ্মলৈ ঘূৰাই আনক, পত্নীক ভাৰতীয়

গৌৰৱ গগৈক উদ্দেশ্য কৰি কয় যে তেওঁৰ ল'ৰা-ছোৱালীক পুনৰ হিন্দু ধৰ্মলৈ ঘূৰাই আনিব লাগে আৰু পত্নীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিব লাগে। গোৱালপাৰা চহৰৰ দুৰ্গামন্দিৰস্থিত বাজপেয়ী ভৱনত ভাৰতীয় জনতা পাৰ্টিৰ দলীয় কৰ্মী সভাত যোগদান কৰি সংবাদ মাধ্যমৰ আগত মন্ত্ৰী পীযুষ হাজৰিকাই কয়, "গৌৰৱ গগৈয়ে নিজৰ ল'ৰা-ছোৱালীৰ ধৰ্ম কিয় সলনি কৰি দিলে? তৰুণ গগৈৰ নাতি-নাতনিৰ এজনো আজি হিন্দু নহয়। গৌৰৱ গগৈয়ে নিজে এখন চিঠি লিখি কৈছে যে তেওঁ এতিয়া হিন্দু নহয়। এটা পৰিয়ালৰ চাৰিজন সদস্যৰ ভিতৰত তিনিজন বিদেশী, তিনিগৰাকী হিন্দু নহয়। এজন হিন্দু আৰু এজন ভাৰতীয়। গৌৰৱ গগৈ নিজৰ পৰিয়ালৰ ভিতৰতে সংখ্যালঘু হৈ পৰিছে।" তেওঁ আৰু কয়, "এনে ব্যক্তিয়ে অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখে। যি ব্যক্তিৰ পৰিয়ালৰ তিনিগৰাকীয়ে ভাৰতীয় ৰাষ্ট্ৰীয় পতাকাক চেলুট দিব নালাগে, ৰাষ্ট্ৰীয় সংগীতৰ সময়ত থিয় হ'ব নালাগে— এনে ব্যক্তিৰ পৰিয়ালৰ সদস্যসকলক বিদেশী বুলি কোৱা হয়। আমি ভাৰতীয়সকলে ৰাষ্ট্ৰীয় পতাকা দেখিলে চেলুট দিওঁ, ৰাষ্ট্ৰীয় গান শুনিলে থিয় হওঁ। কিন্তু বিদেশীজনে এনে কৰিব নালাগে।" মন্ত্ৰী হাজৰিকাই গৌৰৱ গগৈক উদ্দেশ্য কৰি আহ্বান জনাই কয়, "গৌৰৱ গগৈ ডাঙৰীয়া, এতিয়াও সময় আছে। আপোনাক অনুৰোধ কৰিছোঁ— যেনেকৈ আপোনাৰ দলৰ নেত্ৰী ছোনীয়া গান্ধীয়ে ইটালিয়ান নাগৰিকত্ব এৰি ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰিছিল, ঠিক তেনেদৰে আপুনি নিজৰ পত্নীক ভাৰতীয় নাগৰিকত্ব দিয়ক। ল'ৰা-ছোৱালীকেইটাক পুনৰ হিন্দু ধৰ্মলৈ ঘূৰাই আনক। তেওঁলোকৰ পাছপ'ৰ্টত খ্ৰীষ্টান বুলি উল্লেখ আছে। যদি পাৰে ভাৰতীয় পৰম্পৰা শিকাওক, অসমৰ পৰম্পৰাক সন্মান কৰক, আহোম পৰম্পৰাক সন্মান কৰিবলৈ শিকক।" এই মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভক লৈ কৰা সংবাদমেলৰ পিছত আহিছে। গৌৰৱ গগৈয়ে সেই সংবাদমেলক "ফ্লপ শ্ব" বুলি কটাক্ষ কৰাৰ প্ৰতিক্ৰিয়া স্বৰূপে মন্ত্ৰী পীযুষ হাজৰিকাই এই তীব্ৰ মন্তব্য কৰে। উল্লেখ্য যে মন্ত্ৰী হাজৰিকা গোৱালপাৰাত বিজেপিৰ দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰি আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে। সভাৰ অন্তত সংবাদমাধ্যমৰ আগত গৌৰৱ গগৈৰ পৰিয়ালৰ বিদেশী আৰু ধৰ্ম সলনিৰ বিষয়টোক লৈ এই মন্তব্য আগবঢ়ায়। এই ৰাজনৈতিক বিতৰ্কৰ মাজতে অসমত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰু প্ৰতিক্ৰিয়া তীব্ৰতৰ হৈ পৰিছে।

## দিল্লী খালিস্তান হ'ব! ই-মেইল

ভাবুকিপূৰ্ণ ই-মেইল প্ৰেৰণ কৰা হৈছে। এই ধাৰাবাহিক ভাবুকিৰ ফলত বিদ্যালয়সমূহত তীব্ৰ আতংকৰ সৃষ্টি হৈছে আৰু নিৰাপত্তা বাহিনীয়ে জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। প্ৰাথমিক অনুসন্ধানত ভাবুকিসমূহ ভুৱা ('হোৱে') বুলি নিশ্চিত কৰা হৈছে যদিও তদন্ত অব্যাহত আছে। দিল্লী ফায়াৰ সাৰ্ভিচ (DFS) আৰু আৰক্ষীৰ মতে, ৰাতিপুৱা ৮: ৩০ বজাৰ পৰা ৯: ০০ বজাৰ ভিতৰত কমেও ৯টাৰ পৰা ১৫টা বিদ্যালয়ত এনে ভাবুকিপূৰ্ণ ই-মেইল লাভ কৰা হৈছে। ভাবুকি প্ৰাপ্ত বিদ্যালয়সমূহৰ ভিতৰত আছে— দিল্লী কেণ্টনমেণ্টৰ লৰেটো কনভেণ্ট স্কুল, ৰোহিনীৰ ভেংকটেশ্বৰ গ্ল'বেল স্কুল, শ্ৰীনিবাসপুৰী আৰু নিউ ফ্ৰেইণ্ডছ কলনীৰ কেমব্ৰিজ স্কুল, সাদিক নগৰৰ দ্য ইণ্ডিয়ান স্কুল, ৰোহিনীৰ ছিএম শ্ৰী স্কুল, আইএনএৰ ডিটিইএ স্কুল, ৰোহিনীৰ বাল ভাৰতী স্কুল, নিউ ৰজিন্দৰ নগৰৰ মানৱ স্থলী স্কুল আদি। কিছুমান সূত্ৰ অনুসৰি মুঠ ১৫টা বিদ্যালয়ত এনে ভাবুকি আহিছে, য'ত চৰকাৰী আৰু ব্যক্তিগত দুয়োটা ধৰণৰ বিদ্যালয় অন্তৰ্ভুক্ত। ভাবুকিপূৰ্ণ ই-মেইলত উল্লেখ কৰা হৈছে যে "দিল্লী খালিস্তান হৈ পৰিব", "পঞ্জাৱ হৈছে খালিস্তান", "আফজাল গুৰুৰ স্মৃতিত" আদি। ই-মেইলত নিজকে "খালিস্তান জাতীয় সেনা" বুলি পৰিচয় দিয়া হৈছে। ভাবুকিত কোৱা হৈছে যে দিনৰ ১: ১১ বজাত বিদ্যালয়সমূহত বিস্ফোৰণ হ'ব আৰু ১৩ ফেব্ৰুৱাৰীত একে সময়তে সংসদ ভৱনতো বিস্ফোৰণৰ আশংকা আছে। ভাবুকি লাভ কৰাৰ লগে লগে দিল্লী আৰক্ষীক অৱগত কৰা হয়। অগ্নিনিৰ্বাপক বাহিনী, বোমা নিষ্কাষণ দল (বোমা ডিসপ'জেল স্কোৱাড), স্নিফাৰ ডগ ইউনিট আদি তৎকালীনভাৱে বিদ্যালয়সমূহলৈ প্ৰেৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলক নিৰাপদ স্থানলৈ উলিয়াই নিয়া হয়। বিস্তৃত অনুসন্ধান আৰু পৰীক্ষাৰ পিছত একো বিপজ্জনক বস্তু বা বিস্ফোৰক পদাৰ্থ পোৱা নগ'ল। বেছিভাগ ক্ষেত্ৰতে ভাবুকিসমূহ ভুৱা বুলি ঘোষণা কৰা হৈছে। এই ঘটনাৰ লগে লগে ভাৰতৰ বিভিন্ন মহানগৰত বিদ্যালয় আৰু ৰাজহুৱা স্থানত ধাৰাবাহিকভাৱে অহা ভুৱা বোমা ভাবুকিৰ ধাৰা অব্যাহত আছে। ২৯ জানুৱাৰীতো দিল্লীৰ কেইবাখনো বিদ্যালয়ত (লৰেটো কনভেণ্ট, ডন বস্কো, আনন্দ নিকেতন, কাৰ্মেল কনভেণ্ট আদি) একে ধৰণৰ ভাবুকি আহিছিল, যিবোৰ পিছত ভুৱা বুলি প্ৰমাণিত হৈছিল। ২৮ জানুৱাৰীত দ্বাৰকা আদালত চৌহদতো ভাবুকি পোৱা গৈছিল। একে সময়তে সোমবাৰে বিহাৰৰ পাটনা চিভিল ক'ৰ্টতো বোমা বিস্ফোৰণৰ ভাবুকিপূৰ্ণ ই-মেইল লাভ কৰা হৈছে। ভাবুকিত তিনিটা আৰডিএ' আইইডি বিস্ফোৰণৰ কথা উল্লেখ কৰি নিজকে নিষিদ্ধ LTTEৰ সদস্য বুলি দাবী কৰা হৈছে। কৰ্তৃপক্ষই আদালত চৌহদ খালী কৰি নিৰাপত্তা পৰীক্ষা চলাইছে। প্ৰাথমিকভাৱে এইটোও ভুৱা বুলি ধৰা হৈছে। দিল্লী আৰক্ষীয়ে জনাইছে যে এনে ভুৱা ভাবুকি প্ৰেৰণ কৰাসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ই-মেইলৰ উৎস চিনাক্ত কৰিবলৈ তদন্ত চলি আছে। এনে ঘটনাই জৰুৰীকালীন সেৱাসমূহক অত্যধিক চাপত পেলাইছে আৰু অভিভাৱক তথা বিদ্যালয় কৰ্তৃপক্ষৰ মাজত ভয়ৰ পৰিৱেশ সৃষ্টি কৰিছে। বিদ্যালয়সমূহে নিৰাপত্তা ব্যৱস্থা আৰু অধিক কঠোৰ কৰাৰ কথা জানিবলৈ দিছে।

## মুখ্যমন্ত্ৰীৰ বন্দুকৰ গুলীৰে

কৰিছে অসম জাতীয় পৰিষদে। দলটোৱে অভিযোগ কৰিছে যে উক্ত ভিডিঅ'টোৰ জৰিয়তে বিজেপিয়ে অসমত সাম্প্ৰদায়িক হিংসাৰ উচটনি দিয়াৰ চেষ্টা চলাইছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে বিজেপিৰ অফিচিয়েল ফেচবুক আৰু টুইটাৰ (এক্স) একাউণ্টত আপলোড কৰা ভিডিঅ'টোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হাতত থকা বন্দুকৰ পৰা গুলী ওলোৱাৰ দৃশ্য দেখুৱাই তাৰ লগত "পইণ্ট ব্লেংক শ্বট" বুলি কেপচন দিয়া হৈছিল। এই দৃশ্যত গুলীয়ে নিৰ্দিষ্ট কিছু সংখ্যক লোকক টাৰ্গেট কৰাৰ ইংগিত দিয়া বুলি দলটোৱে অভিযোগ কৰে। দলৰ নেতাদ্বয়ে কয় যে এনে ভিডিঅ'ৰ জৰিয়তে বিজেপিয়ে অসমত হত্যা আৰু হিংসাৰ জংঘলৰাজ প্ৰতিষ্ঠাৰ বাৰ্তা দিব বিচাৰিছে। বিজেপিৰ এই প্ৰচাৰপ উদ্দেশ্য আৰু মানসিকতাক তীব্ৰ গৰিহণা দি তেওঁলোকে কয়, "যি সময়ত ৰাজ্যৰ নাগৰিকসকলে শান্তি, সম্প্ৰীতি আৰু সমৃদ্ধিৰ বাবে আকাংক্ষা কৰি আছে, ঠিক তেনে সময়ত শাসনাধিষ্ঠিত দলে এনে উচটনিমূলক ভিডিঅ' প্ৰচাৰ কৰি ৰাজ্যত অশান্তিৰ বাতাবৰণ সৃষ্টি কৰিব বিচাৰিছে।" অসম জাতীয় পৰিষদে এই ঘটনাক অতি গুৰুতৰ বুলি অভিহিত কৰি অসম আৰক্ষীক আহ্বান জনাইছে যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি স্বতঃপ্ৰণোদিতভাৱে (suo motu) বিজেপিৰ নেতৃত্বৰ বিৰুদ্ধে হত্যা-হিংসাৰ উচটনি দিয়াৰ অপৰাধত গোচৰ ৰুজু কৰা হওক। দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয়, "বিজেপিৰ এই কাৰ্যই ৰাজ্যৰ শান্তি-সম্প্ৰীতিৰ বাবে বিপদজনক। ৰাইজৰ মাজত ভয় আৰু বিভাজন সৃষ্টি কৰাৰ এই ধৰণৰ প্ৰচাৰ অগ্ৰাহ্য কৰিব নোৱাৰি। আৰক্ষীয়ে অবিলম্বে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।" উক্ত ভিডিঅ'টো বিজেপিৰ অফিচিয়েল চ'চিয়েল মিডিয়া একাউণ্টত কিছু সময় পোষ্ট কৰাৰ পিছতে ডিলিট কৰা হৈছিল। কিন্তু ইতিমধ্যে ভাইৰেল হোৱা এই ভিডিঅ'ই ৰাজ্যত বিতৰ্কৰ সৃষ্টি কৰিছে। অসম জাতীয় পৰিষদৰ এই প্ৰতিক্ৰিয়াই ২০২৬ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তেজনাক অধিক তীব্ৰতৰ কৰি তুলিছে। অসম জাতীয় পৰিষদে এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি প্ৰতিবাদৰ কাৰ্যসূচী ঘোষণা কৰিব বুলিও ইংগিত দিছে।

## ছেইচেলছৰ ৰাষ্ট্ৰপতি ড°

কৰি দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আলোচনা চলাইছে। এই ভ্ৰমণ ছেইচেলছৰ ৰাষ্ট্ৰপতি হিচাপে হাৰমিনিৰ প্ৰথম ভাৰত ভ্ৰমণ আৰু দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৫০ বছৰ পূৰ্তি উদযাপনৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হৈছে। ভ্ৰমণৰ অংশ হিচাপে ৰাষ্ট্ৰপতি হাৰমিনিয়ে দিল্লীত উপস্থিত হোৱাৰ পিছত ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে তেওঁ চেন্নাই আৰু মুম্বাইত নিজৰ কাৰ্যসূচী সম্পূৰ্ণ কৰিছে। দেওবাৰে দিল্লীত উপস্থিত হোৱাৰ পিছত তেওঁৰ ভ্ৰমণ ১০ ফেব্ৰুৱাৰীলৈকে অব্যাহত থাকিব। সোমবাৰে পুৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে ৰাষ্ট্ৰপতি হাৰমিনিৰ সৈতে সাক্ষাৎ কৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ নিয়ে আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাননা দিয়ে যে ছেইচেলছ ভাৰতৰ এক গুৰুত্বপূৰ্ণ সামুদ্ৰিক চুবুৰীয়া আৰু ভাৰত মহাসাগৰীয় অঞ্চলত (ভিজন মহাসাগৰ বা MAHASAGAR) এক অপৰিহাৰ্য অংশীদাৰ। বিশ্বব্যাপী দক্ষিণৰ প্ৰতি ছেইচেলছৰ প্ৰতিশ্ৰুতিৰ কথাও উল্লেখ কৰা হৈছে। ভ্ৰমণৰ আৰম্ভণিতে চেন্নাইত ৰাষ্ট্ৰপতি হাৰমিনিয়ে ছেইচেলছৰ স্বাস্থ্য মন্ত্ৰী মাৰভিন ন'লান ফাননি আৰু ছিমছ হাস্পতালৰ অধ্যক্ষ ৰবি পাচামুথুৰ সৈতে সাক্ষাৎ কৰে। তেওঁলোকে চুপাৰ-স্পেচিয়েলিটি মেডিকেল আউটৰিচ, হাস্পতাল আন্তঃগাঁথনি উন্নয়ন, ডিজিটেল স্বাস্থ্য সংহতকৰণ, কৰ্মশক্তি সমৰ্থন, সুলভ ঔষধ আৰু ডায়েলিছী সম্প্ৰসাৰণৰ দৰে ক্ষেত্ৰত দীৰ্ঘম্যাদী সহযোগিতাৰ ৰোডমেপ নিয়ে আলোচনা কৰে। লক্ষ্য আছিল ছেইচেলছত স্বাস্থ্যসেৱা ব্যৱস্থা শক্তিশালী কৰা। মুম্বাইত তেওঁ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে সাক্ষাৎ কৰি ভাৰত-ছেইচেলছ ব্যৱসায়িক ঘূৰণীয়া মেজত অংশগ্ৰহণ কৰে। আলোচনাত বিনিয়োগৰ সুযোগ, সামুদ্ৰিক বাণিজ্য, নীল অৰ্থনীতি আৰু বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। নতুন দিল্লীত থকা সময়ছোৱাত ৰাষ্ট্ৰপতি হাৰমিনিয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৰ সৈতে সাক্ষাৎ কৰে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বিস্তৃত আলোচনাত মিলিত হয়। আলোচনাত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালীকৰণৰ লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহত মত বিনিময় কৰা হয়। ভাৰতে ছেইচেলছৰ উন্নয়ন আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে সদায় সাজু থকাৰ কথা পুনৰবাৰ ঘোষণা কৰে। এই ভ্ৰমণে ভাৰত আৰু ছেইচেলছৰ মাজত সহযোগিতাৰ নতুন দিগন্ত মেলি দিছে, বিশেষকৈ স্বাস্থ্য, বাণিজ্য, সামুদ্ৰিক সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত।

## চুবুৰীয়া ৰাজ্য মণিপুৰত

কৰা হৈছে। প্ৰশাসনৰ মতে, দেওবাৰে নিশা আৰু সোমবাৰে এই ঘটনা সংঘটিত হৈছে, য'ত কমেও ২০টাৰ পৰা ৩০টা বাসগৃহ ছাইত পৰিণত হৈছে। কিছুমান সূত্ৰ অনুসৰি এই সংখ্যা আৰু অধিক হ'ব পাৰে। ঘটনাৰ আৰম্ভণি হৈছিল শনিবাৰে সন্ধিয়া এটা সৰু সংঘৰ্ষৰ পৰা। লিটন ছাৰিখং গাঁৱত টাংখুল নগা সম্প্ৰদায়ৰ এজন সদস্যক এদল লোকে আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। ইয়াৰ পিছতে দুৰ্বৃত্তই অস্ত্ৰধাৰী হৈ কেইবাটাও ঘৰত অগ্নিসংযোগ কৰে। দেওবাৰে সন্ধিয়া আৰু নিশাৰ ভাগত নগা আৰু কুকি জনজাতিৰ লোকৰ মাজত শিলাবৰ্ষণ আৰু সংঘৰ্ষ হয়, যাৰ ফলত পৰিস্থিতি অনিয়ন্ত্ৰিত হৈ পৰে। এই সংঘৰ্ষত দুয়োটা সম্প্ৰদায়ৰ ঘৰ জুইত জহি যায়—প্ৰায় ২০টা টাংখুল নগাৰ আৰু কেইটামান কুকিৰ। কিছুমান চৰকাৰী কোৱাৰ্টাৰ, ব্যক্তিগত বাহন আৰু ৰাজহুৱা সম্পত্তিও ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিছে। উখৰুলৰ জিলা দণ্ডাধীশ আশিস দাসে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS), ২০২৩ৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞাত সাধাৰণ লোকক ঘৰৰ পৰা বাহিৰলৈ ওলোৱা নিষিদ্ধ কৰা হৈছে আৰু যিকোনো ধৰণৰ জমায়েত, অস্ত্ৰ ব্যৱহাৰ বা আইন-শৃংখলা বিঘ্নিত কৰিব পৰা কাৰ্যকলাপ সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰা হৈছে। পৰৱৰ্তী আদেশ নোহোৱালৈকে এই নিষেধাজ্ঞা বলবৎ থাকিব। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অতিৰিক্ত কেন্দ্ৰীয় আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। লিটন আৰক্ষী থানাৰ ওচৰত স্থানীয় বাসিন্দা আৰু প্ৰশাসনৰ মাজত জৰুৰী বৈঠক অনুষ্ঠিত হৈছে। নিৰাপত্তাৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰি জনতাক ছত্ৰভংগ কৰিছে। লগতে ইম্ফল-উখৰুল পথত যাতায়াতৰ অসুবিধাৰ কথা মনত ৰাখি মণিপুৰ চৰকাৰে বিশেষ হেলিকপ্টাৰ সেৱা আৰম্ভ কৰিছে। মঙলবাৰে এই সেৱা চলোৱা হৈছে আৰু ১১ ফেব্ৰুৱাৰীতো অধিক হেলিকপ্টাৰ যোগান ধৰাৰ পৰিকল্পনা কৰা হৈছে। অতিৰিক্ত মুখ্য সচিব (পৰিবহণ) অনুৰাগ বাজপেয়ীয়ে জাননী জাৰি কৰি কয় যে ৰাইজৰ নিৰৱচ্ছিন্ন যাতায়াতৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই অশান্ত অঞ্চলত উপ-মুখ্যমন্ত্ৰী লোছি দিখোৱে শিবিৰ পাতি স্থানীয় নেতা আৰু জনসাধাৰণৰ সৈতে আলোচনা চলাই আছে। ফুটহিলছ নগা সমন্বয় সমিতি (FNCC) আৰু যুটীয়া জনজাতি পৰিষদৰ নেতাসকলৰ সৈতে তেওঁ বৈঠক কৰিছে। বিজেপিৰ শীৰ্ষ নেতা এল নিউমাইৰ উপস্থিতিত এই আলোচনা চলিছে, যাতে উত্তেজনা হ্ৰাস কৰিব পৰা যায়। এই ঘটনাই মণিপুৰৰ চলি থকা জাতিগত উত্তেজনাক পুনৰ উজ্জ্বল কৰি তুলিছে। নতুন চৰকাৰ গঠন হোৱাৰ মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে এনে হিংসাৰ সৃষ্টি হোৱাত ৰাইজৰ মাজত তীব্ৰ অসন্তোষ দেখা গৈছে। প্ৰশাসনে শান্তি পুনঃস্থাপনৰ বাবে সকলো প্ৰয়াস চলাই আছে যদিও পৰিস্থিতি এতিয়াও সংবেদনশীল হৈ আছে।

## তৰুণ গগৈৰ পুত্ৰ হোৱাৰ

প্ৰশ্ন উত্থাপন কৰি কয় যে তেওঁ এছ আই টিৰ (Special Investigation Team) সৈতে সাক্ষাৎ কৰিছিলনে নাই— সেই বিষয়ে স্পষ্টভাৱে কোৱা নাই। যোৰহাট আৰ্বত ভৱনত আজি অনুষ্ঠিত এক সংবাদমেলত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয়, "গৌৰৱ গগৈয়ে নিজৰ পাকিস্তান ভ্ৰমণৰ কথা প্ৰধানমন্ত্ৰী বা কোনো কূটনীতিবিদৰ বিদেশ ভ্ৰমণৰ লগত তুলনা কৰিব বিচাৰিছে। কিন্তু প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ সময়ত সকলো তথ্য সামাজিক মাধ্যমত ৰাজহুৱা হয়। অথচ গৌৰৱ গগৈ দহ দিন ধৰি পাকিস্তানত থাকিল আৰু সেই সময়ত কোনো মাধ্যমতে তথ্য পোৱা নগ'ল।" তেওঁ আৰু কয়, "সেই সময়ত গৌৰৱ গগৈ সাংসদো নাছিল। কেৱল প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ হোৱাৰ সুযোগ লৈহে তেওঁ পাকিস্তানলৈ গৈছিল।" মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈৰ সামাজিক মাধ্যমৰ সক্ৰিয়তাক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "পাকিস্তান ভ্ৰমণৰ আগদিনলৈকে গৌৰৱ গগৈ সামাজিক মাধ্যমত সক্ৰিয় আছিল। কিন্তু দহ দিন ধৰি তেওঁ সম্পূৰ্ণ অন্ধকাৰত আছিল। ভ্ৰমণৰ পিছত পুনৰ সক্ৰিয় হৈ পৰিল। এই দহ দিনত কি কৰিছিল— সেই তথ্য ৰাজহুৱা কৰক।" মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গৌৰৱ গগৈৰ ভিছাৰ তথ্য উল্লেখ কৰি কয় যে ভিছাত তিনিখন স্থানৰ উল্লেখ আছিল, কিন্তু তেওঁ তক্ষশীলা (ৰাৱালপিণ্ডিত অৱস্থিত) ভ্ৰমণ কৰিছিল। তেওঁ প্ৰশ্ন কৰে, "দহ দিনত কি কৰিছিল? অন্যান্য স্থান ভ্ৰমণৰ অনুমতি কাৰ পৰা লাভ কৰিছিল? এই সকলো বিষয়ে স্পষ্ট উত্তৰ দিয়া উচিত।" মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈৰ সনাতনী ধৰ্মৰ প্ৰচাৰক হিচাপে নিজকে উপস্থাপন কৰাৰ প্ৰচেষ্টাকো সমালোচনা কৰে। তেওঁ কয়, "গৌৰৱ গগৈ সত্ৰ-নামঘৰ ভ্ৰমণ কৰি নিজকে সনাতনী ধৰ্মৰ প্ৰচাৰক বুলি চিত্ৰিত কৰিব বিচাৰে। কিন্তু তেওঁৰ পৰিয়ালৰ অধিকাংশ সদস্যই ভিন্ন ধৰ্ম গ্ৰহণ কৰিছে আৰু দেশৰ নাগৰিকত্বও নাই। এনে পৰিস্থিতিত সত্ৰ-নামঘৰ ভ্ৰমণ কৰিলেও ৰাইজৰ প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব।" গৌৰৱ গগৈয়ে দিয়া সংবাদমেলকো মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সমালোচনা কৰে। তেওঁ কয়, "গৌৰৱ গগৈয়ে সংবাদমেলত কোনো সঠিক তথ্য দিয়া নাই। কেৱল চালে-বেৰে কোবাই উত্তৰ দিছে। পত্নীয়ে ক'ত বজাৰ কৰিছিল, ক'ত ফুৰিছিল- এইবোৰ চাবলৈ দহ দিন লাগিল বুলি কৈছে। এনে সৰু কথাৰ বাবে দহ দিনৰ প্ৰয়োজন হ'ল নেকি?" এই মন্তব্যৰ জৰিয়তে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গৌৰৱ গগৈক স্পষ্টভাৱে ৰাইজৰ সন্মুখত সকলো তথ্য ৰাজহুৱা কৰিবলৈ আহ্বান জনাইছে। অসমৰ ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত এই ৰাজনৈতিক বিতৰ্ক অধিক তীব্ৰতৰ হৈ পৰিছে।

## আঢ়ৈ ঘণ্টীয়া প্ৰশ্নৰ ডেৰ

এটাৰো প্ৰমাণ দিয়া নাই। এছ আই টিৰ প্ৰতিবেদনতো কোনো প্ৰমাণ নাছিল বাবেই ছমাহ ধৰি লুকুৱাই ৰাখিছিল। যদি ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰশ্ন আছিল তেন্তে ছমাহ কিয় ৰৈছিল?" গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে এই প্ৰতিবেদনৰ সময়সূচীক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "এছ আই টিৰ প্ৰতিবেদন দিয়াৰ তাৰিখ আছিল ১০ ছেপ্টেম্বৰ, কিন্তু জুবিনদাৰ মৃত্যু হৈছিল ১৯ ছেপ্টেম্বৰত। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ আগতে প্ৰকাশ কৰিব বিচাৰিছিল বুলি ভাবিছিল, কিন্তু কংগ্ৰেছে ভূমিৰ বিষয়ে উদঙাই দিয়াৰ পিছতহে বাধ্য হৈ প্ৰতিবেদন ফাদিল কৰিলে।" গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক তীব্ৰ সকীয়াই দিয়ে যে তেওঁৰ ৫ বছৰীয়া আৰু ৯ বছৰীয়া নাবালক সন্তানৰ ব্যক্তিগত গোপনীয় তথ্য ৰাজহুৱা কৰাৰ বাবে আইনী ব্যৱস্থা গ্ৰহণৰ বিষয়ে তেওঁৰ আইনী কোষৰ সৈতে আলোচনা চলি আছে। তেওঁ কয়, "মুখ্যমন্ত্ৰী ইমান তললৈ নামিল যে নাবালক সন্তানৰ পৰিচয় ৰাজহুৱা কৰিলে। সকীয়াই দিছোঁ—আপোনাৰ ল'ৰা-ছোৱালীৰ কথাও আমি জানো। মই মুকলি কৰিব বিচৰা নাই। মোক বাধ্য নকৰাব।" গৌৰৱ গগৈয়ে ২০১৩ চনত পাকিস্তান ভ্ৰমণৰ বিষয়ে স্পষ্ট কৰি কয় যে তেওঁ পত্নী এলিজাবেথৰ সৈতে গৈছিল। পত্নীয়ে এবছৰৰ বাবে পাকিস্তানত চাকৰি কৰিছিল। তেওঁ কয়, "নতুন বিয়া হৈছিল। তেওঁ কামৰ বাবে গৈছিল। মই অকলে যাবলৈ দিম নেকি? তক্ষশীলা চাবলৈ মন গ'ল। ইছলামাবাদলৈ গৈছিলোঁ। সকলো আইনী অনুমতি লৈছিলোঁ। মোদী চৰকাৰৰ সময়ত পাছপ'ৰ্ট জমা দিছিলোঁ। চৰকাৰে জানে মই কিয় গৈছিলোঁ।" গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ বাংলাদেশ ভ্ৰমণৰ ফটো দেখুৱাই প্ৰশ্ন কৰে, "মুখ্যমন্ত্ৰী ১০ বাৰ বাংলাদেশলৈ গৈছে। বিখ্যাত দৰগাহত মৌলানাৰ লগত ফটো আছে। তাত কি কথা পাতিছিল?" আনহাতে পত্নীৰ পাকিস্তানত বেংক একাউণ্ট আৰু আই বি প্ৰতিবেদনৰ অভিযোগক খণ্ডন কৰি কয় যে একাউণ্ট বন্ধ কৰি দিয়া হৈছিল আৰু প্ৰতিবেদন ভাৰতীয় সংবাদ মাধ্যমৰ তথ্যৰ ওপৰত ভিত্তি কৰি দিয়া হৈছিল। গৌৰৱ গগৈয়ে আচৰিত হৈ প্ৰশ্ন কৰে, "এছ আই টিয়ে মোক এবাৰো মাতি নিধিলে কিয়? মই নিজে খোজকাঢ়ি গৈছিলোঁ বুলি কৈছিলোঁ।" গৌৰৱ গগৈয়ে কয় যে এই সংবাদমেল ৰাইজক উত্তৰ দিয়াৰ বাবে দিয়া হৈছে। তেওঁ কংগ্ৰেছৰ শক্তি বৃদ্ধি আৰু ভূমিৰ বিষয়ে উদঙোৱাৰ পিছত মুখ্যমন্ত্ৰী বাধ্য হৈ সংবাদমেল দিছে বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, "মই তৰুণ গগৈৰ পুত্ৰ। লাচিতৰ বংশধৰ। মোৰ সহ্য শক্তি আছে। কিন্তু কংগ্ৰেছৰ কৰ্মী আৰু ভাৰতীয় নাগৰিকক আক্ৰমণ কৰিলে এৰি নিদিম।" এই ৰাজনৈতিক বিতৰ্কৰ মাজতে অসমত ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে। দুয়োপক্ষৰ পৰা প্ৰতিদিনে নতুন অভিযোগ আৰু প্ৰত্যুত্তৰে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে।

# উৰিষ্যাৰ বিষয়া দলৰ বৰ্ষাৰণ্য প্ৰতিষ্ঠানত পাঁচদিনীয়া প্ৰশিক্ষণ তথা এক্সপজাৰ ভ্ৰমণৰ সফল আয়োজন

**অসম বাৰ্তা, যোৰহাট, ৭ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ২০২৬ চনৰ ৩ পৰা ৭ ফেব্ৰুৱাৰীলৈ উৰিষ্যাৰ পঞ্চায়তী ৰাজ আৰু খোৱাপানী বিভাগৰ ২৪ বিষয়াৰ এটি প্ৰশিক্ষণ তথা এক্সপজাৰ ভ্ৰমণ সুকলমে সম্পন্ন কৰে। উৰিষ্যাৰ ৰাজ্যিক গ্ৰাম্য উন্নয়ন তথা পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই কাৰ্যসূচী মুকলি কৰে প্ৰতিষ্ঠানটোৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণীয়ে। আদৰণি ভাষণ প্ৰদান কৰে গৱেষণা সমন্বয়ক তথা আৰু সম্প্ৰসাৰণ বিভাগৰ মূৰব্বী শ্ৰী ৰাজীৱ কুমাৰ কলিতাই। বন ব্যৱস্থাপনা বিভাগৰ মূৰব্বী ড° ধ্ৰুৱজ্যোতি দাসে বিষয়াসকলক প্ৰতিষ্ঠানটোৰ গৱেষণা আৰু উন্নয়নমূলক কাম-কাজৰ ওপৰত অৱগত কৰে। এই উপলক্ষে ওড়িশা চৰকাৰৰ ৰাজ্যিক গ্ৰাম্য উন্নয়ন আৰু পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ উপ-সঞ্চালক ড° সুব্ৰত কুমাৰ মিশ্ৰইও ভাষণ প্ৰদান কৰে। তেওঁ ভৱিষ্যতৰ উমৈহতীয়া স্বাৰ্থৰ বিষয়সমূহৰ ওপৰত বৰ্ষাৰণ্য প্ৰতিষ্ঠান আৰু ওড়িশা চৰকাৰৰ মাজত সহযোগিতামূলক কামত গুৰুত্ব আৰোপ কৰে। এই ভ্ৰমণৰ বাবে এই প্ৰতিষ্ঠানটো বাছি লোৱাৰ বাবে সঞ্চালক ড° নীতিন কুলকাৰ্ণীয়ে ওড়িশা চৰকাৰক ধন্যবাদ জনায়। পিছত বিষয়াসকলে প্ৰতিষ্ঠানৰ বাঁহনী, বাঁহ নাৰ্চাৰী, কয়লা ইউনিট, বাঁহ সংগ্ৰহালয় আদি পৰিদৰ্শন কৰে। এক্সপ'জাৰ ভ্ৰমণৰ দ্বিতীয় দিনা ভ্ৰমণকাৰী বিষয়াসকলে শিৱসাগৰৰ গাৰোপাবন যৌথ বন পৰিচালনা স্থান পৰিদৰ্শন কৰে। ইয়াৰ সভাপতি নিৰন গগৈয়ে দলটোক আদৰণি জনায় আৰু বনৰ জৰিয়তে জীৱিকাৰ ক্ষেত্ৰত গাৰোপাবন যৌথ বন পৰিচালনা সমিতিয়ে কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁলোকে সমগ্ৰ ক্ষেত্ৰ পৰিদৰ্শন কৰি বাঁহ খেতি, ঔষধি উদ্ভিদ বাগিচা, ঔটেঙা বাগিচা আদিৰ প্ৰত্যক্ষ কৰে। তৃতীয় দিনা বিষয়াসকলে গোলাঘাটৰ কঁহৰাৰ জৈৱ বৈচিত্ৰ্য আৰু অৰ্কিড পাৰ্ক পৰিদৰ্শন কৰি অনন্য গছ বিড়ীখৰ লগতে সাংস্কৃতিক বৈচিত্ৰ্যৰ সাক্ষী হোৱাৰ সুযোগ পায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰি উদ্যানখনৰ প্ৰাণৱন্ত স্বৰূপ প্ৰত্যক্ষ কৰে। ভ্ৰমণৰ চতুৰ্থ দিনটোত বিষয়াসকলে যোৰহাট জিলাৰ বিভিন্ন স্থান পৰিদৰ্শন কৰি অসম চৰকাৰৰ বিভিন্ন বিভাগে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে অধ্যয়ন কৰে। যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী মনোজ বৰুৱাই তেওঁৰ বিষয়াৰ দলৰ সৈতে বৰ্ষাৰণ্য প্ৰতিষ্ঠানত এক চমু বৈঠকত অতিথি বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। মধ্য যোৰহাট, কলিয়াপানী আৰু যোৰহাট পূব ব্লকত PMAY-G, MGNREGA, JJM আদি বিভিন্ন আঁচনিৰ অধীনত বিভিন্ন উন্নয়নমূলক কাম-কাজ দেখুৱাবলৈ ভ্ৰমণ কৰা হয়। ২০ নং গোহাঁই ফেচুৱেল জি পি, কামাৰখতোৱাল পি ডব্লিউ এছ এছ, চিমেণ্ট ব্লক ৰোড, ভাৰ্মিকম্পোষ্টিং ইউনিট, বালিজোনাই পি ডব্লিউ এছ এছ, লাহিংস্থিত এছ এইচ জিৰ জীৱিকাৰ কাম-কাজ, ৰজাবাৰীত স্বাস্থ্য কেন্দ্ৰ আদিত অমৃত সৰোবৰৰ সাক্ষী হৈ হিতাধিকাৰীকে ধৰি স্থানীয় লোকৰ সৈতেও মত বিনিময় কৰে। এক্সপ'জাৰ ভ্ৰমণৰ শেষৰ দিনা বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী বিষয়াসকলে ভ্ৰমণ সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰে। তেওঁলোকে এই ভ্ৰমণৰ নিখুঁত পৰিকল্পনা আৰু কাৰ্যকৰীকৰণৰ বাবে বৰ্ষাৰণ্য প্ৰতিষ্ঠানক অতিশয় শলাগ লয়। অসম চৰকাৰৰ বিভিন্ন বিভাগে আঁচনিসমূহ ৰূপায়ণ কৰাত সন্তুষ্টি প্ৰকাশ কৰে। ড° নীতিন কুলকাৰ্ণীয়ে ভাষণ দি এক্সপ'জাৰ ভ্ৰমণৰ বাবে এই ইনষ্টিটিউটটো বাছি লোৱাৰ বাবে ধন্যবাদ জনায়। ওড়িশাৰ ৰাজ্যিক গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠানৰ উপ সঞ্চালক ড° সুব্ৰত কুমাৰ মিশ্ৰই প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰি ক্ষেত্ৰ ভ্ৰমণৰ সময়ত অসমত প্ৰত্যক্ষ কৰা ভাল কাম সমূহ কাৰ্যকৰী কৰিবলৈ ভ্ৰমণকাৰী বিষয়াসকলক আহ্বান জনায়। প্ৰতিষ্ঠানৰ গৱেষণা সমন্বয়ক তথা সম্প্ৰসাৰণ বিভাগৰ মুৰব্বী শ্ৰী ৰাজীৱ কুমাৰ কলিতাই সামৰণি অধিৱেশন পৰিচালনা কৰে য'ত অংশগ্ৰহণকাৰীসকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

# বিশিষ্ট সমাজকৰ্মী ৰাজীৱ বৰাক 'সমাজ সাৰথি বঁটা-২০২৬' প্ৰদান; বিভিন্নজনৰ শুভেচ্ছা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৭ ফেব্ৰুৱাৰী ঃ** অসমৰ দ্বিতীয়খন কাকত 'আসাম বিলাসিনী'ৰ জন্মভূমি তথা নদীদ্বীপ মাজুলীত জন্ম লাভ কৰা শুদ্ধ আৰু আপোচহীন বাৰ্তা প্ৰতীক 'অসম বাৰ্তা'ৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে গুৱাহাটীৰ দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা 'বসুন্ধৰা যুৱ সমাৰোহ ২.০ আৰু বঁটা প্ৰদান অনুষ্ঠান'ত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ বিশিষ্ট সমাজসেৱক ৰাজীৱ বৰাক 'সমাজ সাৰথি বঁটা -২০২৬' প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অসমৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সংবাদ, সাহিত্য, শৈক্ষিক আদি বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙনি আগবঢ়াই অহা প্ৰায় কুৰি গৰাকী ব্যক্তিক 'অসম বাৰ্তা' গোষ্ঠীৰ ২০২৬ বৰ্ষৰ বঁটা প্ৰদান আৰু সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং লাচিত নগৰ(জোনাকী পথ)ৰ বাসিন্দা, বিশিষ্ট সমাজসেৱক, সফল উদ্যোগী-ব্যৱসায়ী ৰাজীৱ বৰাক 'সমাজ সাৰথি বঁটা' প্ৰদান কৰাত বিভিন্নজনে শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখ্য যে, ১৯৬৬ চনত এটা মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰা ৰাজীৱ বৰাৰ পিতৃ প্ৰয়াত বেথাৰাম বৰা আৰু মাতৃ প্ৰয়াত কিৰণবালা দেৱী। পিতৃ আছিল অসম ৰাজ্যিক পৰিবহণ নিগমৰ এগৰাকী কৰ্মচাৰী। ১৯৮২ চনত ডুমডুমা হুনলাল উচ্চ মাধ্যমিক বিদ্যালয়(বৰ্তমান উচ্চতৰ মাধ্যমিক)ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৮৪ চনত ডিব্ৰুগড়ৰ হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৰাজীৱ বৰাই ১৯৮৮ চনত যোৰহাটৰ প্ৰিন্স অৱ ৱেলছ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পৰা বৈদ্যুতিক বিভাগত ডিপ্লমা ডিগ্ৰী লাভ কৰি ১৯৮৯ চনত অসম পেট্ৰ'কেমিকেল লিমিটেডত প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পাছত ১৯৯০ চনত এটা ব্যক্তিগত কোম্পানীত যোগদান কৰিছিল যদিও ১৯৯৩ চনত চাকৰি ইস্তফা দি নিজাববীয়াকৈ বৈদ্যুতিক ব্যৱসায় আৰম্ভ কৰে। ২০০১ চনত 'এপটেক' কম্পিউটাৰ শিক্ষাৰ এটি কেন্দ্ৰ ডুমডুমাত স্থাপন কৰি বৃহত্তৰ অঞ্চলটোত আধুনিক কম্পিউটাৰ শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত বাটকটীয়া হিচাপে চিহ্নিত হোৱা ৰাজীৱ বৰাই ২০১৮ চনত হস্তশিল্পৰ ব্যৱসায় আৰম্ভ কৰে। ট্ৰেন্সফৰ্মাৰ তৈয়াৰ কৰা এক উদ্যোগ স্থাপনেৰে বৃহত্তৰ ডুমডুমা অঞ্চলৰ ঔদ্যোগিক উন্নয়নত বিশেষ অৱদান আগবঢ়োৱাৰ লগতে এই ক্ষেত্ৰত শতাধিক লোকক কৰ্মসংস্থাপন দিবলৈ সক্ষম হোৱা সমাজহিতৈষী, শিক্ষা আৰু সাহিত্যানুৰাগী, সাংস্কৃতিক মনৰ অধিকাৰী তথা মানৱদৰদী ব্যক্তি ৰাজীৱ বৰাই জীৱনৰ যাত্ৰাপথত এক সৰল তথা বুদ্ধিদীপ্ত জীৱন শৈলী, নিৰালস্য কৰ্ম সাধনা আৰু সমাজ সুন্দৰ কৰাৰ চিন্তা-চেতনাৰে অগ্ৰসৰ হৈছে। এগৰাকী অন্যতম তথা সফল উদ্যোগী-ব্যৱসায়ী, বিশিষ্ট সমাজসেৱক, চিন্তাশীল আৰু আধুনিক আৰু সাংস্কৃতিক মনৰ ব্যক্তি ৰাজীৱ বৰাক 'সমাজ সাৰথি বঁটা' প্ৰদানৰ খবৰত স্বাভাৱিকতে ডুমডুমা-ৰূপাইৰ বিভিন্নজনে সন্তোষ ব্যক্ত কৰাৰ লগতে এইক্ষেত্ৰত বিভিন্নজনে তেওঁক শুভেচ্ছা জ্ঞাপন কৰিছে।



# ডিব্ৰুগড়ৰ ৰমিন পাব্লিক স্কুলত বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৭ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় চহৰৰ সমীপত জাপিসজীয়াত স্থাপন কৰা ৰমিন পাব্লিক স্কুলৰ প্ৰতিষ্ঠা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি মানকটা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা অসম অধিবিদ্যা পৰিষদৰ সাধাৰণ সম্পাদক, শিক্ষাৰত্ন নাচিৰ চুলতানে নতুন শিক্ষা নীতিৰ ওপৰত ভাষণ দি কয় যে ২০২০ চনত কেন্দ্ৰীয় চৰকাৰে যি শিক্ষা নীতি যুগুত কৰিছে সেই শিক্ষা নীতিয়ে ছাত্ৰ ছাত্ৰী সকলক বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ লগত জড়িত কৰিছে। এই শিক্ষা নীতিয়ে 'ক' শ্ৰেণীৰ পৰা ওপৰলৈ সকলো শ্ৰেণীলৈকে মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে ৰখাৰ ব্যৱস্থা কৰিছে। গছ গছনিৰ গুৰুত্ব উপলব্ধি কৰি তেওঁ আৰু কয় যে গছ থাকিলেহে মানুহ জীয়াই থাকিব, গতিকে গছ ৰোপণ কৰিব লাগে কিন্তু কাটিব নালাগে। তেওঁ মিছাইল মেন আব্দুল কালামৰ বিভিন্ন উদাহৰণ দাঙি ধৰি সাৰুৱা বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক এম হাছিম আলীয়ে কয় যে ঘৰখনৰ মাতৃ গৰাকী হৈছে আচল শিক্ষক। মাতৃ গৰাকীয়ে সদায় সঁচা কথা কলে লৰা ছোৱালী সেই আৰ্হি ধৰিব। মাৰিয়া মন্তেছৰীয়ে স্কুলত খেলা ধুলাৰ মাজেদি কেনেকৈ শিকাইছিল, পঢ়ুৱাইছিল আৰু আজি সমগ্ৰ পৃথিৱীতে মণ্টেছৰী পদ্ধতি অৱলম্বন কৰিছে সেই বিষয়ে তেওঁ কয়। জাপিসজীয়া অঞ্চলৰ প্ৰাক্তন গাঁওবুঢ়া, সমাজকৰ্মী ত্ৰিদিপ শইকীয়াই এই বৃহত্তৰ অঞ্চলত এনেধৰণৰ এখন স্কুল স্থাপন হোৱাত তেওঁ সন্তোষ প্ৰকাশ কৰে। আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষ আবুবক্কৰ মহম্মদ চালেহে কয় যে স্কুলখন স্থাপনৰ ক্ষেত্ৰত তেওঁৰ প্ৰয়াত মাতৃৰ এটা সপোন আছিল যে সমাজৰ যেন দুখীয়া সকলো শিক্ষাৰ পৰা বঞ্চিত নহয় সেই কথা কৈ মাতৃক স্মৰণ কৰে, অধ্যক্ষ গৰাকীয়ে আৰু কয় যে এই পিছপৰা অঞ্চলত বহুতো দুখীয়া গাঁওবাসীৰ ছাত্ৰ-ছাত্ৰী আছে আৰু তেওঁলোকক আধুনিক শিক্ষাৰে শিক্ষিত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। ২০১৭ চনত স্থাপন কৰা ইংৰাজী মাধ্যমৰ এইখন বিদ্যালয়ত বৰ্তমানে এশ সত্তৰজন ছাত্ৰ-ছাত্ৰীৰ লগতে ১০ গৰাকী শিক্ষক শিক্ষয়িত্ৰী আছে। আজিৰ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক আদি কৰি প্ৰায় তিনিশ অভিভাৱক উপস্থিত থকা এই অনুষ্ঠানত কনকখন ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন জাতি জনগোষ্ঠীৰ নৃত্য-গীত আদি পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত বঁটা বিতৰণ কৰা হয়।

# বিহালীত চামিল হোৱা ৬ পঞ্চায়তত সাংসদ ৰঞ্জিত দত্তৰ ব্যাপক সাংগঠনিক তৎপৰতা; নিস্প্ৰভ কংগ্ৰেছ



**অসম বাৰ্তা, গহপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছত গহপুৰ বিধান সভা সমষ্টিৰ ছখন গাঁও পঞ্চায়ত চামিল হ'ল বিহালী বিধান সভা সমষ্টিত। এই ছখন পঞ্চায়ত হৈছে ক্ৰমে বালিজান, কেঁকুৰিজান, আমজাৰণি, নলনীবাৰী, কাৰিবিল আৰু টকৌবাৰী। উক্ত ছখন পঞ্চায়ত বিহালীত চামিল হোৱাৰ পিছত নতুন ৰাজনৈতিক ঠিকনা হৈ পৰা পঞ্চায়ত সমূহৰ ৰাইজক লৈ শোণিতপুৰ লোক সভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই বিজেপি দলৰ হৈ ব্যাপক ভাবে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰি তোলা পৰিলক্ষিত হৈছে। আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বিহালীত চামিল হোৱা উক্ত পঞ্চায়ত ছখনত বিজেপিৰ ভেটি অধিক শক্তিশালী তোলাৰ বাবে সাংসদ ৰঞ্জিত দত্তই প্ৰায়ে সভা-সমিতি অনুষ্ঠিত কৰি ৰাইজক বিজেপি দলৰ প্ৰতি আকৰ্ষিত কৰি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখা পৰিলক্ষিত হৈছে। প্ৰতিখন বুথ সমিতিক অধিক শক্তিশালী কৰি তোলাৰ বাবে বিভিন্ন কৌশল অৱলম্বন কৰিছে সাংসদ ৰঞ্জিত দত্তই। তদুপৰি উক্ত ছখন পঞ্চায়তত বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। যাতায়তৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈ অহা বালিজান পঞ্চায়তৰ যাতায়ত উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিছে সাংসদ ৰঞ্জিত দত্তই। অসম অৰুণাচল সীমান্তবৰ্তী লাল দলং, নলনীবাৰী, পচাগোলা আদি একাধিক অঞ্চলত পকী কালভাৰ্ট আৰু পকী পথ নিৰ্মাণৰ কামো হাতত লৈছে সাংসদ ৰঞ্জিত দত্তই। উক্ত পঞ্চায়ত ছখনত সাংসদ ৰঞ্জিত দত্তৰ নেতৃত্বত যিদৰে বিজেপিয়ে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰি তুলিছে ইয়াৰ বিপৰীতে সম্পূৰ্ণৰূপে নিস্ৰভ আৰু নিষ্ক্ৰিয় হৈ আছে ভাৰতীয় জাতীয় কংগ্ৰেছ দল। উক্ত পঞ্চায়ত ছখনত কোনোধৰণৰ সাংগঠনিক তৎপৰতা নাই কংগ্ৰেছ দলটোৰ। বিশ্বনাথ জিলা কংগ্ৰেছ, ব্লক কংগ্ৰেছ কিম্বা মণ্ডল কংগ্ৰেছ সমূহৰ আজিলৈকে উক্ত পঞ্চায়ত ছখনত দেখা পোৱা নাই কোনোধৰণৰ সাংগঠনিক তৎপৰতা। নতুনকৈ মণ্ডল কংগ্ৰেছ কমিটি গঠন কৰা হৈছে যদিও মণ্ডল কংগ্ৰেছ কমিটি সমূহে শুই বহিয়েই দিন পাৰ কৰা পৰিলক্ষিত হৈছে। এনে প্ৰেক্ষাপটত উক্ত ছখন পঞ্চায়তত তেনেই নিশকতীয়া হৈ পৰিছে কংগ্ৰেছ দলৰ ভেটি। অহা বিধান সভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত উক্ত পঞ্চায়ত ছখনত কংগ্ৰেছ দলে সাংগঠনিক তৎপৰতা কেনেদৰে বৃদ্ধি কৰি তুলিব সেয়া এতিয়া হৈ পৰিছে গুৰুত্বপূৰ্ণ প্ৰশ্ন।

# নগাঁও টাটা এআইএ বীমা শাখাত আয়োজন ৰক্তদান শিৱিৰ

**অসম বাৰ্তা, বড়পুৰ, ৭ ফেব্ৰুৱাৰী ঃ** নগাঁও চহৰৰ খ্ৰীষ্টান পট্টিত অৱস্থিত টাটা এ, আই, এ বীমা শাখাটোৰ উদ্যোগত আজি এক ৰক্তদান শিৱিৰ কাৰ্য্যসূচী আয়োজন কৰা হয়। শাখাটিৰ পৰিচালক প্ৰনৱ জ্যোতি নাথে জানিবলৈ দিয়া মতে- চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত মাহতেই যিহেতু টাটা এআইএ বীমা সঞ্চয় প্ৰতিষ্ঠানটিয়ে ২৫ বৰ্ষত ভৰি দিব। সেই উপলক্ষে নগাঁও শাখাত আজি ৰক্তদান শিৱিৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। ইপিনে বৰ্তমান সময়ত এটুপি তেজৰ বাবে এজন লোক দুৰ্ঘটনাত পতিত হৈ অথবা জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখতো পৰিব লগীয়া হয়। সেয়ে বীমাটোৰ সমূহ বিষয়া-কৰ্মচাৰীৰ সমযোগত এই পদক্ষেপ হাতত লোৱা হৈছে। যাতে এটুপি ৰক্তদানে এজন লোকক মৃত্যু মুখৰ পৰা ৰক্ষা কৰিব পাৰে বুলি কয়। আৰু নগাঁওবাসী ৰাইজলৈ এক ধনাত্মক বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ যে বীমা শাখাটোৰ আমন্ত্ৰণ মৰ্মে নগাঁও ভোগেশ্বৰী ফুকননী ৰক্ত সঞ্জয়ৰ এটি দলৰ সহযোগত প্ৰায় ২০ জন লোকে শিৱিৰটোত আজি ৰক্তদান কৰে। পূৰ্বতেও শাখাটিৰ অধীনত কেইবাবৰো ৰক্তদান শিৱিৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হৈছিল বুলিও নাথে জানিবলৈ দিয়ে।

# বিজেপিৰো পাল্টা প্ৰতিবাদে উত্তাল হ'ল শ্বহীদ নগৰী ঢেকীয়াজুলি

# ঢেকীয়াজুলিৰ জংগলস্থিত শ্বহীদ স্মাৰক ন্যাসৰ সন্মুখত কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ৭ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলিৰ জংগলবস্থিত শ্বহীদ স্মাৰক ন্যাসৰ সন্মুখত আজি কংগ্ৰেছ দলে এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত দলটোৰ বহু কেইগৰাকী জ্যেষ্ঠ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে জংঘলবস্তি অঞ্চলত মহিলা সমিতিৰ দলত থকা মাটি নিজৰ পত্নীৰ নামত কৰাৰ অভিযোগ তুলি কংগ্ৰেছ দলে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছ নেতাকৰ্মীসকলে অভিযোগ কৰে যে উক্ত ঘটনাত গম্ভীৰ অনিয়ম সংঘটিত হৈছে আৰু ইয়াৰ উচিত তদন্ত দাবী কৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছ নেতা ৰকিবুল হুছেইন, ৰিপুণ বৰা, বেণুধৰ নাথৰ লগতে কেইবাগৰাকীও ৰাষ্ট্ৰীয় নেতাই অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি ক্ষোভ প্ৰকাশ কৰে আৰু চৰকাৰক উত্তৰদায়ী হোৱাৰ দাবী তোলে। ইপিনে, কংগ্ৰেছৰ এই প্ৰতিবাদৰ বিপৰীতে আজি ভাৰতীয় জনতা পাৰ্টিৰ নেতাকৰ্মীসকলেও তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ নেতাকৰ্মীসকলে "কংগ্ৰেছ মুৰ্দাবাদ", "গৌৰৱ গগৈ হায় হায়", "কংগ্ৰেছ দলৰ মিএগা প্ৰীতি নচলিব", "ভাৰতীয় জনতা পাৰ্টি জিন্দাবাদ" আদি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। ভাৰতীয় জনতা পাৰ্টিৰ ঢেকীয়াজুলি মণ্ডল সমিতিৰ সভাপতি কাজু দীপৰ নেতৃত্বত অনুষ্ঠিত এই পাল্টা প্ৰতিবাদী কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক সদস্য ধনু তপ্ন, ভাৰতীয় জনতা যুৱ মৰ্চাৰ ঢেকীয়াজুলি মণ্ডল সমিতিৰ সভাপতি উপাংকৰ কপালিৰ লগতে বহুতো দলীয় কৰ্মী উপস্থিত থাকে। বিজেপি নেতৃত্বই কংগ্ৰেছৰ অভিযোগক ভিত্তিহীন আখ্যা দি কংগ্ৰেছৰ ৰাজনীতিৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। দুয়ো দলৰ প্ৰতিবাদী কাৰ্যসূচীৰ ফলত জংঘলবস্তিৰ সমগ্ৰ অঞ্চল কিছু সময়ৰ বাবে উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় যদিও আৰক্ষী-প্ৰশাসনৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণত থাকে।

# সৰুপথাৰ নগৰৰ গণেশ মন্দিৰত পুনৰ চুৰিকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৭ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ নগৰৰ মাজমজিয়াত অৱস্থিত কলেজ পথত থকা তথা সৰুপথাৰ সাপ্তাহিক বজাৰলৈ সোমোৱা পথৰ কাষতে থকা শ্ৰীশ্ৰী গণেশ মন্দিৰত কালি নিশা চুৰি কাণ্ড সংঘটিত হয়। জানিব পৰা তথ্য মতে চোৰে মন্দিৰটোৰ ভেণ্টিলেশ্বনৰ গ্লাচ ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু গণেশ মূৰ্তিৰ ওপৰত থকা মুকুট, ২খনকৈ ৰূপৰ সঁফুৰা, ৰূপৰ লোটা, পানী ঢলা পাত্ৰ, ঘণ্টা, কেইবাটাও চাকিৰ ষ্টেণ্ড, আৰু দানপাত্ৰ উদং কৰি নগদ ধন সমূহ লৈ যায়। উল্লেখযোগ্য যে সৰুপথাৰ নগৰৰ হনুমান মন্দিৰ আৰু গণেশ মন্দিৰত প্ৰায়েই চুৰি কাণ্ড সংঘটিত হৈ থাকে। ইয়াৰ পূৰ্বেও গণেশ মন্দিৰটোৰ পৰা সোণ-ৰূপৰ সামগ্ৰীসহ দানপাত্ৰৰ ধন চুৰি কৰি লৈ গৈছিল। কিন্তু আজিলৈকে সৰুপথাৰ আৰক্ষীয়ে এইসমূহ চোৰক ধৰাৰ ক্ষেত্ৰত সফল হোৱা নাই। ইফালে নগৰখনৰ মাজমজিয়াত এনেদৰে সঘনাই চুৰিকাণ্ড সংঘটিত হৈ থকা ঘটনাই নগৰবাসী ৰাইজক চিন্তিত কৰি তুলিছে।

# বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াৰ বিৰুদ্ধে মুখ্য সচিবলৈ অভিযোগ দাখিল

**অসম বাৰ্তা, মোৰাঝাৰ, ৭ ফেব্ৰুৱাৰী ঃ** হোজাই জিলাৰ বিনাকান্দি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নৰজিৎ বৰ্মণৰ বিৰুদ্ধে ডবকাৰ এজন যুৱকে কেবাটাও কামত দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মুখ্য সচিবলৈ লিখিতভাৱে অভিযোগ পত্ৰ দাখিল কৰে। অভিযোগ অনুসৰি খণ্ড উন্নয়ন বিষয়াই চৰকাৰী নীতি-নিয়মক জলাঞ্জলি দি একাংশ মধ্যভুগী দালালৰ জৰিয়তে গ্ৰামোন্নয়নৰ কাম পৌৰসভাত আঁচনি হিচাপে ৰূপায়ণ কৰি টকা আত্মসাৎ কৰিছে। ইয়াৰোপৰিও ডবকা গাঁও পঞ্চায়তৰ অন্তৰ্গত এটা কালভাৰ্ট নিমাণতো ব্যাপক দুৰ্নীতি আৰু অনিয়মৰ অভিযোগ উত্থাপন হৈছে খণ্ড উন্নয়ন বিষয়াৰ বিৰুদ্ধে। একপ্ৰকাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ উঠিৰজা-বহিৰজা হৈ পৰিছে খণ্ড উন্নয়ন বিষয়া নৰজিৎ বৰ্মণ। সমগ্ৰ এই দুৰ্নীতিৰ সন্দৰ্ভত কেনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যত ক্ষোভিত হৈ পৰিছে ৰাইজ। উল্লেখযোগ্য বিষয় এই যে, একাধিকবাৰ লিখিত আৰু মৌখিকভাৱে অভিযোগ আৰু দুৰ্নীতিৰ ইংগিত দিয়াৰ পিছতো সংশ্লিষ্ট বিষয়াজনৰ বিৰুদ্ধে কোনো অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই কিয় বুলি প্ৰশ্ন উত্থাপন কৰিছে। এনে নিষ্ক্ৰিয়তাই কেৱল শাসন ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থাক ক্ষতিগ্ৰস্ত কৰাই নহয়, ব্যৱস্থাটোৰ ভিতৰত অসৎ আচৰণকো উৎসাহিত কৰিব বুলি অভিযোগত উল্লেখ কৰে। উল্লিখিত বিষয়াজনৰ ওপৰত ৰাজ্যৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মুখ্য সচিবে বিভাগীয়ভাৱে উচিৎ তদন্তমৰ্মে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# নলবাৰীত ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত অসম বাৰ্তাজীৱী সংঘৰ ৪৭ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৭ ফেব্ৰুৱাৰী ঃ** অসম বাৰ্তাজীৱী সংঘৰ ৪৭ সংখ্যক বাৰ্ষিক অধিৱেশন নলবাৰীত পতাৰ আয়োজন কৰা হৈছে। এই বিষয়ে আজি আলোচনা কৰাৰ বাবে নলবাৰী জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ চোতালত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত পৌৰোহিত্য কৰে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি ব্ৰজেন তালুকদাৰে। নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই সভা আয়োজনৰ উদ্দেশ্য বিৱৰি কয় যে সাংবাদিকসকলৰ ন্যায্য প্ৰাপ্তিৰ বাবে অহৰহ মাত মাতি অহা ভাৰতীয় বাৰ্তাজীৱী মহাসংঘৰ অন্তৰ্গত অসমৰ পুৰণি সংগঠন অসম বাৰ্তাজীৱী সংঘৰ ৪৭ সংখ্যক অধিৱেশন নলবাৰীত অননুষ্ঠিত কৰিবলৈ অসম বাৰ্তাজীৱী সংঘৰ নেতৃবৃন্দই জনোৱা আহ্বানক সাদৰে গ্ৰহণ কৰা হৈছে। সম্পাদকগৰাকীয়ে এইঅধিৱেশন সফল কৰাৰ ক্ষেত্ৰত সকলোৰে দিহা-পৰামৰ্শ বিচাৰে। সভাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠাপক সভাপতি পংকজ বেজবৰুৱা, অসম বাৰ্তাজীৱী সংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য কিশোৰজ্যোতি শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি ভৱজিৎ বেজবৰুৱা, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক অক্ষয় ডেকা, সম্পাদক সমৰজ্যোতি মহন্ত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নলবাৰী নগৰ সমিতিৰ সম্পাদক চাহিল মাল্লিক, সাংবাদিক ৰাতুল ডেকা, শৈলেন বৰ্মন, অজিত বৰ্মন, চন্দন কুমাৰ শৰ্মা, কৈলাস ডেকা, আজিজ আলী, হীৰক ডেকা আদি কেইবাজনেও অসম বাৰ্তাজীৱী সংঘৰ কেন্দ্ৰীয় অধিৱেশন সফল কৰা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে এই অধিৱেশনখন নলবাৰী চহৰত অহা ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। সভাই কেন্দ্ৰীয় অধিৱেশনখন সৰ্ব দিশত সফল কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ লগতে অধিৱেশনত জিলাখনৰ বাতৰিকাকত বিতৰকসকলক বিশেষভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰো প্ৰস্তাৱ লোৱা হয়। উক্ত সভাতে স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সভাপতি, চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ সঞ্জীৱ কুমাৰ গোস্বামীক কাৰ্যকৰী সভাপতি, সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি ভৱজিৎ বেজবৰুৱা, নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ প্ৰতিষ্ঠাপক সভাপতি পংকজ বেজবৰুৱা আৰু অসম বাৰ্তাজীৱী সংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য কিশোৰজ্যোতি শৰ্মাক উপ সভাপতি, নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি ব্ৰজেন তালুকদাৰক সাধাৰণ সম্পাদক, সম্পাদক ৰূপ কুমাৰ শৰ্মা, চন্দন শৰ্মা, ত্ৰিদীপ কলিতা আৰু অজিত বৰ্মনক সহকাৰী সম্পাদক হিচাপে লৈ এখন ১১ জনীয়া অভ্যৰ্থনা সমিতি এখন গঠন কৰা হয়। উল্লেখ্য যে অতি কম দিনৰ ভিতৰত অভ্যৰ্থনা সমিতিখনৰ পৰিসৰ বৃদ্ধি কৰি উপ সমিতিসমূহো গঠন কৰা হ'ব।

# ৰেচম বিভাগৰ উদ্যোগত মৰিগাঁৱত মটৰচালিত এৰি সূতা কটা যন্ত্ৰ বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৭ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ সহকাৰী ৰেচম সঞ্চালকৰ কাৰ্যালয়ৰ উদ্যোগত আজি হিতাধিকাৰী সকলৰ মাজত ছিল্ক সমগ্ৰ ২ আঁচনিৰ অধীনত মটৰচালিত এৰি সূতা কটা যন্ত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী আৰু অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি সহকাৰী ৰেচম সঞ্চালক লীনা দত্তই কয় যে মটৰচালিত এৰি সূতা কটা যন্ত্ৰৰ ব্যৱহাৰে উৎপাদন ক্ষমতা বৃদ্ধি কৰিব আৰু ইয়াৰ ফলত স্থানীয় মহিলাসকলৰ উৎপাদন প্ৰায় দুগুণলৈ বৃদ্ধি পাব। ইফালে ৰেচম বিভাগৰ সম্প্ৰসাৰণ বিষয়া সুজিতা কলিতাই আঁচনিখনৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে পৰম্পৰাগত হস্তচালিত সঁজুলিৰ ঠাইত মটৰচালিত যন্ত্ৰৰ ব্যৱহাৰৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বাবে উপযোগী উন্নত মানৰ এৰি সূতা উৎপাদন কৰা সম্ভৱ হ'ব। হিতাধিকাৰীসকলক সম্বোধন কৰি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে মৰিগাঁও জিলাৰ অৰ্থনৈতিক বিকাশত ৰেচম খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰে। তেওঁ এৰি ৰেচমৰ ক্ষেত্ৰত বিপুল সম্ভাৱনা থকাৰ কথা উল্লেখ কৰাৰ লগতে অসমৰ ৰাজ্যপালেও বিশেষকৈ মৰিগাঁও জিলাত ৰেচম খণ্ডৰ উন্নয়নৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰা বুলি মন্তব্য কৰে। অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মাই তেওঁৰ ভাষণত মহিলাসকলক নতুন প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে উদ্যোগী হিচাপে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ অন্তত নিৰ্বাচিত হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে সূতা কটা যন্ত্ৰ বিতৰণ কৰা হয়।

গৌৰৱ গগৈৰ বিৰুদ্ধে অভিযোগৰ পিছতেই মাজুলীতো ৩০ জনৰ কংগ্ৰেছ ত্যাগ

# মাজুলীৰ বিধায়ক ভুবন গামৰ উদ্যোগত প্ৰবুদ্ধ নাগৰিক সন্মিলন

## সামগ্ৰিক উন্নয়ন, শিক্ষা-সামাজিক ক্ষেত্ৰৰ পৰ্যালোচনা




**অসম বাৰ্তা, উজনী মাজুলী, ৯ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত বিশিষ্ট ব্যক্তি তথা জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে সাম্প্ৰতিক সময়চোৱাত মাজুলীৰ সামগ্ৰিক উন্নয়ন, আগন্তুক দিনত গ্ৰহণ কৰিবলগীয়া উন্নয়নমূলক পৰিকল্পনা আৰু শৈক্ষিক-সামাজিক ক্ষেত্ৰসমূহৰ পৰ্যালোচনাৰ উদ্দেশ্যে মাজুলীৰ বিধায়ক ভুবন গামৰ উদ্যোগত আজি এখন প্ৰবুদ্ধ নাগৰিক সন্মিলন অনুষ্ঠিত হয়। গড়মূৰৰ খোনাচুকস্থিত মাধৱদেৱ কৃষ্টি কেন্দ্ৰত নতুন কমলাবাৰী সত্ৰৰ বুঢ়াভকত প্ৰভাত বৰা বুঢ়াভকতৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সন্মিলনখনত কমাৰগাঁওস্থিত বৰগীত মাধুৰী শিল্পী দলে বৰগীত পৰিৱেশন কৰে। ইয়াৰ পিছতেই মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সম্বোধন কৰি বিধায়ক ভুবন গামে কয় যে সমাজৰ বাবে নিষ্ঠাৰে কাম কৰি অহা বিশিষ্ট ব্যক্তি সকলেই আমাৰ প্ৰকৃত পথ প্ৰদৰ্শক। তেওঁলোকৰ পৰা লাভ কৰা সঠিক দিশ-নিৰ্দেশনাই সমাজখনৰ হিতত মৰ্যাদাৰে কাম কৰি যোৱাৰ বাবে সদায় অনুপ্ৰেৰণা যোগাই আহিছে। "আপোনালোকৰ সহায়-আশীৰ্বাদ অবিহনে আমাৰ গত্যন্তৰ নাই" বুলি উল্লেখ কৰি বিধায়ক গৰাকীয়ে আগন্তুক দিনতো মাজুলীৰ সামগ্ৰিক উন্নয়নৰ বাবে একেলগে কাম কৰি যোৱাৰ সংকল্প ব্যক্ত কৰে। সন্মিলনত ভাষণ প্ৰদান কৰি মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ত্ৰিদীপ হাজৰিকাই কয় যে বিধায়ক ভুবন গামে কথাৰে নহয়, কামেৰে নিজৰ পৰিচয় দি আহিছে। ৰাইজৰ পৰামৰ্শ অনুসৰি টুনী নদী উজ্জীৱিতকৰণ আঁচনিকে ধৰি বিভিন্ন উন্নয়নমূলক আঁচনি সঠিকভাৱে ৰূপায়ণ কৰি বিধায়ক গৰাকীয়ে নিজৰ দক্ষতা প্ৰমাণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। আনহাতে, মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ৰ অধীক্ষক ড° মাণিক মিলিয়ে মাজুলীৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ কথা উল্লেখ কৰি কয় যে পূৰ্বৰ তুলনাত বৰ্তমান স্বাস্থ্য সেৱাৰ মান যথেষ্ট উন্নত হৈছে। ৰাইজে এতিয়া বহু গুৰুত্বপূৰ্ণ চিকিৎসা সেৱা নিজ জিলা চিকিৎসালয়তে লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। অনুষ্ঠানতে বিধায়ক ভুবন গামৰ নেতৃত্বত মাজুলীত হোৱা উন্নয়নৰ খতিয়ান স্বৰূপে প্ৰস্তুত কৰা এখন গ্ৰন্থ ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অমূল্য বৰাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। বিশিষ্ট ঘোষক দীপক বৰুৱাই আঁত ধৰা অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টি মাজুলী জিলাৰ প্ৰাক্তন সভাপতি বীৰেণ শইকীয়া, বিজেপিৰ টিকট প্ৰত্যাশী হেমচন্দ্ৰ দলেকে আদি কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মাজুলীতো ৩০জন কংগ্ৰেছ কৰ্মীৰ কংগ্ৰেছ ত্যাগ, বিজেপিত যোগদান। আজি গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে উত্থাপিত "পাকিস্তান সম্পৰ্ক" সন্দৰ্ভত গুৰুতৰ অভিযোগ আৰু এই বিষয়ত SIT তদন্তৰ দাবী উত্থাপিত হোৱাত লুইতখাবলু অঞ্চলৰ প্ৰায় ৩০ জন কংগ্ৰেছ কৰ্মীয়ে গভীৰ দুঃখ আৰু হতাশাৰে কংগ্ৰেছ দল ত্যাগ কৰে। দেশৰ সুৰক্ষা, স্বচ্ছতা আৰু ৰাষ্ট্ৰবাদী নীতি-আদৰ্শত আস্থা ৰাখি, লগতে মাজুলী জিলাত চলি থকা উন্নয়নমুখী যাত্ৰাৰ অংশীদাৰ হোৱাৰ লক্ষ্যৰে তেওঁলোকে ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিকভাৱে যোগদান কৰে। মাজুলীৰ বিধায়ক ভুবন গামৰ বাসগৃহত বিধায়ক ভুবন গাম আৰু জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীৰ উপস্থিতিত অনুষ্ঠিত উক্ত যোগদান কাৰ্যসূচীত নামনি মাজুলী মণ্ডলৰ সভাপতি প্ৰেমকান্ত মেধিৰ লগতে অন্যান্য দলীৰ নেতা কৰ্মী সকল উপস্থিত থাকে।

শ্ৰীভূমিত বিজেপিৰ বৃহৎ প্ৰতিবাদ মিছিল

# SIT প্ৰতিবেদনক কেন্দ্ৰ কৰি চাঞ্চল্য; গৌৰৱ গগৈৰ কথিত গোপন পাকিস্তান ভ্ৰমণত দেশৰ সুৰক্ষাত গভীৰ আশংকা




**অসম বাৰ্তা, শ্ৰীভূমি, ৯ ফেব্ৰুৱাৰী ঃ** দেশৰ ৰাজনৈতিক ক্ষেত্ৰত পুনৰ এক তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে সাংসদ গৌৰৱ গগৈৰ কথিত গোপন পাকিস্তান সফৰ সন্দৰ্ভত প্ৰকাশিত এছআইটি (SIT) প্ৰতিবেদন। মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহাশয়ে সদৰি কৰা তথ্য অনুসৰি, এই প্ৰতিবেদনত কিছুমান চাঞ্চল্যকৰ দিশ উন্মোচিত হৈছে বুলি দাবী কৰা হৈছে, যিয়ে দেশৰ সাৰ্বভৌমত্ব আৰু জাতীয় সুৰক্ষাৰ প্ৰশ্নত গভীৰ উদ্বেগৰ জন্ম দিছে। এছআইটি প্ৰতিবেদন অনুসৰি, সাংসদ গৌৰব গগৈৰ বিদেশ ভ্ৰমণ, যোগাযোগ আৰু কিছুমান লেনদেন সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য পৰ্যালোচনা কৰা হৈছে। যদিও এই বিষয়ত চূড়ান্ত সিদ্ধান্ত তদন্তৰ অন্তিম পৰ্যায়তহে স্পষ্ট হ'ব, তথাপিও প্ৰতিবেদনত উল্লিখিত দিশসমূহে ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয় যে, "দেশৰ সুৰক্ষা আৰু স্বাৰ্থৰ সৈতে আপোচ হোৱাৰ কোনো প্ৰশ্ন নাই। যদি কোনো ব্যক্তিৰ কাৰ্যকলাপে দেশৰ নিৰাপত্তালৈ ভাবুকি সৃষ্টি কৰে, তেন্তে আইন অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব।" এই ঘটনাৰ প্ৰতিবাদত আজি শ্ৰীভূমি জিলাত বিজেপিৰ উদ্যোগত এক বৃহৎ প্ৰতিবাদ মিছিল অনুষ্ঠিত হয়। দলীয় পতাকা আৰু ব্যানাৰ হাতে লৈ বিজেপিৰ কৰ্মী-সমৰ্থকসকলে ৰাজপথলৈ ওলাই আহি "দেশৰ সুৰক্ষা ৰক্ষা কৰক", "দেশ বিৰোধী কাৰ্যকলাপ বন্ধ কৰক" আদি শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে। মিছিলত অংশগ্ৰহণ কৰা নেতৃবৃন্দে কয় যে, দেশৰ সাৰ্বভৌমত্বৰ সৈতে আপোচ কৰা যিকোনো অভিযোগ গুৰুত্বসহকাৰে তদন্ত হ'ব লাগিব আৰু দোষী প্ৰমাণিত হ'লে দৃষ্টান্তমূলক শাস্তি নিশ্চিত কৰা উচিত।

# পথালিপাহাৰত স্বাস্থ্য পৰামৰ্শ শিবিৰ আৰু সজাগতা সভা

**অসম বাৰ্তা, বান্দৰদেৱা, ৯ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত আৰু লখিমপুৰ জিলাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্তৰ্গত খেৰাজখাত শাখাৰ সহযোগত জিলাখনৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ প্ৰেক্ষাগৃহত আজি স্বাস্থ্য পৰামৰ্শ শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। উক্ত শিবিৰত প্ৰায় ৮/৯জন চিকিৎসকে শতাধিক ৰোগীৰ স্বাস্থ্যৰ বিভিন্ন ৰোগৰ পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা পৰিলক্ষিত হয়।

ধলা থানাৰ প্ৰভাৰীক স্মাৰকপত্ৰ প্ৰদান

# ছৈখোৱাত উচ্চ স্তৰত সংগীত বজোৱাত বাধা আৰোপ ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, ছৈখোৱা, ৯ ফেব্ৰুৱাৰী ঃ** আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাক লৈ তৎপৰ হৈ পৰিছে ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থা। সমগ্ৰ ছৈখোৱা অঞ্চলটিত সুষ্ঠ বাতাবৰণ সৃষ্টি কৰিবলৈ উচ্চস্বৰত DJ বজোৱাত বাধা আৰোপ কৰিছে ছাত্ৰ সন্থাই। এই সংক্ৰান্তত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা, সাধাৰণ সম্পাদক অভিনন্দন কলিতাই ধলা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে তেওঁলোকে উল্লেখ কৰে যে ছৈখোৱা অঞ্চলটিত ক্ৰমান্বয়ে উচ্চস্বৰত বাদ্যযন্ত্ৰ, উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰ ব্যৱহাৰ কৰি শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে। সেইয়েহে ছাত্ৰ সন্থাই উচ্চস্বৰত বাদ্যযন্ত্ৰ বজোৱাত নিষেধাজ্ঞা আৰোপ কৰিবলৈ প্ৰশাসনক আহ্বান জনাইছে।

# তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰী জ্যেষ্ঠ সহায়ক বিছপ বসুমতাৰীদেৱলৈ টংলা প্ৰেছক্লাবৰ সম্বৰ্ধনা




**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলা তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰী জ্যেষ্ঠ সহায়ক বিছপ বসুমতাৰীদেৱক আজি টংলা প্ৰেছ ক্লাবৰ তৰফাৰ পৰা স্মাৰক, সম্বৰ্দ্ধনা পত্ৰ, আৰুন্নাই, গামোচা আৰু কাংবাংৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেযোগ্য যে ১৯৮৬ত যোগদান কৰি সুদীৰ্ঘ ৩৯ বছৰ ধৰি জ্যেষ্ঠ সহায়ক হিচাপে নিষ্ঠা, সততা আৰু কৰ্ম দক্ষতাৰে কৰ্মৰত হৈ সেৱা আগবঢ়াই ২০২৬ চনৰ ৩১ জানুৱাৰী তাৰিখে আনুষ্ঠানিক ভাৱে অৱসৰ গ্ৰহণ কৰা ওদালগুৰিৰ পুৰণি গৰৈমাৰী নিবাসী পিতৃ প্ৰয়াত মঙ্গল বসুমতাৰী আৰু মাতৃ প্ৰয়াত অঞ্চী বসুমতাৰীৰ সুযোগ্য সন্তান কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণৰ মুহূৰ্তত এগৰাকী সফল, কৰ্তব্যপৰায়ণ ব্যক্তি বিছপ বসুমতাৰীক আজি অনুষ্ঠানিকভাৱে টংলা প্ৰেছক্লাৱে আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰে। টংলা প্ৰেছক্লাবৰ সভাপতি ফটিক নন্দন ৰাভাই পৰিচলনা কৰা সম্বৰ্ধনা অনুষ্ঠান খনত বিছপ বসুমতাৰীদেৱে নিজৰ নিজৰ কৰ্ম জীৱনৰ মিঠা তিতা অভিজ্ঞতা ৰুমন্থন কৰে। তেও এজন চৰকাৰী বিভাগৰ কৰ্মীচাৰী হৈও ব্যৱসায়ৰ মনোভাৱলৈ মীন পালান আৰু কৃষিৰ ওপৰত কেনেকৈ গুৰুত্ব আৰোপ কৰিছিল সকলো বৰ্ণনা দিয়ে। অনুষ্ঠানখনত টংলা প্ৰেছ ক্লাবৰ উপদেষ্টা গৌৰীশংকৰ দাসে ভাষাত কয় বিছপ বসুমতাৰী এজন সফল ব্যক্তি, যিয়ে নিজৰ কৰ্মৰ লগতে ঘৰুৱা দিশটো সমানে আগুৱাব পাৰিছে। ভৱিষ্যতে সমাজৰ হিতৰহে কাম কৰি যাবলৈ তেওঁক আহ্বান জনাই। অনুষ্ঠানৰ শেষত টংলা প্ৰেছক্লাবৰ সম্পাদক অৰূপ বড়োৱে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠান খনত উপস্থিত থাকে টংলা প্ৰেছ ক্লাবৰ উপ সভাপতি দিগন্ত কুমাৰ শৰ্মা, সহকাৰী সম্পাদক অমৰজিত ৰাভা, সদস্যা মৃণ্ময় চহৰীয়, চিন্ময় ডেকা, দীপক হাজৰিকা।

# ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ ২

**অসম বাৰ্তা, ৰূপহীহাট, ৯ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাট আৰক্ষীয়ে আজি দুপৰীয়া পূব শালপাৰাত ড্ৰাগছৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিযানত ৬০ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰৰ সৈতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুজনৰ পৰা উদ্ধাৰ কৰা ড্ৰাগছখিনিৰ ওজন ৭.৭৫ গ্ৰাম। ধৃত সৰবৰাহকাৰী দুজন হল তেজপুৰ ভোজখোৱা চাপৰিৰ জাকিৰ হুছেইন আৰু ইনামুল হক। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰী দুজনক জেৰা অব্যাহত ৰাখিছে।

বীৰ লাচিত সেনাৰ স্মাৰকপত্ৰ নাজিৰাৰ সম-জিলাৰ আয়ুক্তক

# ভোটাৰ বিশেষ পুনৰীক্ষণ SR প্ৰক্ৰিয়াত বিসংগতি

**অসম বাৰ্তা, গেলেকী, ৯ ফেব্ৰুৱাৰী ঃ** 'Special Revision' চমুকৈ (SR) প্ৰক্ৰিয়াত সংঘটিত হোৱা বিসংগতি আৰু SR ৰ নামত প্ৰকৃত ভাৰতীয় ভোটাৰক হাৰাহাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জীৱিত ভোটাৰৰ নাম পুনৰীক্ষণ কৰিবলৈ আবেদন জনোৱাৰ বাবে বিভিন্ন ঠাইত সৃষ্টি হৈছে উত্তেজনাৰ। ইয়াৰ সমান্তৰালকৈ নাজিৰা সম-জিলাৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিৰ কেইবাঠাইতো একেটা সম্প্ৰদায়ৰে বহু লোকক বিশেষ পুনৰীক্ষণৰ বাবে শাসকীয় দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীৰ দ্বাৰা অভিযোগ দাখিল কৰাক লৈ সমগ্ৰ ৰাজ্য জুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। এতিয়া এই বিষয়টোক লৈ সৰৱ হৈ পৰিছে বীৰ লাচিত সেনা, অসম নামৰ সংগঠনটো। সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ মুখ্য সচিব অনুপম সন্দিকৈৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে নাজিৰা সম-জিলাৰ আয়ুক্তক। স্মাৰকপত্ৰত সংগঠনটোৱে উল্লেখ কৰিছে যে সংগঠনটোৱে পূৰ্বৰ পৰা দাবী কৰি আহিছে অসমত এখন বিদেশীমুক্ত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে। কিন্তু সংগঠনটোৱে দেখিবলৈ পাইছে এছ. আৰ.ৰ নামত নিৰ্বাচনী বিষয়াসমূহে অসমৰ খিলঞ্জীয়া গৰিয়া-মৰিয়া-দেশী লোকসকলৰ নাম কৰ্তন কৰি হাৰাশাস্তি কৰাৰ। ধৰ্মৰ নামত এনে বিভাজন সৃষ্টি কৰাটো অতি দুৰ্ভাগ্যজনক বুলি আখ্যা দিছে সংগঠনটোৱে। ছশ বছৰীয়া আহোম ৰাজত্বকালত আহোম স্বৰ্গদেউসকলে কৰ্মৰ ভিত্তিত এইসকল খিলঞ্জীয়া লোকক বিভিন্ন ধৰণৰ পদবী যেনে- বড়া, শইকীয়া, হাজৰিকা, ৰাজখোৱা আদি সন্মানেৰে সন্মানিত কৰিছিল বুলি উল্লেখ কৰিছে স্মাৰকপত্ৰত। এনে কাৰ্যই আহোম স্বৰ্গদেউসকলে দিয়া পদবীক অপমান কৰা হৈছে বুলি উল্লেখ কৰিছে সংগঠনটোৱে। এই সমগ্ৰ প্ৰক্ৰিয়াটোকে এক অবুজন সাঁথৰ বুলিও স্মাৰকপত্ৰত উল্লেখ কৰিছে সংগঠনটোৱে। স্মাৰকপত্ৰত সংগঠনটোৱে উল্লেখ কৰিছে যে "আমি কোৱা নাই যে কোনো বিদেশীক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰক। কিন্তু বিদেশীৰ নামত খিলঞ্জীয়া লোকক হাৰাশাস্তি কৰাটো গ্ৰহণযোগ্য নহয়।" বীৰ লাচিত সেনা, অসম শিৱসাগৰ জিলা সমিতিয়ে এই স্মাৰক পত্ৰৰ যোগেদি অতি শীঘ্ৰে এই খিলঞ্জীয়া লোকসকলৰ নাম পুনৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ লগতে যি সকল সন্দেহযুক্ত আৰু কোনোধৰণৰ নিৰ্দিষ্ট প্ৰমাণ হাতত নাই তেওঁলোকক নাম কৰ্তন কৰি এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ দাবী জনাইছে। অন্যথা এনে ধৰ্মৰ ভিত্তিত বিভাজন কৰি খিলঞ্জীয় লোকক হাৰাশাস্তি কৰিলে গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি স্পষ্ট কৰি দিছে সংগঠনটোৱে।

# নাৰায়ণা হাস্পতালৰ ব্যৱস্থাপনাত প্ৰস্ৰাৱজনিত ৰোগৰ বিভিন্ন পৰীক্ষা সম্পন্ন

## চৰকাৰী পেঞ্চনাৰ সন্থা নগাঁৱৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, নগাঁও, ৯ ফেব্ৰুৱাৰী ঃ** চৰকাৰী পেঞ্চনাৰ সন্থা নগাঁৱৰ উদ্যোগত আজি পুৱা এটি স্বাস্থ্য পৰীক্ষা শিবিৰ আৰম্ভ হয়। গুৱাহাটীৰ নাৰায়ণা হাস্পতালতৰ সহযোগত আৰম্ভ হোৱা উক্ত স্বাস্থ্য পৰীক্ষা শিবিৰটো আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰে চৰকাৰী পেঞ্চনাৰ সন্থাৰ নগাঁৱৰ সভাপতি প্ৰেমেশ্বৰ দাসে। শিবিৰটি মুকলি কৰে নগাঁও জিলা যুটীয়া সঞ্চালক কাৰ্যালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ পৰশমণি গোস্বামীয়ে। চৰকাৰী পেঞ্চনাৰ সন্থা নগাঁৱৰ সম্পাদক প্ৰদীপ কুমাৰ শইকীয়াই আতঁধৰা অনুষ্ঠানটিত নাৰায়ণা হাস্পতালৰ ইৰোলজী বিভাগৰ চিকিৎসক ডাঃ শান্তনু কুমাৰ ভট্টাচাৰ্য্য সহ অন্যান্য বিষয়ববীয়া সকলৰ লগতে নগাঁও পেঞ্চনাৰ সন্থাৰ শতাধিক চৰকাৰী পেঞ্চনাৰ উপস্থিত থাকে। সমাজসেৱক পল্লৱ বৰাৰ তত্ত্বাবধানত অনুষ্ঠিত উক্ত স্বাস্থ্য পৰীক্ষা শিবিৰত প্ৰস্ৰাৱজনিত, কিডনি ৰোগ, পুৰুষ-মহিলাৰ প্ৰস্বাৱজনিত ৰোগ পৰীক্ষা, পুৰুষৰ প্ৰ'ষ্টেড পৰীক্ষা আদি সম্পন্ন কৰা হয়।

# মটক জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে '২৬ৰ নিৰ্বাচনত চৰকাৰৰ বিৰুদ্ধে হেঙাৰ হৈ থিয় দিয়াৰ হুংকাৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** মটক জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে ডিব্ৰুগড় মটক ছাত্ৰ সন্থাই অনাগত দিনত পুনৰ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ দিয়ে। ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা বিজেপি চৰকাৰখনে প্ৰদান কৰিব পাৰিব নে, সদৌ অসম মটক ছাত্ৰ সন্থাৰ মুকলি প্ৰশ্ন চৰকাৰলৈ। দিন বাগৰি গ'ল, মাহ বছৰ গ'ল, বাৰিষা আহে আৰু যায় এই দৰেই বছৰ বছৰ ধৰি নিৰ্বাচনী বৈতৰণী পাৰ হ'ল, কিন্তু ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা আজি পৰ্যন্ত চৰকাৰ খনে দিব নোৱাৰিলে। মানে জনগোষ্ঠীটোক বাৰে-বাৰে ললিপপ দেখুৱাই আহিছে। বিজেপি চৰকাৰখনে ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান কৰিবলৈ দুটা কাল শাসনত থকাৰ পিছতো অসমৰ এই জনগোষ্ঠীৰক জনজাতিকৰণৰ মৰ্য্যদা ঘোষণা কৰিবলৈ সাহস নহল বিজেপি চৰকাৰখনৰ। বৰ্তমান কেন্দ্ৰত বিজেপি চৰকাৰ, অসমতো একেই চৰকাৰ তথাপি বঞ্চিত কৰি ৰাখিছে এই জনগোষ্ঠীটোক। এই চৰকাৰ খনেই মিছলীয়, মিছা কথা কৈ কৈ ললিপপ দি ৰাখিছে ছয় জনগোষ্ঠী জনজাতিকৰণৰ ক্ষেত্ৰক, কেৱল আশ্বাস দি আহিছে। ছয় জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান কৰিম বুলি কৈ আজিলৈকে দিব নোৱাৰাৰ অন্তৰালত কি ৰহস্য লুকাই আছে, সেয়া নিৰ্বাচনৰ পূৰ্বে জনাব লাগে। এইয়া কেৱল আগন্তুক ২০২৬ ৰ নিৰ্বাচনৰ বৈতৰণী পাৰ কৰাৰ চেষ্টা নেকি? ২০২৬ নিৰ্বাচনত সদৌ মটক ছাত্ৰ সন্থাই হেঙাৰ হৈথিয় দিয়াৰ হুংকাৰ প্ৰদান কৰিছে। সদৌ মটক ছাত্ৰ সন্থাই অনাগত দিনত মটক জনগোষ্ঠীৰ ৰাইজক একত্ৰিত কৰি পুনৰ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ। ছয় জনগোষ্ঠীৰ লগতে মটক জনগোষ্ঠীক জনজাতিকৰণ মৰ্যাদা প্ৰদান নকৰালৈকে হাত সাবতি বহি নাথাকে। ছয় জনগোষ্ঠীৰ লগতে সদৌ মটক ছাত্ৰ সন্থাই আমাক জানিবলৈ দিয়ে যে ইতিমধ্যে মটক ছাত্ৰ সন্থাইৰাইজৰ লগত গাওঁ সমূহত সজাগতা সৃষ্টি কৰি আকৌ নতুনকৈ ৰণকৌশল তৈয়াৰ কৰি ধাৰাবাহিক আন্দোলন ঘোষণা কৰিবলৈ সাজু বুলি সদৌ মটক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিতোপন দুৱৰাই সংবাদ মাধ্যমৰ আগত স্পষ্টকৈ প্ৰকাশ কৰে।

# পাহাৰতলিত প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা শুভ উদ্বোধন ছাহিদুল ইছলাৰ

**অসম বাৰ্তা, লেংটিছিঙা, ৯ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ আমবাৰী বাৰেগড় আঞ্চলিক অনুষ্ঠিত হোৱা পাহাৰতলিত যুৱ সংঘৰ উদ্যোগত আৰু অঞ্চলবাসীৰ সহযোগত আজিৰ পৰা পাহাৰতলি খেলপথাৰত প্ৰাইজমানি ক্ৰিকেট খেল প্ৰতিযোগিতাখনৰ শুভাৰম্ভ হয়। আজিৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনত জিলাখনৰ বহুতো প্ৰতিভাশালী দলে অংশগ্ৰহণ কৰিব অনুষ্ঠানিকভাৱে এই খেলৰ উদ্বোধন কৰে অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাহিদুল ইছলামে। উদ্বোধনী ভাষণত তেওঁ কয় যে পাহাৰতলিত যুৱ সংঘৰ উদ্যোগত অঞ্চলটোৰ ক্ৰীড়া বিকাশৰ ক্ষেত্ৰত অৱদানক বিশেষভাৱে প্ৰশংসা কৰি কয়, "এইধৰণৰ প্ৰতিযোগিতাই যুৱপ্ৰজন্মক শাৰীৰিকভাৱে সুগঠিত কৰাৰ লগতে সামাজিক একতা আৰু ভ্ৰাতৃত্বৰ দিশটো অধিক দৃঢ় কৰি তোলে।" লগতে তেওঁ অঞ্চলটোৰ ক্ৰীড়া সজাগতা আৰু উন্নয়নক লৈ সকলো পক্ষক আগবাঢ়ি অহাৰ আহ্বান জনায়। উল্লেখ্য যে, এই প্ৰতিযোগিতাত বিজয়ী দলসমূহক আৰ্থিক পুৰস্কাৰৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজক সমিতিয়ে জনায়। প্ৰতিদিনে উৎসাহিত দৰ্শকৰ উজ্জ্বল উপস্থিতিয়ে খেলপথাৰখনত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰিছে।

# গৌৰৱ গগৈ মুৰ্দাবাদ ধ্বনিৰে উত্তাল বাইহাটা চাৰিআলি

## বিশাল প্ৰতিবাদী সমদল বিজেপিৰ

**অসম বাৰ্তা, চাংসাৰি, ৯ ফেব্ৰুৱাৰী ঃ** আজি আবেলিৰ ভাগত বিজেপিৰ কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটা মণ্ডলৰ বিজেপি সভাপতি সহ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলে বাইহাটা চাৰিআলিত মিলিত হৈ গুৱাহাটী পথৰ পাৰ্কিং স্থানৰ পৰা এক বিশাল প্ৰতিবাদী সমদল উলিয়াই। "গৌৰৱ গগৈ হুচিয়াৰ, গৌৰৱ গগৈ মুৰ্দাবাদ, গৌৰৱ গগৈ পাকিস্তানী এজেণ্ট আদিৰে শ্লোগান দি বেনাৰ, ফেষ্টুন হাতে হাতে লৈ প্ৰায় সহস্ৰাধিক পুৰুষ- মহিলাই বাইহাটা চাৰিআলিৰ গুৱাহাটী পথৰ পৰা পূব কামৰূপ মহাবিদ্যালয়ৰ সন্মুখলৈকে সমদলটোৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী সমদলটোত বিধায়ক দিগন্ত কলিতা, সমষ্টিটোৰ বেজেৰা, 'বিহদিয়া-জাজীকোণা আৰু কমলপুৰ মণ্ডলৰ সভাপতি যথাক্ৰমে নয়ন বড়া, ত্ৰৈলোক্য ডেকা, দুদুল কাকতি প্ৰমুখ্যে বহুতো নেতা কৰ্মী উপস্থিত থাকে। সমদলৰ অন্তত বিধায়ক দিগন্ত কলিতাই সাংবাদিকৰ আগত গৌৰৱ গগৈ সন্দৰ্ভত কঠোৰ সমালোচনা কৰি মন্তব্য আগবঢ়ায়। লগতে গৌৰৱ গগৈ পাকিস্থানৰ এজেণ্ট বুলি কৈ গগৈৰ পত্নীয়ে কংগ্ৰেছ চৰকাৰৰ দিনত পাকিস্তানত চাকৰি কৰি পাকিস্তানৰ পৰা দৰমহা লৈছিল বুলিও অভিযোগ কৰি দিগন্ত কলিতাই গৌৰৱ গগৈক গ্ৰেপ্তাৰ কৰাৰ বাবেও দাবী জনাই কংগ্ৰেছ দলকো ক্ষুৰধাৰ সমালোচনা কৰে।

১২ ঘণ্টাৰ সময় দিলে ক্ষমা খোজাৰ

# উত্তৰ শালমাৰাৰ মাঘী অষ্টমীৰ ঐতিহাসিক খাহী খোৱা উৎসৱক লৈ চ'ছিয়েল মিডিয়াত কটু মন্তব্য

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৯ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহাদেৱ পাহাৰত প্ৰতিবছৰে অনুষ্ঠিত হোৱা "খাহি খোৱা" উৎসৱক লৈ চ'ছিয়েল মিডিয়াত জনৈক ব্যক্তি এজনে কৰা তুলুঙা মন্তব্যক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে জনৈক মিনাৰ আলী নামৰ এজন ব্যক্তিয়ে বছৰ বছৰ ধৰি চলি অহা পৰম্পৰাৰ বিৰুদ্ধে কৰা মন্তব্যৰ পাছতেই উত্তৰ শালমাৰা গাঁৱৰ ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। উল্লেখ্য যে, মাঘ মাহৰ অষ্টমী তিথিত অতীজৰে পৰা উত্তৰ শালমাৰাৰ মহাদেৱ পাহাৰত এই বিশেষ "খাহি খোৱা উৎসৱ" পালন কৰি থকা হয়। ৰাণী অভয়েশ্বৰীৰ জন্মভূমি হিচাপে পৰিচিত এই ঠাইত পৰম্পৰাৰ সৈতে স্থানীয় লোকসকলৰ ধৰ্মীয় আৰু সাংস্কৃতিক আস্থাৰ গভীৰ সম্পৰ্ক জড়িত। কিন্তু এই পৰম্পৰাক লৈ চ'ছিয়েল মিডিয়াত মিনাৰ আলীয়ে কৰা আপত্তিজনক মন্তব্যৰ পাছতেই গাঁওবাসীয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। ৰাইজে কয় যে, এই ধৰণৰ মন্তব্যে স্থানীয় লোকসকলৰ ধৰ্মীয় অনুভূতিত আঘাত হানিছে আৰু শতাধিক বছৰ ধৰি চলি অহা পৰম্পৰাক অপমান কৰা হৈছে। ঘটনাক কেন্দ্ৰ কৰি উত্তৰ শালমাৰাৰ গাঁওবাসীয়ে মিনাৰ আলীক মন্দিৰত উপস্থিত হৈ ৰাজহুৱা ক্ষমা বিচাৰিবলৈ ১২ ঘণ্টাৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত ক্ষমা নুখুজিলে আইনী ব্যৱস্থা লোৱা হ'ব বুলি গাঁওবাসীয়ে সকীয়াই দিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন